# আপোনাৰ লৰাই কি বিচাৰে

শ্ৰীত্ৰৈলোক্য নাথ শৰ্ম্মা

# সূচী


| বিষয় | | | পিঠি |
|---|---|---|---|
| ১। | লৰা-ছোৱালীক আমোদ প্ৰমোদৰ অৱকাশ লাগে কিয় | ... | ১ |
| ২। | লৰাই কামলৈ মন নকৰি খেললৈ যায় কিয় | ... | ৮ |
| ৩। | অনুভূতিবো আকৰ্ষণলৈ নাপাহৰিব | ... | ১২ |
| ৪। | আত্মবিস্তাৰৰ সুবিধা দিয়ক | ... | ১৫ |
| ৫। | লৰা-ছোৱালীক টকা পইচাৰ ব্যৱহাৰ শিকাবহে লাগে | ... | ১৯ |
| ৬। | সিহঁতক কিমান স্বাধীনতা দিব লাগে | ... | ২৩ |
| ৭। | শাস্তি নিদিয়াকৈয়ো চলাব পাৰি | ... | ২৯ |
| ৮। | লৰাই ছোৱালীৰ সঙ্গ কেতিয়া বেয়া পায় | ... | ৩৪ |
| ৯। | প্ৰশ্নৰ নহলে কেনেকৈ শিক্ষা দিব | ... | ৩৭ |
| ১০। | নেতৃত্ব কৰিব—কিন্তু শিক্ষা শিশুকেন্দ্ৰী হৈয়ে থাকিব | ... | ৪১ |
| ১১। | লৰা-ছোৱালীক নেতৃত্ব স্বাভাৱিক ভাৱে শিকিবলৈ দিয়ক | ... | ৪৯ |
| ১২। | সময় মতেহে মৰমে গুণ দিয়ে | ... | ৫১ |
| ১৩। | আপোনাৰ লৰাৰ ব্যক্তিত্ব স্বীকাৰ কৰে নে | ... | ৫৪ |
| ১৪। | জীৱনৰ যোগেহে জীৱনৰ শিক্ষা সম্ভৱপৰ (১) | ... | ৫৭ |
| | (২) | ... | ৬০ |
| ১৫। | আপোনাৰ মানত লৰা-ছোৱালী কেউটা সমান হয় জানো | ... | ৬৩ |
| ১৬। | গোটেইটোকে শিক্ষাদানৰ প্ৰজেক্ট কৰি লওক | ... | ৬৭ |
| ১৭। | যৌৱনৰ সূচনাত লৰা-ছোৱালীৰ ভাৱ-গতি কেনে হয় | ... | ৭১ |
| ১৮। | অপৰাধপ্ৰৱণ হোৱাৰ কাৰণ কি (১) | ... | ৭৫ |
| | (২) | ... | ৭৭ |
| ১৯। | চৰিত্ৰৰ সংজ্ঞা তাতকৈ বহলকৈ ধৰিব | ... | ৮০ |
| ২০। | স্ব-ভাৱৰ বিৰোধী কৈ শিক্ষা দিব নোৱাৰি | ... | ৮৮ |
| ২১। | লাজুকীয়া স্বভাৱ এইদৰে গুচাওক | ... | ৯৪ |
| ২২। | মিছা নকবলৈ কোৱাতকৈ সচা কবলৈ কব | ... | ৯৭ |
| ২৩। | শিশু সাহিত্যৰ কোন ফালৰ পৰা বিচাৰ কৰিব | ... | ৯৮ |


—:০:—

মইনা-পাৰিজাতৰ সন্দৰ্ভত—

# দুষাৰ কথা

"আপোনাৰ লৰাই কি বিচাৰে" নামৰ এই কিতাপখনিৰ লিখক শ্ৰীযুত ত্ৰৈলোক্যনাথ শৰ্ম্মা সাংবাদিক, বৰ্ত্তমানে 'জনমভূমি" সাপ্তাহিক কাকতৰ সম্পাদক। কিতাপখনৰ বিষয় বস্তু হৈছে—দেশৰ শিক্ষাৰ্থী সকলক মানুহৰ দৰে মানুহ ৰূপে গঢ়ি তুলিবলৈ আমি কেনে ভাবে আৰু কোন পদ্ধতিৰে কাম কৰিম বা চলাব লাগে। গতিকে বিষয় বস্তুটো বৰ গধুৰ অৰ্থাৎ দায়িত্বপূৰ্ণ। এনে এখনি কিতাপ সঙ্কলনৰ দায়িত্ব শৰ্ম্মা দেৱৰ গাত কেনেকৈ পৰিল বা তেখেতে স্বতঃ প্ৰণোদিত হৈ লিখিব লগা, জানিব লগা কথা। সেই অৰ্থে ইয়াত দুষাৰ কথাখিনি সকলোৰে অবগতিৰ কাৰণে প্ৰকাশ কৰা হ'ল।

দেশৰ শিশুসকলৰ কল্যাণৰ কাৰণে আজি সদৌ অসম মইনা পাৰিজাত এখনি সকলোৰে প্ৰিয় অনুষ্ঠান। দেশৰ সকলো ঠাইতে অন্যূন পাঁচ শ ইয়াৰ শাখা, আৰু নিতে বেলেগ বেলেগ ঠাইত শাখা স্থাপিত হৈয়ে আছে। এনে সদৰি অনুষ্ঠান এটিৰ দুষাৰ কথা জানিবলৈ সকলোৰে আগ্ৰহ জন্মা স্বাভাবিক।

আজি ৮ কি ৯ বছৰৰ আগতে যোৰহাটত পোনতে মইনা-মেল নাম দি এখনি 'শিশু কল্যাণ অনুষ্ঠান পাতে। প্ৰথমখন সভা বৰ আড়ম্বৰপূৰ্ণ হৈছিল। মই নিজে সেই সভাত কাৰণবশতঃ উপস্থিত

হব পৰা নাছিলোঁ। তথাপি কৰ্ম্মীসকলে মোৰ ওপৰতে পৰিচালনাৰ গুৰু দায়িত্ব দিলে। সেই সভাখনৰ এজন অন্যতম প্ৰতিষ্ঠাপক এই কিতাপখনৰ প্ৰণেতা শৰ্ম্মা দেৱ। তেখেতে ভাৰতৰ বেলেগ বেলেগ ঠাইৰ বেলেগ বেলেগ নাম আৰু কামেৰে গঠিত হোৱা শিশু সকলৰ অনুষ্ঠান বিলাকৰ কাৰ্য্য-প্ৰণালী পৰ্য্যালোচনা কৰি আমাৰ মইনামেল খনো সেইদৰে চলাবলৈ যাৱতীয় দিহা কৰিলে। সেই ব্যৱস্থা যুক্তিসঙ্গত বিবেচনা কৰি সকলোৱে মানি ললে। তেখেতৰ আৰু সহকৰ্ম্মী সকলৰ পৰিচালনাতে মইনা মেল চলিবলৈ ধৰি তেতিয়া ই জনপ্ৰিয় হৈ উঠিল। তেতিয়াৰ পৰা আমি ইয়াৰ গুৰুতৰ দায়িত্বৰ কথা অনুভৱ কৰিলোঁ। সেই বাবে বছেৰেকীয়া অধিবেশনত অন্ততঃ আমি পৰিচালক আৰু পৰিচালিকা সকলৰে সৈতে অনুষ্ঠান চলোৱাৰ বিষয়ে আলোচনা কৰোঁ, আৰু সততে দায়িত্বৰ কথা সোঁৱৰাই দিয়া হয়। আমাৰ অনুষ্ঠানৰ পৰা যাতে কোনো বিষম ফল নহয় শিশু সকলৰ মাজত, তালৈ সচেতন কৰি দিয়া দিয়াও তেনে আলোচনাৰ ঘাই কথা।

তিনিচুকীয়াত সেই বছৰ মইনা মেলৰ দ্বিতীয় বছেৰেকীয়া অধিবেশন বহিছিল। তাৰ আগতে গুৱাহাটীত "পাৰিজাত কানন" নামে আন এখনি শিশু অনুষ্ঠান স্থাপিত হৈছিল। সেই অধিবেশনত দুটা বৰ লাগতিয়াল প্ৰস্তাৱ গ্ৰহণ কৰা হৈছিল। প্ৰথমটো হল, এই দুয়োটা শিশু অনুষ্ঠান এক হবলৈ আহ্বান জনোৱা ; আৰু দ্বিতীয়টো হল, আমাৰ শিশু সকলৰ কাৰণে পত্ৰা এই অনুষ্ঠানৰ পৰিচালক আৰু পৰিচালিকা সকলৰ কাৰণে এখন পুস্তিকা প্ৰণয়ন কৰা।—যাতে সেই পুস্তিকাৰ যোগে সকলো কৰ্ম্মীয়ে একে ভাবে আমাৰ অনুষ্ঠান পৰিচালনা কৰিব পাৰে, আৰু কেনেভাবে আমাৰ অনুষ্ঠান চলাৰ

তাৰো নির্দ্দেশ এই পুস্তিকাত থাকিব। এই কার্য্য সম্পন্ন কৰিবৰ কাৰণে এখন কমিটী পাতি দিয়া হল। তাৰ সভ্য হল শিক্ষাবিদ শ্রীযুত সুৰেশ চন্দ্র ৰাজখোৱা ( সহকাৰী সভাপতি, মইনা মেল ), শ্রীযুত প্রভাত চন্দ্র শ্রুতিকৰ ( অধ্যক্ষ তিতাবৰ পোষ্ট গ্রেজুয়েট ট্রেইনিং কলেজ ) আৰু শ্রীযুত ত্রৈলোক্য নাথ শর্ম্মা ( সাধাৰণ সম্পাদক, মইনা মেল )। শর্ম্মাদেৱেই কমিটীৰ আহ্বায়ক বা সম্পাদক।

সেই কমিটীয়ে কার্য্য আৰম্ভ কৰিবলৈ নৌ পাওঁতেই শ্রীৰাজখোৱা দেৱে গবেষণাৰ কাৰণে আমেৰিকালৈ আৰু শ্রীশ্রুতিকৰ দেৱো প্রায় একে ধৰণৰ কামৰ কাৰণে অসমৰ বাহিৰলৈ যাব লগা হয়। গতিকে পুস্তিকা প্রণয়নৰ কাম হৈ নুঠিল।

ইফালে কিন্তু সময়ৰ প্রভাবত ৰাইজৰ মাজত এই অনুষ্ঠান লাগতিয়াল বুলি বোধ হোৱাত ক্রমে পৰিসৰ বাঢ়ি আহিবলৈ ধৰিলে। এনে কি, মইনা মেল আৰু পাৰিজাত কানন এক হবৰ নিয়মিত চেষ্টা হবলৈ ধৰিলে। এক হোৱাৰ বাবে যাবতীয় কার্য্য সম্পন্ন হৈ যোৱা এপ্রিল মাহত '৫৮, ডিব্রুগড়ত সি খাটাং ভাবে নিষ্পন্ন হল। পৰিবর্দ্ধিত আমাৰ এই অনুষ্ঠান প্রধানতঃ শিশু শিক্ষামূলক হোৱাৰ কাৰণে ইয়াৰ সার্থকতাৰ নিমিত্তে মইনা-পাৰিজাতৰ শাখা সমূহৰ পৰিচালক-পৰিচালিকা আৰু আন আন কর্ম্মী সকলে শিশু মনোবিজ্ঞানৰ প্রাথমিক জ্ঞান অর্জ্জন কৰাটো নিতান্ত প্রয়োজন হৈ পৰে। কিন্তু আমাৰ ভাষাত তেনে কিতাপৰ অভাব; বিশেষতঃ আমাৰ কামত অহা ধৰণৰ কিতাপ নাই বুলিয়েই হয়। উপায়ান্তৰ হৈ আমি প্রধানতঃ বছেৰেকীয়া অধিবেশনৰ সময়ত শিক্ষাবিদ দুই এজনক মাতি আনি পৰিচালক-পৰিচালিকা সকলক লৈ একোখন আলোচনা চক্রৰ যোগে কর্ম্ম-পন্থাৰ নির্দ্দেশ দিয়াৰ ব্যৱস্থা কৰিছিলোঁ।

পৰিচালক সকলৰ অভিজ্ঞতাৰ পৰা পোৱা ফলাফল সম্বন্ধে আমিও সজাগ হব পাৰিছিলোঁ। কিন্তু এই ব্যৱস্থাৰ দ্বাৰা আমাৰ প্রয়োজন পূৰাব পৰা নহল। আমি শৰ্ম্মাদেৱকে এখনি পুস্তিকা প্রণয়নৰ বাবে টানি কৰলৈ ধৰিলোঁ। ঘাই সম্পাদক স্বৰূপে তেখেতে কাৰ্য্যবশতঃ বিভিন্ন ঠাইলৈ গৈ, নানা জনলৈ চিঠিৰে যোগাযোগ ৰাখি মইনা পাৰিজাতৰ উদ্দেশ্য, পৰিচালনা-পদ্ধতি আৰু তাৰ লগৰীয়া শিশু মনো বিজ্ঞানৰ অন্যান্য বিষয়ে পৰিচালক, শিক্ষক আৰু শিশু শিক্ষানুৰাগী সকলৰ লগত আলোচনা কৰে। ফলতঃ আমি এতিয়া এই পুস্তিকাখনি পাওঁ। এই পুথি খনিত শৰ্ম্মাদেৱে পৰিচালক সকলে সুধি পঠোৱা প্রশ্নৰ উত্তৰত লিখা, আৰু মইনা পাৰিজাতৰ উদ্দেশ্য ব্যাখ্যা কৰি পৰিচালনা-পদ্ধতিৰ নির্দ্দেশ দি লিখা চিঠি কেইখনমান পুনৰ চাই-চিতি প্রকাশ কৰিছে। ইয়াৰ পৰাই বুজিব পাৰি যে, শৰ্ম্মাদেৱে কোনো কিতাপ লিখা হিচাবে কিবা আঁচনি কৰি লৈ এই পুস্তিকাখনি লিখা নাই। বিভিন্ন সময়ত, বিভিন্ন পৰিচালকলৈ উত্তৰত লিখা কথাবোৰ সন্নিবেশ কৰা বা'ব পুথিখনৰ দুই এঠাইত পুনৰোক্তি হোৱা দেখা যায়। যি ভাবে পুথিখনি যুগুত কৰিছে তাত তেনে নহৈ নোৱাৰেও।

মই ভাবোঁ যে, এই হাত পুথিখনি প্রকৃততে শিক্ষকৰ হাতৰ পুথিৰ যোগ্য হৈছে। আমাৰ অনুষ্ঠানৰো পৰিচালক অধিকাংশই শিক্ষক-শিক্ষয়িত্রী। লগতে ইয়াকো জানো যে, শৰ্ম্মাদেৱে অকল আমাৰ অনুৰোধ ৰক্ষা কৰিয়েই পুথিখন যুগুত কৰা নাই। শিশু অনুষ্ঠানৰ অন্যতম প্রতিষ্ঠাতা আৰু পৰিচালক হিচাবে কৰ্ম্ম-ক্ষেত্রত তেখেতে নিজৰ দায়িত্ব অনুভৱ কৰিয়েই, এনে ধৰণৰ পুথিৰ সমধিক আৱশ্যকতা বুজি এই কামত হাত দিয়ে। বিশেষ মন কৰিব লগা

কথা যে, এই কামৰ কাৰণে যি দুজন লোকক আগতে আমি তেখেতৰ অন্যতম লগৰীয়া হিচাবে কাম কৰিবলৈ দিহা লগাই দিছিলোঁ।—কাৰ্য্যখলত সিবিলাকে পোনপটীয়াকৈ কাম কৰিব নোৱাৰা কাৰণে শৰ্ম্মাদেৱে সিবিলাক দুয়োজনৰে পৰা মতামত সংগ্ৰহ কৰি ইয়াত সন্নিবেশ কৰাত আমাৰ তিনিচুকীয়া অধিবেশনৰ প্ৰস্তাৱে প্ৰকৃত ৰূপ ললে।

আমাৰ দেশৰ শিশুসমাজৰ অধিকাংশ ভাগ লৈ গঠিত আমাৰ অনুষ্ঠানৰ যোগে তেওঁলোকৰ শিক্ষাৰ পৰিপূৰক হিচাবে যি ব্যৱস্থা, তাৰ পৰিচালনাৰ দায়িত্ব লৈ, মন সততে শঙ্কা-যুক্ত হৈ ভাবোঁ আমাৰ অনুষ্ঠানৰ পৰা যদি অলপো কিবা বেয়া হয়, ছাত্ৰ সকলৰ শিক্ষাত যদি কিবা বাধা হে পৰে, কিবা অপকাৰ হয় তেন্তে সি অতিশয় দুঃখৰ কথা হব, আৰু তাৰ বাবে আমিয়েই দায়ী হম। উদ্দেশ্য ভাল হলেও পৰিচালনাত যেন খুঁত নেথাকে।

ইমান দিনে এই অনুষ্ঠানৰ লগত ওতপ্ৰোত ভাবে জড়িত থাকি মোৰ ধাৰণা হৈছে আৰু সেই সন্দৰ্ভত মোৰ দৃঢ় অভিমত এয়ে যে, আমাৰ অনুষ্ঠানৰ যাবতীয় কাৰ্য্যাৱলী যেন গাম্ভীৰ্য্যপূৰ্ণ হয় বা চঞ্চলতা উদ্দীপক কোনো কাৰ্য্য যেন নহয়। আমি মনত ৰাখিব লাগে যে, আমাৰ অনুষ্ঠান শিশু সকলৰ। সিহঁত এনেয়ে চঞ্চল, তাতে যদি অধিক চঞ্চল হবৰ সমল যোগোৱা হয় তেন্তে বেছি অনিষ্ট কৰা হে হল।

বৰ্ত্তমানে আমাৰ অনুষ্ঠানত যেন বিচিত্ৰানুষ্ঠানৰ হে বিশেষ পয়োভৰ। আগতে ইয়াৰ নাম দিছিল কৃষ্টি সভা। পোনাহঁতৰ আকৌ কি কৃষ্টি সভা? বুলি কোনোৱে মন্তব্য কৰাত আজি উক্ত নামলৈ ৰূপান্তৰিত হৈছে। এই অনুষ্ঠানত বিহু গীত, বিহুনাচ, আৰু বনগীত (বহুত ক্ষেত্ৰত অনুপযুক্ত ভাষাৰ) আমদানি কৰা হৈছে। কণ কণ লৰা-ছোৱালীক এইবোৰ শিক্ষা দি তাকে আকৌ

সভা থলিত প্ৰদৰ্শন কৰোৱা কেনে যুক্তিসঙ্গত হৈছে ভাবিবৰ কথা। মোৰ মতে আমাৰ শিশু অনুষ্ঠানত ইয়াৰ উপযোগিতা কোনো ফালৰ পৰাই নাই। ই অৱশ্যে বন্ধ হব লাগে। আমাৰ শিশু অনুষ্ঠানৰ শিশু সকলৰ উপযোগী নাচ আৰু গানৰ ব্যৱস্থা থাকিব লাগে। যেই সেই গান বা নাচ শিকোৱাও অনিষ্টকৰ। এই বিষয়ত আমি কলাবিদ সকলৰ সহায় নিশ্চয় লোৱা উচিত।

দ্বিতীয় চকুত পৰা ডাঙৰ দোষ হৈছে—কম সময়ত সৰহ কাম কৰিবলৈ আমি শিকিবও পৰা নাই, গতিকে শিকাবও পৰা নাই। আমাৰ অনুষ্ঠান বোৰ অনাহক দীঘলীয়াকৈ পতা হয়। আলোচনামূলক সভাতো বহুতো নাচ, গান, অভিনয় আদিৰ ব্যৱস্থা থকাত মূল কথাৰ পৰা কেতিয়াবা আঁতৰি যোৱা বা তাৰ কাৰণে সময় নোহোৱাও হয়। সেই কাৰণে মোৰ মতে সভাৰ কাৰ্য্যক্ৰম বোৰ ভালদৰে ভাবি চিন্তি চাই কৰিব লাগে। নাচ, গান, অভিনয় আদি কথাবোৰ বিচিত্ৰানুষ্ঠানলৈ থব লাগে। সভাত গীত-মাতৰ সংখ্যা চাৰিটাতকৈ কেতিয়াও সৰহ হব নালাগে। যি গীত-মাত দিব তাক আগতে পৰীক্ষা কৰি চাইহে দিব লাগে। মোৰ নিজা অভিজ্ঞতাৰ পৰা কৈছো—এখন বছেৰেকীয়া অধিবেশনত এঠাইত বৰ ওখ (ছটঙ্গা) লগা এডন মঞ্চত ওলাই এটি বৰগীত জুৰিলে। তাৰ ভাৱাও এনে আঁসোৱাহযুক্ত আছিল যে সভাত থকা বহুতে ছেই ছেই কৰিবলৈ ধৰিলে। গীতটি যিমান পাৰে সোনকালে সামৰি আঁৰ কাপোৰৰ ভিতৰ হৈ তেওঁৰো ৰক্ষা, দৰ্শকৰো উশাহ সলনি। এই অৱস্থা কোনো লোকেই আশা নকৰে। আমি দায়িত্বত অধিষ্ঠিত সকলে কেনে অনুভৱ কৰিম বা আমাৰ কৰ্ত্তব্য এতিয়া কি হব বুলি ভাবিবলৈ সুচাব লাগিবনে?

মুঠতে শিশু কল্যাণ অনুষ্ঠান পৰিচালনাত আমি সততে আমাৰ দায়িত্বৰ প্ৰতি সজাগ থাকি কৰ্ম্ম-পদ্ধতি স্থিৰ কৰি আগ বাঢ়িব লাগে। সেই বাবেই এই অভিজ্ঞতা বৰ্ণনা কৰিছো, কাকো আক্ৰমণ কৰিবলৈ নহয়; বৰং যাতে আমি আগলৈ তেনে ভুল নকৰোঁ তাৰ কাৰণে সাৱধান হবলৈছে। কাম কৰোঁতে কেতিয়াবা ভুল হয়। সেই ভুল দেখি আৰু বুজি তাক নকৰাতোৱেই মনুষ্যত্ব লাভৰ পথ। পৰিচালনাত ভুল হলেই আমি হাত সাবটি ম নে? নহয়, ভুল শুধৰাই শুদ্ধ ভাবে আগ বাঢ়িম।

এই পুথিখনিৰ অন্যতম উপযোগিতা হৈছে আমাৰ পৰিচালক পৰিচালিকা বা আন কৰ্ম্মী অথবা শিক্ষক সকলে শিশু কল্যাণ বিষয়ক কাৰ্য্যৰ আলোচনা কৰিবলৈ এটা উপাদান (Basis) পালে। ইয়াৰে আলমত আমি আলোচনা কৰিবলৈ সুচল ওলায়। আগতে এনে অৱলম্বন নাছিল। মোৰ বোধেৰে এতিয়া এই অৱলম্বনেৰে জিলা মইনা পাৰিজাত অনুষ্ঠানে সময়মতে আলোচনাচক্ৰ পাতি কোনো শিক্ষা বিদৰ সহযোগিতাৰে আমাৰ কৰ্ম্মৰ ভিতৰত পন্থা নিৰ্দ্দেশৰ দিহা হোৱা ভাল হব।

এনে এখনি পুথি যুগুত কৰি দিয়াত শৰ্ম্মাদেৱ আমাৰ সকলোৰে শলাগৰ পাত্ৰ। যি আশাৰে যি উদ্দেশ্য লৈ পুথিখনি যুগুত কৰা হৈছে সেইমতে শিক্ষক সমাজৰ ওচৰতো ই বিশেষকৈ সমাদৃত হব বুলি আশা কৰিলোঁ। ইতি

বিনীত

**শ্ৰীমহাদেৱ শৰ্ম্মা**

( কাৰ্য্যকৰী সভাপতি, সদৌ অসম মইনা পাৰিজাত। )

ছিলং

—:০:

# পাতনি

প্ৰকৃতি আৰু প্ৰভাৱ, স্বাধীনতা আৰু শাসন, ব্যক্তি আৰু সমাজ, সৃষ্টি আৰু স্থিতিৰ মাজত কৃত্ৰিম অথচ চিৰন্তন দ্বন্দ্বৰ যি সমস্যা শিক্ষাৰো সমস্যা সেয়েই।

প্ৰকৃতিৰ পৰা লাভ কৰা সহজাত প্ৰবৃত্তি, বৃত্তি, বুদ্ধি, শক্তি আদি শিশুৰ জীৱন যাত্ৰাত মূল-ধন এই সম্পদবোৰৰ সহায়ত সুস্থ সবল আত্ম-প্ৰকাশৰ কাৰণে প্ৰয়োজন হয় ব্যক্তিৰ সম্পূৰ্ণ স্বাধীনতা, সৃষ্টিৰ অনুকূল বাধাহীন পৰিবেশ। কিন্তু শিশুৰ এই মূল সম্পদবোৰ সম্ভাব্যতাৰ পৰা বাস্তৱত পৰিণত কৰিবলৈ সুযোগৰ আৱশ্যক এই সুযোগ দিয়ে সমাজিক প্ৰভাৱে। সমাজৰ সংস্পৰ্শত আহিলেই সৃষ্টি হয় সংঘাতৰ - প্ৰকৃতিৰ লগত পৰিবেশৰ, স্বাধীনতাৰ লগত শাসনৰ, ব্যক্তিৰ লগত সমষ্টিৰ আৰু মনৰ গতিশীলতাৰ লগত সমাজৰ স্থিতিশীলতাৰ।

প্ৰত্যেক অভিভাৱক, শিক্ষক আৰু শিশুৰ মঙ্গলকামী লোকৰেই কৰ্ত্তব্য - অনুকূল পৰিবেশৰ সৃষ্টি কৰি শিশুক এই সংঘাতৰ মাজত আত্ম-বিকাশৰ সক্ষম কৰা। দেখাত পৰস্পৰ বিৰোধী আদৰ্শ আৰু নীতিৰ মাজত সাম্যতা ৰাখি এই কাৰ্য্য সমাধান কৰা সহজ নহয়। আত্ম-নিয়ন্ত্ৰণমূলক সুশাসনৰ পৰিবৰ্ত্তে মাত্ৰ বহিঃশৃঙ্খলাকে শাসন বুলি ভুল কৰিলে যেনেকৈ শিশুৰ স্বাভাবিক বাঢ়নত বাধা দিয়া হয় ঠিক তেনেকৈয়ে স্বাধীনতাৰ নামত স্বেচ্ছাচাৰিতাক প্ৰশ্ৰয় দিলেও শিশুৰ ভৱিষ্যত সম্পূৰ্ণ নষ্ট হব পাৰে। মন সৃষ্টিধৰ্মী।

কিন্তু স্থিতিশীলতাও মানৱ সমাজৰ অপৰিহাৰ্য্য গুণ। এই দুয়োটাৰ ভিতৰত সামঞ্জস্য নাৰাখি শিশুক কেৱল গতিশীল কৰি তুলিব খুজিলে সমাজ ৰক্ষা নপৰে। এই কাৰণে শিশুৰ সংস্পৰ্শত অহা প্ৰত্যেক জন লোকেই অতি সাধাৰণ ভাবে হলেও মনোবিজ্ঞানৰ ছাত্ৰ হোৱা নিতান্ত প্ৰয়োজন।

এই পুথিখনিত শ্ৰীযুত শৰ্ম্মাই শিশু মনোবিজ্ঞানৰ মূল নীতি কেইটামান পৰিচিত পৰিবেশত প্ৰয়োগ কৰি ব্যাখ্যা কৰিবলৈ প্ৰয়াস কৰিছে। শ্ৰীযুত শৰ্ম্মাৰ শিশুমন আৰু জগতৰ লগত ঘনিষ্ঠ সম্বন্ধৰ পৰিচয় পুথিখনিত পোৱা যায়। মইনা মেল পাৰিজাত )ৰ জৰীয়তেই তেখেতৰ এই সম্বন্ধ গঢ়ি উঠিছে। অভিজ্ঞতাই চিন্তাধাৰাক বাস্তৱ ৰূপ দিয়ে আৰু মৌলিকতাও দান কৰে। এই পুথিখনিত তাৰ প্ৰমাণ পোৱা যায়। আলোচ্য ক্ষেত্ৰ ব্যাপক যদিও শিশু মনস্তত্বৰ প্ৰায় খিনি ঘাই জানিব লগা কথাই পুথিখনিত ঠাই পাইছে। মইনা পাৰিজাতৰ পৰিচালক সকলক উদ্দেশ্য কৰি যুগুত কৰা হৈছে যদিও পুথিখনিয়ে অভিভাৱক সকলৰ—বিশেষকৈ মাতৃ সমাজৰ আদৰ পাবৰ যোগ্য।

**শ্ৰীসুৰেশচন্দ্ৰ ৰাজখোৱা**
( উপ অধিকৰ্ত্তা, অসম চৰকাৰ শিক্ষা বিভাগ )।
**ছিলং**

—:•:—

## —শিক্ষাবিদৰ অভিমত—

শ্ৰীত্ৰৈলোক্যনাথ শৰ্ম্মাদেৱৰ "আপোনাৰ লৰাই কি বিচাৰে' পুথিখন হাতে লিখা অৱস্থাতে পঢ়ি বৰ সন্তোষ পালোঁ। এই পুথিখন শিশু মনোবিজ্ঞানৰ দৃষ্টিভঙ্গীৰ ফালৰ পৰা অতি সহজ আৰু সৰল ভাষাত লিখা হৈছে।

বহুত শিক্ষাবিদৰ মতে মনোবিজ্ঞানৰ কিতাপ বা পাঠ্যবিলাক নৈৰ্ব্যক্তিক ৰচনা নহৈ শিক্ষাদান কৰোঁতে সন্মুখীন হোৱা সমস্যা বিলাকৰ কাৰ্য্যকৰী সমাধানৰ কাৰণে ব্যক্তিগত চেষ্টামূলক ব্যাখ্যাৰ দৰে হোৱা উচিত।

মই অতি সন্তোষ পাইছোঁ যে, শ্ৰীশৰ্ম্মাই প্ৰণয়ন কৰা কিতাপখনি ওপৰত উল্লেখ কৰা মতৰ পৰা অলপো আঁতৰি যোৱা নাই। শিক্ষাদান কৰোঁতে, মইনা পাৰিজাত পৰিচালনা কৰোঁতে শিক্ষক আৰু পৰিচালক সকল সাধাৰণতে যিবিলাক সমাস্যাৰ সন্মুখীন হব লগা হয় সেই বিলাকৰ সমাধানৰ আলোচনাই এই কিতাপত ঠাই পাইছে।

ইয়াৰ আলোচনাবিলাক ওপৰত কোৱাৰ দৰে নৈৰ্ব্যক্তিক ৰচনা নহৈ ব্যক্তিগত অভিজ্ঞতাৰ পৰা লিখা বা কোৱাৰ দৰে হৈছে। শিক্ষক আৰু শিশু-মেলৰ পৰিচালকসকলে কাৰ্য্য চলাওঁতে যিবিলাক সমস্যাৰ সন্মুখীন হয় সেইবিলাকৰ উত্তৰ স্বৰূপে হে এই পুথি খনি লিখা হৈছে।

পাঠবিলাকৰ উদাহৰণ একেবাৰে ঘৰুৱা আৰু কাৰ্য্য কৰোঁতে উদ্ভৱ হোৱা বাস্তৱ ক্ষেত্ৰৰ পৰা লোৱা। সম্পাদক হোৱাৰ আগতে লেখক

শ্ৰীশৰ্ম্মাদেৱে কিছু বছৰ শিক্ষকতা কৰি আৰু মইনা মেলৰ জন্ম দি, পৰিচালনা কৰি যি অভিজ্ঞতা অৰ্জ্জন কৰিছে, সেই অভিজ্ঞতাৰ ওপৰত ভিত্তি কৰি এই পুথিখন ৰচনা কৰিছে। অতি দুখৰ কথা, আজি আমাৰ শিশু-মনোবিজ্ঞানৰ তেনে কোনো পুথি নাই। শিশুক কেনেকৈ পৰিচালনা কৰিব লাগে তাক আমি (শিক্ষক, অভিভাৱক আৰু মইনা পাৰিজাতৰ পৰিচালকে) নাজানো। মোৰ বিশ্বাস, এই পুথি খনিয়ে আমাৰ এটি অপূৰণীয় অভাৱ পূৰণ কৰিব। এই পুথিখন শিক্ষক সকলৰ "শিক্ষক সখা" স্বৰূপে গন্তব্য পথৰ সাৰথি হব।

শ্ৰীপ্ৰভাত চন্দ্ৰ শ্ৰুতিকৰ

(অধ্যক্ষ, পোষ্ট গ্ৰেজুৱেট বেচিক ট্ৰেইনিং কলেজ)

তিতাবৰ।

—:০:—

# লৰা-ছোৱালীক আমোদ-প্ৰমোদৰ অৱকাশ লাগে কিয় ?

**প্ৰঃ – মইনা মেল (পাৰিজাত)ৰ নিয়মাৱলী মতে আমি আমাৰ মইনা মেল (পাৰিজাত)ৰ কাম খেলাকেন্দ্ৰী কৰি চলাইছোঁ। লৰাবিলাকো খেলাৰ কাৰণে বেচ উৎসাহী হৈ পৰিছে। কিন্তু এটা সাধাৰণ অভিযোগ আহিছে যে, মইনা মেল (পাৰিজাত)ৰ লৰা-ছোৱালীবিলাকক খেলাৰ কাৰণে পাগল কৰি তুলি ঘৰৰ কাম-বনলৈ পিঠি দিয়াইছে।**

**উঃ**—আপোনাৰ প্ৰশ্নটোৰ পাচৰ ফালৰ পৰা উত্তৰ দিয়া হওক। অভিভাৰকসকলে তোলা অভিযোগৰ পৰা বুজা গৈছে—সৰু সৰু লৰা-ছোৱালীবোৰে মইনা মেল (পাৰিজাত)ত খেলিবলৈ পাই ঘৰত আগেয়ে যিমান কাম-বন কৰে তাতকৈ কমকৈ কৰিবলৈ লৈছে বা কৰিবলৈ মন নকৰা হৈছে। এই অভিযোগৰ পৰা আৰু বুজা যায় যে, লৰা ছোৱালীবোৰে ঘৰত আগেয়ে কম ধেমালি-ধুমুলা কৰিছিল বা প্ৰায়ে নকৰিছিলেই। কিন্তু আচলতে কথা জানো সেইটো ? লৰা-ছোৱালীবিলাকে তেতিয়াও ধেমালি কৰিছিল। কিন্তু মইনামেলৰ জৰিয়তে সঙ্ঘবদ্ধ ভাবে দেখ্‌নিয়াৰকৈ লৰা-ছোৱালী বিলাকৰ খেল-ধেমালিৰ ব্যৱস্থা নোহোৱালৈকে, অনেক অভিভাৰকে—তেওঁলোকৰ লৰা-ছোৱালীবিলাকে ঘৰত, বাৰীৰ চুকত, আলি-পদূলিত বা বাটত কৰা ধেমালিলৈ বৰকৈ

চকু নিদিছিল। খেলাৰ আগ্ৰহ বা ধেমালি-প্ৰিয়তা মানুহৰ এটা আদিম প্ৰবৃত্তি। অকল মানুহৰে কিয় সকলোবিলাক প্ৰাণীৰে এই খেল-প্ৰিয়তা আছে। ধেমালিৰ এই প্ৰবৃত্তি মানুহ বা জন্তুৰ শৈশৱ আৰু বাল্যাৱস্থাতে আটাইতকৈ প্ৰৱল দেখা যায়; আৰু এটা বিশেষ মন কৰিব লগীয়া বিষয়— যিবিলাক জীৱ যিমানেই উন্নত সেইবিলাক জীৱৰ খেল-ধেমালি-প্ৰিয়তা সিমানেই প্ৰৱল। সেই অনুক্ৰমে তেওঁ-লোকৰ বাল্যকাল ছোৱাও বেছি দীঘল। পৰুৱা আৰু মৌ-মাখি ইতৰ প্ৰাণীবোৰৰ ভিতৰত আটাইতকৈ সৰু। সেইবাবে সেইবিলাকৰ জীৱন-প্ৰয়াসো অতি সৰল। সেই কাৰণে এইবিলাক প্ৰাণীৰ বাল্যাৱস্থাত ধেমালি কৰাৰ প্ৰবৃত্তিও বিশেষ প্ৰকটিত নহয়। তাতকৈ হাঁহ-পাৰ, সেই বিলাকতকৈ কুকুৰ-মেকুৰী, এইবোৰতকৈ বান্দৰ-বাঘ-ভালুকৰ জীৱন-প্ৰয়াস উন্নত্তৰ আৰু জটিলতৰ। সেই কাৰণে ই শ্ৰেণীতকৈ সি শ্ৰেণী জন্তুৰ ধেমালিৰ প্ৰবৃত্তি অধিক প্ৰৱল, শৈশৱ-বাল্য কাল বেছি দীঘলীয়া। মানুহ আটাইতকৈ উন্নত জীৱ আৰু মানুহৰ জীৱন-প্ৰয়াসো অধিক জটিলতৰ; সেই কাৰণে মানুহৰ খেলাৰ প্ৰবৃত্তি অত্যধিক প্ৰৱল আৰু দীৰ্ঘকাল স্থায়ী।

জীৱৰ জীৱন-প্ৰয়াস উন্নত্তৰ আৰু জটিলতৰ আৰু খেলাৰ প্ৰবৃত্তি ক্ৰমশঃ অধিক প্ৰৱলতৰ হৈ যোৱাৰ প্ৰধান কাৰণ কি? শিশুৱে খেল-ধেমালিৰ মাজেদি ভবিষ্যত জীৱনৰ কাৰণে প্ৰস্তুত হবলৈ শিকে। সেই কাৰণে খেলাক কোৱা

হয় ‘প্ৰকৃতিৰ শিক্ষা’ (Education of Nature)। আপোনাৰ ঘৰত পোহা মেকুৰীজনীৰ পোৱালীটোলৈ মন কৰক। সি জোপ লৈ নিগনি ধৰা বা লুকাভাকু খেমালি কৰিছে। এই খেলাৰ মাজেদিয়েই পৈণত বয়সত সি নিগনি আৰু চৰাই-চিৰিকতি আদি ধৰিবলৈ অভ্যাস কৰিছে। আপোনাৰ অকণমানি ছোৱালীজনীলৈ চাওক। তাই ধুলি-বালি লৈ ভাত ৰান্ধিছে। পুতলা এটাকে মইনা বুলি কোলাত লৈ নিচুকাইছে বা শুৱাইছে। লৰাটোলৈ চাওক। সি হয়তো মুখেৰে পোঁট পোঁট কৈ মাতি বা উকিয়াই ৰেল বা মটৰ চলাইছে, নহয় লগৰ লৰাৰ লগত খেমালি কৰোঁতে কাঁজিয়া কৰি আস্ফালন কৰিছে। এই খেমালি বিলাকৰ মাজেদিয়েই ছোৱালীজনী আৰু লৰাটো ভৱিষ্যত জীৱনৰ বাবে প্ৰস্তুত হৈছে।

মইনা মেল (পাৰিজাত)ৰ কাম বিলাকত খেল-খেমালিয়ে ঠাই পাইছে। সেই বাবে কথাটো আৰু অলপ আলোচনা কৰোঁ। বাল্যাৱস্থাত খেমালিৰ প্ৰতি আগ্ৰহৰ গুৰি কাৰণ বিচাৰি মনোবিজ্ঞানীসকলে কেবাটাও তথ্য নিৰূপণ কৰিছে। এদল পণ্ডিতৰ মতে শিশুৱে বাল্যাৱস্থাত জীৱন-প্ৰয়াসৰ বাবে অন্য শ্ৰম কৰিব নোৱাৰাৰ কাৰণে শৰীৰৰ অতিৰিক্ত শক্তিখিনি খেল-খেমালিৰ মাজেদি শেষ কৰে। কিন্তু এইটো মত বেছি নিৰ্ভৰ যোগ্য নহয় বুলি অনুমান হয়। কিয়নো লৰা-ছোৱালীয়ে, আনকি বয়সীয়া লোকেও, ভাগৰ লাগি অন্য কাম কৰিব নুখুজিলেও খেল-খেমালি কৰিবলৈ ওলায়।

আন এদলৰ মতে খেলা হ'ল সোঁৱৰণমূলক। মানুহ জাতিয়ে আদিম অৱস্থাৰ পৰা বৰ্ত্তমান উন্নত সভ্য অৱস্থালৈ আহিবলৈ যি কেইটা স্তৰৰ মাজেদি পৰিবৰ্ত্তিত হৈ আহিছিল, মানুহে ব্যক্তিগত জীৱনত উপজিবৰে পৰা সেই কেইটা স্তৰৰ মাজেদি আহিব লগা হয়। ধৰি লওক, লৰা ছোৱালীয়ে যি লুকাভাকু আৰু আন প্ৰতিদ্বন্দ্বিতামূলক খেল খেলে, এইবিলাক হৈছে মানুহৰ আগৰ অসভ্য যুগৰ আত্মৰক্ষাৰ চেষ্টা আৰু যুদ্ধৰ সোঁৱৰণি। আন এদলৰ মতে খেলা হল সম্ভাৱনামূলক। লৰা বা ছোৱালীয়ে আগলৈ কি হবগৈ আৰু কি দায়িত্ব লবলৈ তাৰে আখৰা কৰে শৈশৱ আৰু বাল্য কালৰ খেল-ধেমালিৰ মাজত। ওপৰত উল্লেখ কৰি অহা উদাহৰণটিকে পুনৰুল্লেখ কৰিব পাৰি। ছোৱালীয়ে বালিৰে ভাত ৰান্ধিবলৈ শিকি, কোলাত মইনা-কেঁচুৱা লৈ গৃহিনী-জীৱনৰ কাৰণে প্ৰস্তুত হয়। কোনো একোটা লৰাই গাড়ী-মটৰ চলোৱাৰ ধেমালি কৰি, শিক্ষকে ছাত্ৰক মৰিওৱাৰ দৰে জেওৰা-জপনা মৰিয়াই ভৱিষ্যত জীৱনৰ একো একোটা বৃত্তিৰ অনুশীলন কৰে। চতুৰ্থ দল পণ্ডিতৰ মতে খেলা হ'ল শোধনমূলক। যিবিলাক অনিষ্টকাৰী প্ৰবৃত্তি সভ্য জীৱনত চৰিতাৰ্থ কৰিব নোৱাৰি, খেল-ধেমালিৰ মাজেদি সেই প্ৰবৃত্তি বিলাকৰ আওপকীয়া ভাবে তৃপ্তি লাভ কৰিবলৈ চোৱা হয়। জীঘাংসু ভাব বা আনক আক্ৰমণ কৰাৰ প্ৰবৃত্তি মানুহ মাত্ৰৰেই আছে। মানুহে আদিম অৱস্থাত কটাকটি, মৰামৰি,

খুণ-জখম কৰি পোনপটীয়া ভাবে এই প্ৰবৃত্তিৰ চৰিতাৰ্থ কৰিছিল। এতিয়াৰ সভ্য সমাজে সেইদৰে নোৱাৰে। যি কোনো ধৰণৰ এখন খেলত এপক্ষই বিপক্ষক হৰুৱাই জীঘাংসু প্ৰবৃত্তি আওপকীয়া ভাবে পৰিতৃপ্ত কৰে। সেই ৰকমে অন্যান্য প্ৰতিযোগিতাতো প্ৰতিযোগীয়ে আন এজন প্ৰতি-যোগীক পৰাস্ত কৰি জীঘাংসু বৃত্তি চৰিতাৰ্থ কৰে।

ধেমালি সম্পৰ্কীয় উপৰোক্ত তথ্যবিলাক দেখাত পৰস্পৰ বিৰোধী হলেও মূলতঃ ইটো আনটোৰ পৰিপূৰক। যেনে :— প্ৰথম আৰু শেষৰ দলৰ মতৰ ভিতৰত যথেষ্ট মিল আছে। মুঠতে খেল-ধেমালিৰ মাজেদি প্ৰকৃতিয়ে যি শিক্ষা দিয়ে তাকে যিমান দূৰ পৰা যায়, বেছি উপকাৰী কৰি কাৰ্য্যত খটুৱাব পৰাটোৱেই হৈছে শিক্ষক আৰু পৰিচালক সকলৰ ঘাই কৰ্ত্তব্য। লৰা-ছোৱালীক খেল-ধেমালি কৰিবলৈ বন্ধ কৰিলে বা যিমান প্ৰয়োজন তাতকৈ কমাই কৰিবলৈ বাধ্য কৰিলে সিবিলাকৰ প্ৰবৃত্তি সংশোধন আৰু উৎকৰ্ষণত যথেষ্ট বাধা পৰিব, আৰু শাৰীৰিক আৰু মানসিক ক্ষেত্ৰত অনেক দুৰ্ব্বলতা ৰৈ যাব।

যিবোৰ ঠাইত মইনা মেল ( পাৰিজাত ) বা অন্য কোনো শিশু শিক্ষানুষ্ঠান গঠন হোৱা নাই সেইবিলাক ঠাইত শিশু-বালক সকলৰ খেল-ধেমালি সুচিন্তিত ভাবে নিয়ন্ত্ৰিত আৰু পৰিচালিত হোৱা নাই। আমাৰ গাওঁ বিলাকত আৰু নগৰতো অনেক ঠাইত লৰা-ছোৱালীবিলাকৰ পুৱা-গধূলি নিতৌ খেলি থকা

খেল সুপৰিচালিত নোহোৱাৰ কাৰণে লৰা-ছোৱালীয়ে যে খেল-ধেমালি কৰে, এই কথা আমি অনেক সময়ত পাহৰি যাওঁ—তেওঁলোকৰ শাৰীৰিক আৰু মানসিক বাঢ়নত খেল-ধেমালিয়ে কেনে ধৰণে সহায় কৰে সেই কথাটোৰ ভু নাপাওঁ।

এই প্ৰসঙ্গত এটা কথা উল্লেখ কৰিব পাৰি। নাবালক অপৰাধীবিলাকৰ বিচাৰৰ কাৰণে বেলেগে গঠিত কলিকতাৰ "যুভেনাইল কৰ্টে" সিদিনা এখন বিচাৰৰ ৰায় দিওঁতে কৈছে যে, দাৰিদ্ৰ্য আৰু পাৰিবাৰিক অশান্তিতকৈ অনেক ক্ষেত্ৰত লৰা ছোৱালীৰ ধেমালি-ধুমুলাৰ ঠাই আৰু অন্যান্য সুবিধা নথকাৰ কাৰণেহে আলিবাটলৈ—বাহিৰলৈ ওলাই গৈ লৰা-ছোৱালী বিলাক অধিক অপৰাধপ্ৰৱণ হোৱা দেখা গৈছে।

ধেমালিৰ চলেৰে শিক্ষাদান কৰা কথাটো শিক্ষাৰ ক্ষেত্ৰলৈ কিয় অনা হৈছে? লৰা-ছোৱালীয়ে যেতিয়া নিৰ্দ্দিষ্ট নিয়মৰ মাজত নিৰ্দ্দিষ্ট বিষয়ে আৰু নিৰ্দ্দিষ্ট উপায়েৰে কোনো কথা শিকিব লগা হয়, তেতিয়া তেওঁলোকে স্বতঃস্ফূৰ্ত্ত ভাবে মনোনিবেশ কৰিব নোৱাৰি, তাত জোৰ দি মন বহুৱাব লগা হয়। তেনে অৱস্থাত শিক্ষাৰ উদ্দেশ্য অনুসাৰে তেওঁলোকৰ বৃত্তি বিলাক আপোনা-আপুনি পৰিচালিত আৰু অনুপ্ৰেৰিত নহয়, লৰা-ছোৱালী বিলাকে আত্মবিস্তাৰৰ (Self-assertion) তৃপ্তি নাপায়, নিজা উদ্যম—নিজ কৰ্ত্তৃত্বৰ গৌৰব বা আনন্দ বোধ নকৰে। এনে বিপৰীত অৱস্থাত শিক্ষা লৰা-ছোৱালীৰ

আয়ত্তাধীন আৰু স্থায়ী নহয়। সেই কাৰণে ধেমালিৰ অন্তৰ্নিহিত যি অহৈতুকী স্বতঃস্ফূৰ্ত্ত আনন্দ আৰু যি আত্ম-বিস্তাৰৰ পৰিতৃপ্তি আছে বৰ্ত্তমান শিক্ষাত সেই গুণটোকে সন্নিবিষ্ট কৰিবলৈ চেষ্টা কৰা হৈছে। আজিকালি এই তথ্যানুযায়ী বুনিয়াদী স্কুলবিলাকত মন্ত্ৰী সভা, আন স্কুল বিলাকত Union Society বা একতা সমাজ পাতি শিক্ষাত ধেমালিৰ উদ্যম আৰু আনন্দ সুমুৱাবৰ চেষ্টা কৰা হৈছে। স্কুলত শিক্ষাদানৰ আহিলা-পাতি, সা-সুবিধা, স্কুলৰ চৌহিদ, স্কুলৰ গ্ৰন্থাগাৰ আদিৰ পিনে চকু দিয়া আৰু খেল-ধেমালি, নৃত্য-গীত আদি সুকুমাৰ কলা-চৰ্চ্চা, তিথি-উৎসৱৰ অনুষ্ঠান কৰা আদি বিষয়ত লৰা বিলাকক কৰ্ত্তৃত্বদান কৰি সিবিলাকৰ উদ্যম বঢ়াবৰ চেষ্টা কৰা হৈছে। মইনা মেল (পাৰিজাত) বিলাকতো খেলাৰ উদ্যম আৰু আনন্দৰ আলম লৈ আচাৰ-ব্যৱহাৰৰ পৰা আৰম্ভ কৰি স্কুলীয়া শিক্ষাৰ অনুপূৰক ভাবে অন্য শিক্ষা দিয়াৰ চেষ্টা হৈছে।

খেল-ধেমালিৰ মাজৰ আনন্দটো আমি শিক্ষা দানৰ সুবিধাৰ কাৰণে কেনেকৈ ব্যৱহাৰ কৰিব পাৰোঁ, তাৰ কাৰণে বেছিকৈ মন দিওঁতে খেল-ধেমালিৰ নিজস্ব উপকাৰিতা পাহৰি গলে ডাঙৰ ভুল কৰা হব। খেল-ধেমালিয়ে শাৰীৰিক বাঢ়নৰ উপৰি মানসিক স্বাস্থ্যৰ উন্নতিত কেনেকৈ সহায় কৰে, ওপৰত উল্লেখ কৰা হৈছে। খেল-ধেমালিৰ মাজেদি অনুভূতিৰ বিকাশ আৰু চিন্তা-শক্তিৰ উৎকৰ্ষণ উভয়ৰে সুবিধা হয়। মুঠতে স্কুলত পাঠদান কৰোঁতে আৰু মইনা মেলত শিক্ষণীয় বিষয় শিকাওঁতে লৰা-ছোৱালীক আবিষ্কাৰৰ আনন্দ—আয়ত্তিৰ আনন্দ—আত্ম-বিস্তাৰৰ আনন্দৰ মাজেদি শিকাবলৈ চাব লাগে।

—০:০:০—

## লৰাই কামলৈ মন নকৰি খেললৈ যায় কিয় ?

**প্ৰঃ**—এজন অভিভাৱকে আমাক অভিযোগ কৰি কৈছে যে, সৰু লৰা-ছোৱালী বিলাকক খেলিবলৈ শিকোৱাতকৈ ঘৰুৱা দৰকাৰী একো একোটা কাম কৰিবলৈ শিকোৱাটোৱেই বেছি ভাল। ধৰি লওক, আবেলি ফুটবল খেলিবলৈ দিয়াতকৈ ঘৰত এটা টেঙা বা কলপুলি ৰুবলৈ শিকোৱাটোৱেই শ্ৰেয়ঃ।

**উঃ**—এই অভিযোগটো খণ্ডন কৰিবলৈ যাওঁতে খেলা আৰু কামৰ মাজৰ ব্যৱধানটো ভালকৈ বুজি লব লাগিব। (খেল-ধেমালিৰ তথ্য সম্পৰ্কে আগৰ প্ৰবন্ধত কৈ অহা হৈছে)। খেলাত আছে লৰা-ছোৱালীৰ স্বতঃস্ফূৰ্ত্ত আনন্দ, ইয়াত নাই কোনো দায়িত্ব, নাই কোনো উদ্দেশ্য, নাই কোনো শাসন। এই কথাটোকে ঘূৰাই কলে, খেলা হল উদ্দেশ্যহীন আৰু কাম হল উদ্দেশ্যযুক্ত। দায়িত্ব আৰু শাসনৰ চাপ নথকাৰ কাৰণে লৰাই খেল-ধেমালিত পায় মুকলি আনন্দ। দেখা যায়, লৰাই ফুটবল খেলিবলৈ ভাল পায়। স্কুলৰ পৰা আহিয়েই ততাভুকুতাকৈ কিবা এটা খাই খেলাৰ পথাৰলৈ লৰ দিয়ে। এটা উদাহৰণ মনত পৰিছে। এজন অভিভাৱকে এজন বাৰ বছৰীয়া লৰাক গধূলিৰ আগতে সদায় জুহালৰ কাৰণে খৰি গোটাবলৈ ভাৰ

দিছিল। সি তাকে কৰিলে আবেলি খেলিবলৈ সময় নাপায়। সেই কাৰণে সি দেওবাৰে তাৰ দুই এজন সহানুভূতিশীল বন্ধুৰে সৈতে সাতদিনৰ কাৰণে সাত আটি খৰি লুৰি লুকুৱাই থয়, আৰু স্কুলৰ পৰা আহিয়েই এক আটি উলিয়াই দি বল খেলিবলৈ লৰ মাৰে। কিন্তু যেতিয়া সক লৰাৰ টুৰ্ণামেণ্ট খেলিবৰ কাৰণে স্কুলত দৈনিক নিয়মীয়াকৈ খেল খেলিবলৈ প্ৰধান শিক্ষকে নিৰ্দ্দেশ দিলে তেতিয়া সি দুদিনমান গৈ পাচত ঘৰৰ কামৰ কাৰণে আহিব নোৱাৰে বুলি হেড্‌মাষ্টৰক আপত্তি জনালে। এতিয়া চাওক, গাওঁৰ পথাৰত খেলিবলৈ যাওঁতে তাৰ ওপৰত কোনো নিৰ্দ্দেশ বা শাসনৰ চাপ নাছিল। সেই কাৰণে সি বুদ্ধি কৰিও খেলিবলৈ গৈছিল। কিন্তু সেই একে খেলকে খেলিবলৈ যেতিয়া স্কুলৰ পৰা নিৰ্দ্দেশ আহিল—খেল যেতিয়া উদ্দেশ্যযুক্ত হল—তাৰ স্বতঃস্ফূৰ্ত্ত আনন্দ হৰিল আৰু সি নোযোৱা হল। যত উদ্দেশ্য, নিৰ্দ্দেশ বা শাসন থাকে সি আৰু খেল হৈ নাথাকে। খেলেই তেতিয়া কাম হৈ পৰে। দেহ আটিল আৰু স্বাস্থ্যবান হোৱাৰ উদ্দেশ্য লৈ লৰা-ছোৱালীয়ে ধেমালি নকৰে। হয়তো খেলৰ ই এটা গৌণ উদ্দেশ্য হৈ থাকে; লৰা ছোৱালীয়ে কিন্তু তালৈ মন নকৰে।

কোনো অভিভাবকে যদি তেওঁৰ লৰাই খেল-ধেমালি নকৰে বুলি ভাবে তেনেহলে সেইটো তেওঁৰ ভ্ৰান্ত ধাৰণা। তেওঁৰ লৰাই আনন্দৰ কাৰণে ধেমালি বুলি কিবাকিবি

এটা কৰি আছেই; তেওঁহে চকু দিয়া নাই। অভিভাৱকৰ ভয়ত লৰাই কোনো এটা বা দুটা লগৰীয়াৰে সৈতে লুকাভুমুকা কৈ লুকাই থকাৰ পৰা তাৰ শৰীৰ আৰু মনৰ বিকাশত যথেষ্ট বাধা পায়, আৰু সি কিছুমান বেয়া ধেমালি শিকে। খেলাৰ আগ্ৰহ যেতিয়া মানুহৰ আদিম প্ৰবৃত্তি তেনেস্থলত লৰাক মুকলি ভাৱে লগৰীয়াৰে সৈতে ধেমালি কৰিবলৈ দিয়াহে উচিত।

অৱশ্যে আমি এইটো নকওঁ যে, লৰাক ঘৰত কাম কৰিবলৈ শিকাব নেলাগে। লৰাক পুৱা-গধূলি খেল-ধেমালি কৰিবলৈ দিয়াৰ উপৰিও যিবোৰ ঘৰুৱা কাম কৰিলে ঘৰখনৰ উপকাৰ হয় আৰু লৰাই নিজেও কিছুকথা শিকিব পাৰে তেনে কাম কৰিবলৈ দিয়াটো বাঞ্ছনীয়। ধৰি লওক, শাক নিৰোৱা, আলি-পদূলি চাফা কৰা আৰু সেই দৰে ছোৱালীৰো ঘৰ অটোৱা, শাক-পাত কুটা, কাঁহী-বাতি ধোৱা, শিলাই কৰা ইত্যাদি অনেক কাম আছে যিবোৰ নিশ্চয় কৰিব লাগিব। কিন্তু এই খিনিতে কব লাগিব, লৰা ছোৱালীক শাস্তিৰ ভয় দেখুৱাই, ডাবি দি কাম কৰোৱা উচিত নহয়। তাৰ ভাল ফল পোৱা নাযায়। লৰা-ছোৱালীয়েও কামবোৰ মনপুতি নিশিকে। কামত যদি খেলাৰ আনন্দ সুমুৱাই দিব পৰা যায় তেতিয়া হলে ভাল ফল পোৱা যায়।

এখন মইনা মেলৰ পৰিচালক এজনৰ এটা বুদ্ধিৰ কথা মনত পৰিছে। খবালি সকলো মানুহেই কম-বেছি বাম খেতি কৰে। পৰিচালক জনে মাঘ বিহুৰ ভোজৰ

কথা উলিয়াই মইনাইতৰ ঘৰত যি যেনেকৈ পাৰে শাক-পাত লগাবলৈ কৈ, প্রতিজন মইনাকে একোবিধ শাক বিশেষকৈ কৰিবলৈ ক'লে। তেওঁলোকে উদ্যমেৰে শাক খেতিত লাগিল। মাঘৰ বিহু উৰুকাৰ দিনা মইনাইতে নিজে ৰোৱা শাক-পাচলিৰ প্রদর্শনী পতা হল। প্রদর্শনীৰ পাচত প্রদর্শিত শাক-পাচলিৰে ৰাতি মইনাইতে ভোজ খালে, আৰু প্রদর্শনীত যি জন মইনাৰ ফচল উৎকৃষ্ট বুলি ঘোষণা কৰা হল তেওঁক ভোজ সভাত সকলোৰে আগত আগ পাত—আগ ভাগ দিয়া হল।

এজন বন্ধুৰ দীঘল পদূলি আৰু বহল চোতাল খনত বনগুটি বনে প্রায় ছাটি আছিল। তেওঁৰ গৰু পোৱালী টোৱে তাত চৰোঁতে চৰোঁতে চকুত বন গুটিয়ে কোবাই চকুৱা বেমাৰ কৰিছিল। এদিন তেওঁ তেওঁৰ দহ বছৰীয়া লৰাটোক আৰু আঠ বছৰীয়া ভতিজাক দুটাক, চাণক্যৰ ভৰিত কুশ বনে ফুটাই তেজ উলিওৱাৰ কাৰণে কুশৰ মূলত ঘোল ঢলাৰ কাহিনীটো কৈ, সিহঁতক গৰু পোৱালীটোৰ চকুত কোবাই বেমাৰ কৰাৰ কাৰণে বনগুটি বন বিলাক গুচাবলৈ কলে। তাৰ পাচত লৰা তিনিওটাই একোটা চাণক্য হৈ দুদিনতে বন গুটিৰ বংশ নির্ব্বংশ কৰিলে।

ঘৰৰ আৰু মেলৰ এই দুয়োটা উদাহৰণৰ পৰা কামত বুদ্ধিৰে সৈতে কেনেকৈ খেলাৰ আনন্দ সঞ্চাৰ কৰিব পাৰি, ভালকৈ বুজিব পাৰি।

—:*:—

# অনুভূতিৰো উৎকৰ্ষণলৈ নাপাহৰিব

**প্ৰঃ**—আপুনি আগবৰখন চিঠিত লিখিছে 'মইনা মেল (পাৰিজাত) বিলাকত নৃত্য-গীত-অভিনয়ত বিশেষ চকু দিব লাগে। কিন্তু নৃত্য-গীত শিকাবলৈ মানুহ নোহোৱাত নৃত্য-গীত তো বাদেই, আমি অভিনয়ো কৰিব পৰা নাই; আৰু আমি মইনা মেল (পাৰিজাত)ত সেইবিলাকৰ বৰ আবশ্যকো দেখা নাই।

**উঃ**—আপোনালোকে শিকাওঁতাৰ অভাৱত নাচ-গান-অভিনয়ৰ ব্যৱস্থা বৰ্ত্তমান কৰিব নোৱাৰে বুলি লিখাহেঁতেন আমাৰ হয়তো বিশেষ কবলৈ নাথাকিলহেঁতেন। কিন্তু আৱশ্যক নাই বুলি কোৱাতহে দুআষাৰ কথা লৰালৰিকৈ লিখিব লগা হল। স্কুলৰ বৰ্ত্তমান পাঠ্য তালিকালৈ মন কৰিলে আমি দেখোঁ—চিন্তাকৰণ, অনুভৱন আৰু ইচ্ছা-কৰণ—মনৰ তিনিটা শক্তিৰ ভিতৰত পাচৰ দুটাতকৈ আগৰ টোত আমি বেছি গুৰুত্ব দিছোঁ। 'বোধ কৰোঁ, শিক্ষাত কেৱল চিন্তাকৰণ শক্তি অৰ্থাৎ মগজুৰ উৎকৰ্ষণ হোৱাত যিমান গুৰুত্ব দিয়া হৈছে তাৰ তুলনাত অনুভৱ-শক্তিৰ অৰ্থাৎ হৃদয়ৰ উৎকৰ্ষ সাধনত অতি কম গুৰুত্ব দিয়া হৈছে। মগজুৰ উৎকৰ্ষ সাধনত মানুহে অপৰিমিত শক্তি আহৰণ কৰিছে। সেই শক্তি নিয়ন্ত্ৰিত কৰি মানুহৰ কল্যাণ সাধনত নিয়োগ কৰিবলৈ যি শিৱ শক্তিৰ আৱশ্যক, হৃদয়-ধৰ্ম্মৰ তদনুৰূপ উৎকৰ্ষণ

নোহোৱাত সেই শক্তিৰ অভাৱ হৈছে। আপোনালোকে চাওক, স্কুলৰ পাঠ্যত হৃদয়-ধৰ্ম্মৰ উৎকৰ্ষ সাধনৰ উপায় স্বৰূপে সাহিত্য বিষয়ৰ বাহিৰে অন্য বিষয় নাই। অৱশ্যে অনুভূতি বা হৃদয়ৰ উৎকৰ্ষণৰ ধৰা-বন্ধা উপায় বা বিষয় দিব পৰাও সম্ভৱপৰ নহয়। কিন্তু তাৰ পৰোক্ষ ব্যৱস্থাও নাই। নৃত্য-গীত-অভিনয় আদিৰ মাজেদি মানুহৰ অনুভূতি—সুকুমাৰ বৃত্তি বিলাকৰ উৎকৰ্ষ সাধন কৰিব পাৰি—মহত্তীকৃত (Sublimated) কৰিব পাৰি।

উত্তৰটোৰ লগত উপৰোক্ত কথা খিনিৰ দূৰ সম্বন্ধহে আছে। এতিয়া ইয়াৰ লগত ওচৰ সম্বন্ধ থকা বিষয়টোলৈ আহোঁ। অৱশ্যে মূলতঃ দুয়োটাৰে উদ্দেশ্য একেই। সৰু লৰা-ছোৱালীবিলাক স্বভাৱতে অবাস্তব কল্পনাপ্ৰৱণ; অধিক সহজ কথাত কবলৈ হলে, সৰু সৰু লৰা-ছোৱালীবিলাকে ৰজা-ৰাণী, বীৰ-বীৰাঙ্গনা, স্বৰগৰ দেৱ-দেৱী আদিৰ ভাও দি নিজে নিজেই তেনে এজন বুলি মনক বুজাবলৈ ভাল পায়। এই কথাটোক ইংৰাজীত Make belief বুলি কয়। গাৱঁৰ লৰাই ৰাতি ভাওনা চাই পাচদিনা পুৱা পদূলি মুখত ভীম হৈ গদা ঘূৰোৱা অতি সাধাৰণ কথা। ভাগি যোৱা কল এডালৰ ওপৰত উঠি লৰাই ঐৰাৱতত উঠি যোৱা ইন্দ্ৰৰ ভাও দিয়াটো গাৱঁৰ আলি-পদূলিত এটা সাধাৰণ দৃশ্য।

এই অবাস্তব কল্পনাপ্ৰৱণতা বাল্যাৱস্থাত আটাইতকৈ প্ৰবল। কৈশোৰ অৱস্থাৰ পৰা লাহে লাহে এই ভাব কমি

যায়। এই কল্পনাপ্রবণতাৰ কাৰণে সৰু সৰু লৰা-ছোৱালী বিলাকে কথা শুনিবৰ কাৰণে সাধুকথাৰ ভঁৰাল বুঢ়ীআই-ককাদেউতাক বেঢ়ি ধৰে। আবৃত্তি, নৃত্য, নাট্যাভিনয়-দৃশ্যাভিনয় আদিৰ যোগেদি লৰা-ছোৱালী বিলাকে তেওঁলোকৰ সেই কল্পনাপ্রবণতাৰ তৃপ্তি লাভ কৰে। আমি এই কথাটোৰ সহায় লৈ লৰা-ছোৱালীবিলাকৰ প্রবৃত্তিবিলাক মহতীকৃত কৰিব পাৰোঁ। যিটো সময়ৰ যিটো কাম তেতিয়াই তাক নকৰিলে কোনো ফল নহয়। বাল্য আৰু কৈশোৰ অৱস্থাত এইবিলাক কৰিবলৈ দিলেহে তাৰ পৰা সৰ্ব্বোত্তম ফল পোৱা যাব। নৃত্য-গীত-অভিনয়ে সাধাৰণ ভাবে সুকুমাৰ বৃত্তি বিলাকৰ যে তেজ বঢ়ায় এই কথা আগতে কৈ অহা হৈছে। নৃত্য-গীত-অভিনয় আৰু আবৃত্তিৰ অনুষ্ঠান কৰোঁতে অভিনয়-কৌশল আৰু নিপুণতালৈ চাব নালাগে। সেইবিলাকলৈ চোৱাটো নৃত্য-গীত অভিনয়ৰ বেলেগে যিবিলাক অনুষ্ঠান আছে সেই বিলাকৰ যে কৰ্ত্তব্য। আমি মাত্র চাব লাগিব লৰা লৰা-ছোৱালীৰ আনন্দলৈহে। এই বিলাকৰ কাৰণে যে অভিজ্ঞ শিক্ষক লাগিব, এনে কথা নাই। গাৱঁত যি ভাওনা হয়, যুদ্ধৰ নাচ, কৃষ্ণ নাচ, গোপবালকৰ নাচ হয়, নোহোৱাতকৈ সেই বিলাকেই যথেষ্ট। আইনাম, গোঁসাই নাম, টোকাৰী গীত, স্তৱ-স্তুতি, সাধাৰণ আবৃত্তি এই বিলাকেই প্রাৰম্ভিক কামৰ কাৰণে যথেষ্ট।

—•:•:•—

# আত্ম-বিস্তাৰৰ সুবিধা দিয়ক

*প্ৰঃ*—আমাৰ ইয়ালৈ ট্ৰেন্সফাৰ হৈ অহা এজন বিষয়াৰ লৰাই আমাৰ মেলত বৰ আগ্ৰহেৰে যোগ দিছিল। কিন্তু খুটখুটীয়া স্বভাবৰ এই লৰাটোৰ প্ৰতাপত মেলত শৃংখলা ৰক্ষা কৰা টান হৈ পৰিছে। কাৰণ, তাৰ লগতে আৰু কেইটামান লৰা পকি উঠিছে। আমি এই কাৰণে লৰাটোক বাদ দিব খুজিছোঁ। কিন্তু অভিভাৱকে এই কথাত বেয়া পাইছে। আমাৰ উপায় ?

*উঃ*—আপোনালোকে লৰাটোক মেলৰ পৰা আঁতৰাই দিয়াৰ কোনো প্ৰশ্নই উঠিব নোৱাৰে। আপোনালোকে লৰাটোৰ স্বভাব-চৰিত্ৰ, পঢ়া-শুনাৰ বিষয়ে তেওঁৰ মাক-দেউতাক আৰু শিক্ষকৰ লগত আলোচনা কৰি ভালকৈ জানি লোৱাটো উচিত হব। তেতিয়াহে সেই লৰাটোৰ আচাৰ-ব্যৱহাৰ শোধন কৰিব পাৰিব। বেমাৰ-আজাৰ সাধাৰণতঃ শাৰীৰিক ব্যাধি। অমনোযোগিতা, খিংখিঙীয়া স্বভাৱ, উদ্ভগুালি, গোঁৱাৰামি আদি মানসিক ব্যাধিৰহে বহিঃপ্ৰকাশ। শাৰীৰিক ব্যাধি হলে যেনেকৈ ডাক্তৰৰ পৰামৰ্শ লৈ তেওঁৰ ব্যৱস্থা অনুযায়ী চিকিৎসা কৰোৱা হয়, সেই ধৰণেৰে মানসিক ব্যাধিৰ চিকিৎসা কৰিবৰ কাৰণে মনোবৈজ্ঞানিকৰ দিহা-পৰামৰ্শ লব লাগে। দুৰ্ভাগ্যবশতঃ আমাৰ দেশত শিশুৰ লালন-পালন আৰু শিক্ষাদান সম্পৰ্কে বিশেষ বৈজ্ঞানিক চেষ্টা নোহোৱাৰ বাবে

মনোবৈজ্ঞানিক আৰু Child's guidence clinic আদিৰ সাহায্য আৰু ব্যৱস্থা এতিয়ালৈকে হৈ উঠা নাই। কিন্তু যেতিয়া ডাক্তৰ পাবলৈ নোহোৱা হয় তেতিয়া জানো আমি সাধাৰণ চিকিৎসাৰ দ্বাৰা চিকিৎসা নকৰাওঁ? এতিয়া সেইদৰে শিশুমনো-বিজ্ঞানৰ বিষয়ে যিসকলে অলপ-অচৰপ পঢ়িছে আৰু বুজিবলৈ চেষ্টা কৰিছে আমি সেই সকলৰ সহায়তে সৰু সৰু লৰা-ছোৱালীবিলাকৰ মানসিক বিকাৰৰ কাৰণ বুজিবলৈ আৰু তাৰ যথোচিত ব্যৱস্থা কৰিবলৈ চেষ্টা কৰিব লাগিব।

উল্লিখিত লৰাজনৰ উদ্ভগুলিৰ উদ্ভৱ হৈছে শিশুৰ দুটা সহজাত প্ৰবৃত্তিৰ পৰা। এটা হৈছে আত্ম-বিস্তাৰৰ প্ৰবৃত্তি আৰু আনটো হৈছে যুযুৎসা প্ৰবৃত্তি। শিশুৱে লগৰীয়া বোৰৰ মাজত কৃতিত্ব দেখুৱাই আত্ম-গৌৰৱ বঢ়াবলৈ বিচাৰে। লৰাই দৌৰ মৰা, বল খেলা, পালোৱানী দেখুৱা, জাপ মৰা আদিত আৰু ছোৱালীয়ে ফুল তোলা, গান গোৱা, গোঠা, ৰন্ধা-বঢ়া, সৌন্দৰ্য্য-সাধন আদিত সেই কৃতিত্ব দেখুৱাবলৈ বিচাৰে। ইয়াৰ উপৰিও লৰা-ছোৱালী আটাইবিলাকে পঢ়া-শুনাত কৃতিত্ব দেখুৱাবলৈ হাবিয়াস কৰে। যি লৰা-ছোৱালীয়ে কোনো একোটা বিষয়তে কৃতিত্ব দেখুৱাব নোৱাৰি বা দেখুৱাবলৈ সুবিধা নাপাই আনৰ আদৰ-সাদৰৰ পৰা বঞ্চিত হয় অৰ্থাৎ লগৰ লৰা-ছোৱালীৰ মাজত নিষ্প্ৰভ হৈ যায় তেতিয়া সি যি কোনো উপায়েৰে খ্যাতি ( লাগিলে সি ভালেই হওক বা বেয়াই হওক ) লাভ কৰিবলৈ বিচাৰে।

উল্লিখিত লৰাটোৱে স্কুলত সহপাঠী বিলাকৰ ভিতৰত, শ্ৰেণীৰ ভিতৰত আৰু ওচৰ-চুবুৰীয়া সমনীয়াৰ মাজত কোনো কৃতিত্ব দেখুৱাই আত্ম-বিস্তাৰৰ সুবিধা কৰিব পৰা নাই বা পোৱা নাই আৰু এতিয়া আহি মইনা মেল ( পাৰিজাত )তো তেনে সুবিধা পোৱা নাই। সেই কাৰণে লগৰ লৰা-ছোৱালীবোৰক জোকাই, খুটখুটিয়াই কুখ্যাতি (Notoriety) অৰ্জ্জন কৰি হলেও সি আনৰ চকুত পৰা হবলৈ—তাৰ ব্যক্তিত্ব আনক দেখুৱাবলৈ চেষ্টা কৰিছে। লৰা-ছোৱালীৰ আত্ম-বিস্তাৰৰ প্ৰবৃত্তি সিহঁতৰ ভবিষ্যত জীৱনৰ অনুপ্ৰেৰণা। উচিত মতে লৰাই আত্ম-বিস্তাৰৰ সুবিধা পালে তাৰ ব্যক্তিত্বৰ সুন্দৰ প্ৰকাশ ঘটে। ভাল মতে আত্ম-বিস্তাৰৰ সুবিধা পোৱা হলে যি জন লৰা হয়তো ডাক্তৰ হলহেঁতেন সুবিধা নাপালে সেইজনেই হয়তো হত্যাকাৰী হব। সুবিধা পোৱা হলে যি জন লৰা হয়তো বীৰ হলহেঁতেন, সুবিধা নাপালে সেই জনেই হয়তো দস্যু হব।

আপুনি গভীৰ সহানুভূতিৰে লৰাটোৰ মন বুজিবলৈ চেষ্টা কৰক। আপুনি যে তাৰ প্ৰকৃত শুভাকাঙ্ক্ষী, মৰমেৰে আৰু আপোন ভাবেৰে তাক পতিয়ন নিয়াওক। তাৰ যি বিষয়ত, যি খেলত স্বাভাৱিক অনুৰাগ আছে সেই বিষয় বা খেলৰ এটা পদ মেলত উলিয়াই লৰাটোক তাৰ দায়িত্ব দিয়ক। সি যেতিয়া এই মতে আপোনাৰ আৰু আনৰ চকুত পৰিব—তাৰ আত্মবিস্তাৰৰ অৱকাশ হব, দেখিব তেতিয়া তাৰ উদ্ভগুলি কমি গৈছে। মইনা মেল (পাৰিজাত)ত অকণ অকণকৈ

হলেও দায়িত্ব থকা অনেক পদ উলিয়াওক ; আৰু প্ৰত্যেক লৰা বা ছোৱালীকে একোটা দায়িত্ব দিয়ক - যাতে সি অনুভৱ কৰিব প'ৰে সিহঁতৰ ব্যক্তিত্ব আনে উপলব্ধি কৰিছে— সিহঁত অৱহেলিত হোৱা নাই ।

সেই লৰাটোৰ এই উদ্ভগুলিৰ কাৰণ হয়তো যুযুৎসা (Instinct of Combat)ও হব পাৰে। আত্ম-বিস্তাৰৰ প্ৰবৃত্তিৰে যুযুৎসা হৈছে আন এটা ৰূপ। আনৰ সৈতে যুঁজা, আনৰ সৈতে প্ৰতিদ্বন্দ্বিতা কৰা মানুহৰ আদিম প্ৰবৃত্তি। আত্মবিস্তাৰ কৰিবলৈ যাওঁতেই আনৰ সৈতে যুঁজিব আৰু প্ৰতিদ্বন্দ্বিতা কৰিব লগা হয়। খেল-ধেমালিৰ মাজেদি লৰা-ছোৱালীৰ যুযুৎসা প্ৰবৃত্তিযে তৃপ্তি পায়। মইনা মেল ( পাৰিজাত )ত খেল-ধেমালি আৰু অনান্য প্ৰতিযোগিতাত গুৰুত্ব দিয়াৰ কাৰণ ইয়ো এটা।

পঢ়া-শুনা, খেল-ধেমালি, নৃত্য-গীত-অভিনয় আদি প্ৰতিযোগিতা লৰা-ছোৱালীৰ মাজত যথোচিত ভাবে হোৱাটো বাঞ্ছনীয়। এই বিলাকৰ মাজেদিয়েই লৰা-ছোৱালীয়ে হাৰ-জিতৰ যি অভিজ্ঞতা পায় তাৰে সৈতে ভবিষ্যত কৰ্ম্মময় জীৱনত জয়-পৰাজয়ৰ সন্মুখীন হবলৈ শক্তি পায়। যি লৰা-ছোৱালীক সহপাঠী-সমনীয়াৰ লগ পালে বেয়া হব বুলি আঁতৰাই ৰখা হয়, আৰু জয়-পৰাজয়ৰ উত্তেজনা-বিষাদৰ অভিজ্ঞতাৰ পৰা বঞ্চিত হয় সেই লৰা-ছোৱালীবিলাক প্ৰায়েই বাস্তব জীৱনত পলায়নবাদী হৈ উঠে।

## লৰা-ছোৱালীক টকা-পইছাৰ ব্যৱহাৰ শিকাবহে লাগে

*প্ৰঃ*—আপুনি লৰা-ছোৱালীৰ মাজত টকা-পইছাৰ বেয়া প্ৰভাব পৰে বুলি মইনা মেল (পাৰিজাত) বিলাকৰ পৰিচালক আৰু শুভাকাঙ্ক্ষীসকলক মানুহৰ পৰা টকা-পইছা নুতুলি আৰু নগদে তাৰ সলনি বস্তু লবলৈ (In kinds) কৈছে। আমি ভাবোঁতে, লৰা-ছোৱালীৰ পৰা পা-পইছা লৈ বয়সিয়াল লোকৰ পৰা লোৱাত কোনো আপত্তি থাকিব নোৱাৰে।

*উঃ*—আপুনি প্ৰশ্নটো কৰোঁতে গুৰিতে এটা ডাঙৰ ভুল কৰিছে। মইনা মেল (পাৰিজাত)ৰ কাৰণে পৰা পক্ষত ধন নুতুলি, তাৰ সলনি একোজনৰ পৰা গুটীয়া আৰু সুবিধা হলে দুই-চাৰিজনৰ পৰা যুটীয়া সাহায্য স্বৰূপে আৱশ্যকীয় বস্তুবিলাক গোটাবলৈ আপোনাক অনুৰোধ কৰা হৈছে—লৰা-ছোৱালীৰ মাজত টকা-পইচাই দুষ্ট প্ৰভাব পেলাব বুলি নহয়, ডাঙৰৰ মাজত খোৱা-কামোৰা লগাব আশঙ্কা কৰিহে। আমি সাধাৰণতে দেখিবলৈ পাইছোঁ কোনো এটা ৰাজহুৱা অনুষ্ঠানত দুপইছা গোট খালেই কিছুমান লোকৰ চকুত ঘুমটি নাইকিয়া হয়। কিজানি কৰ্ম্মকৰ্ত্তা দুই-এজনে তাৰ টকাৰ অপব্যৱহাৰ কৰিছে এই আশঙ্কা কৰি তেওঁলোকে সেই অনুষ্ঠানৰ পৰিচালনাত অনাৱশ্যক হস্তক্ষেপ কৰি

অনুষ্ঠানটো অচল কৰি তোলে। কিন্তু পইছাৰ তুলনাত যদি বস্তু দুগুণো গোটে খায় তালৈ এই শ্ৰেণীৰ মানুহে চকু নিদিয়ে। দ্বিতীয়তে, গাওঁতে বা নগৰতে কিছুমান লোকে পইছাতকৈ বস্তু দি সহায় কৰিবলৈ বেছি ভাল পায়। ভাৰতৰ কেবাটাও শিশু শিক্ষামূলক সৰ্ব্বভাৰতীয় অনুষ্ঠানে আৰ্থিক সাহায্যতকৈ বস্তুৰ সাহায্য বেছি পচন্দ কৰে।

টকা-পইছাই লৰা-ছোৱালীক বেয়া কৰে বুলি এটা পুৰণি প্ৰচলিত ধাৰণা আছে। লৰা-ছোৱালীৰ হাতত টকা-পইছা পৰিবলৈ দিয়াটো এতিয়াও বহুতে বেয়া বুলি ভাবে। আৰু সেই কাৰণেই ছাত্ৰাৱস্থাত টকা-শিকাৰ ব্যৱহাৰৰ কোনো শিক্ষাকেই দিয়া নহয়। কিন্তু এতিয়া আধুনিক মনোবিজ্ঞানৰ ফালৰ পৰা টকা-পইছাৰ ব্যৱহাৰৰ শিক্ষা দিয়াটো যুগুত বুলিহে প্ৰতিপন্ন হৈছে। যিটো বস্তুৰ লগত জীৱনৰ ইমান নিগূঢ় সম্বন্ধ—বৰ্ত্তমান জীৱনৰ কাৰণে যি অপৰিহাৰ্য্য বস্তু—সেই টকা-পইছাৰ ব্যৱহাৰ-জ্ঞানৰ পৰা লৰা-ছোৱালীক আঁতৰত ৰখাটো অস্বাভাবিক নহবনে? যি বিলাক বস্তু জীৱনৰ কাৰণে স্বাভাৱিক, যি বিলাকৰ সৈতে মানুহৰ উপজিবৰ পৰা সম্বন্ধ সেই বিলাকৰ মাধ্যমেৰে হে মানুহক শিক্ষা দিয়া হয়। লৰা-ছোৱালীৰ অভিজ্ঞতাৰ বাহিৰৰ—দূৰৰ বস্তুৰ সহায়েৰে শিক্ষা দিয়া নহয়। ইত্যাদি কাৰণে টকা-পইছা লৰা-ছোৱালীৰ অস্পৃশ্য বুলি ভবাটো

ভুল। টকা-পইছাৰ মূল্য আৰু ইয়াৰ ব্যৱহাৰ শিকোৱাৰ ব্যৱস্থা হব লাগে। ইয়াৰ সহায়তে সংখ্যাজ্ঞান, হিচাব, যোগ-বিয়োগ আদি অঙ্কৰ শিক্ষা দিয়া, ভাবি-গুণি মিতব্যয়ী হবলৈ শিকোৱা আৰু অন্যান্য বস্তুৰ মূল্যৰ তাৰতম্য বুজোৱাৰ সুবিধা হয়।

এই সম্পৰ্কত ডিগবৈৰ মইনা মেল (পাৰিজাত)ৰ উদ্যোক্তা কেইজনমানৰ চেষ্টা উল্লেখ কৰিব পাৰি। তেওঁলোকে সৰু সৰু লৰা-ছোৱালীৰ উপযোগী ফলি-পেন্সিল, কিতাপ-পত্ৰ, পুতলা আদি সৰু সৰু লৰা-ছোৱালীৰ কামত অহা বস্তুৰ এখন সমবায় দোকান খুলি দিয়ে। লৰা-ছোৱালীবিলাকৰ পৰাই বিক্ৰীদাৰ থাকে, তেওঁলোকেই জমা-খৰচৰ হিচাব ৰাখে। লৰা-ছোৱালীয়ে তাৰ পৰা বস্তু কিনে, আৰু ডাঙৰৰ সহায়ত তেওঁলোকে মহাজনৰ পৰা দোকানলৈ বস্তু কিনি আনে। গোটেই প্ৰচেষ্টাটোৱেই এটা বেচ সফল-কাম হৈ উঠে। সকলো ঠাইতে এইদৰে কৰা সম্ভৱপৰ নহয়। কিন্তু তাকৰীয়াকৈ হলেও, অন্য প্ৰকাৰে এনে ধৰণৰ শিক্ষা দিব পাৰি। সৰস্বতী পূজা, শঙ্কৰদেৱৰ তিথি আদি লৰা-ছোৱালীৰ শিক্ষানুষ্ঠানত পতা উৎসৱ বিলাকৰ সহায়ত লৰা ছোৱালীক টকা-পইছাৰ শিক্ষা দিব পাৰি: তেওঁ-লোকক চান্দা ধাৰ্য্য কৰিবলৈ, সংগ্ৰহ কৰিবলৈ, ব্যয় কৰিবলৈ দিব লাগে। শিক্ষক-পৰিচালকসকলে আঁতৰৰ পৰা চোকা নজৰ ৰাখি লৰা-ছোৱালীবিলাকক সম্পূৰ্ণ

স্বাধীভাৱে এই কাম কৰিবলৈ দিব পাৰে। মই ১৩।১৪ বছৰীয়া লৰাৰ হাতত এনে ধৰণৰে ৪০০ টকালৈকে চান্দা সংগ্ৰহ কৰি সুন্দৰ ধৰণে কাৰ্য্য পালন কৰাই চাইছোঁ। মই সিবিলাকৰ মিতব্যয়িতা, জমা-খৰচৰ নিৰ্ভুলতা অনেক বয়সিয়াল লোকৰ অনুষ্ঠানতকৈ বেছি ভাল পাইছিলোঁ। মইনা মেল ( পাৰিজাত ) বিলাকত দান আৰু বৰঙনি হিছাবে যি ধন পোৱা যায় তাৰে এটা অংশ লৰা-ছোৱালী বিলাকৰ বিবেচনা মতে তেওঁলোকৰ মেলৰ কামত খৰচ কৰিবলৈ এৰি দিয়া ভাল। ঘৰত অভিভাৱক-অভিভাৱিকাই ঘৰৰ কেইটামান খুচৰীয়া খৰচ সপ্তাহ বা মাহেকৰ হিচাবত সৰু সৰু লৰা-ছোৱালীক ( ৭ বছৰ বা তেতোৰ্দ্ধ ) কৰিবলৈ আৰু তাৰ হিচাব ৰাখিবলৈ দি চাব পাৰে।

—×—

## সিহঁতক কিমান স্বাধীনতা দিব লাগে

**প্রঃ—মই এখন মইনা মেল (পাৰিজাত)ৰ পৰিচালকো আৰু এখন স্কুলৰ শিক্ষকো। মই কিছু ক্ষেত্ৰত আমাৰ স্কুলৰ লৰা-ছোৱালীবিলাকক স্বাধীন ভাবে অৰ্থাৎ মুকলি-মূৰীয়া ভাবে কাম কৰিবলৈ দি চাইছোঁ, কিন্তু আশানুৰূপ ফল পোৱা নাই। ইয়াৰ কাৰণে দায়ী কোন?**

উঃ—আপুনি যিটো ঘটনা উল্লেখ কৰি এই প্ৰশ্নটো কৰিছে সেইটোকে ফহিয়াই চাওঁ। আপুনি যোৱা বাৰ সৰস্বতী পূজাত লৰা-ছোৱালী বিলাকক চান্দা নিৰ্দ্ধাৰণ কৰিবলৈ, সিহঁতকে সংগ্ৰহ কৰি আৰু খৰচ কৰিবলৈ স্বাধীনতা দিছিল। আপুনি কেৱল তদাৰক কৰিছিল। যি জন কেপ্টেইনক আপুনি পইচা তুলিবলৈ দিছিল তেওঁ কিছু বেমেজালি কৰিলে। আপুনি এই কথাটোৰ পৰা লৰাক স্বাধীনতা দিয়াত সন্দিহান হৈ উঠিছে। আপুনি লৰা-ছোৱালী বিলাকক আগৰে পৰা অভিজ্ঞতাৰ দ্বাৰা কিছু দূৰ আগবঢ়াই নোলো-ৱাকৈ ঘপকৈ এটা ডাঙৰ পৰীক্ষা কৰাটো বৰ যুগুত নহল। আপুনি প্ৰথমতে পাঁচ টকা, তাৰ পাছত দহ টকা, তাৰ পাছত হয়তো বিশ টকা এই অনুক্ৰমে খৰচৰ দায়িত্ব দি চাই বা দায়িত্ব লবলৈ শিকাই ৬০ টকাৰ দায়িত্ব লবলৈ দিব লাগিছিল। যি কোনো দিনে ৰূপ এটকাৰ খৰচৰ দায়িত্ব পোৱা নাই সিনো একে কোবেই ৬০ বা ততোধিক

টকাৰ খৰচৰ দায়িত্ব লয় কেনেকৈ ? আমি এটা কথা সদায় লক্ষ্য কৰিব লাগিব। নিচেই সৰুৰে পৰা যিবিলাক লৰা-ছোৱালীৰ শাৰীৰিক বৃদ্ধিৰ লগে লগে স্বাভাৱিক ভাৱে তেওঁলোকৰ বুদ্ধি-বৃত্তিৰ বিকাশত সহায় কৰি অহা হৈছে, সেইবিলাক লৰা ছোৱালীৰ ক্ষেত্ৰতহে এই কথাবিলাক খাটিব। কিন্তু যি বিলাক লৰা-ছোৱালীৰ ক্ষেত্ৰত এই বিলাক প্ৰয়োগ কৰিবলৈ লোৱা হৈছে সেই লৰা-ছোৱালী বিলাকৰ নিচেই সৰু অৱস্থাৰ পৰা পৰিকল্পিত ভাবে বুদ্ধি-বৃত্তিৰ বিকাশ ঘটা নাই ;—ঘৰত, স্কুলীয়া লৰাৰ মাজত, ওচৰ চুবুৰীয়াৰ মাজত তেওঁলোকৰ মন-বুদ্ধি-বৃত্তি বদ্ধ ধাৰণাৰ পৰা মুক্ত থাকি সুস্থ ভাবে বিকাশ হবলৈ নাপাই, আমাৰ বয়সিয়ালসকলৰ সংস্কাৰ আৰু ধাৰণা মতে তেওঁলোকে গঢ়ি উঠিছে। মণ্টেচৰী আদি পদ্ধতিত চলা শিশু শিক্ষাৰ উন্নত শিক্ষানুষ্ঠানবিলাকত লৰা-ছোৱালীবিলাকৰ যিমান দূৰ পাৰি অনুকূল অৱস্থাত মন-বুদ্ধিৰবিকাশ সাধন কৰা হয়। বয়-সিয়াল সকলৰ সংস্কাৰ, ধাৰণা জাপি দিয়া শিক্ষাই সিবিলাকৰ প্ৰবৃত্তিবিলাক অনেক সময়ত বিকৃত ভাবেহে বিকাশ কৰে।

আপুনি লৰা-ছোৱালীক স্বাধীনতা দিয়া মানে কি বুজিছে ? লৰা-ছোৱালীৰ বিলাকৰ বুদ্ধি বৃত্তিৰ বিকাশত বাধাবোৰ গুচাই দিয়াৰ অৰ্থই স্বাধীনতা দিয়া বা সুস্থ পৰিবেশ সৃষ্টি কৰাই নহয় জানো ? যেতিয়া লৰা-ছোৱালীবিলাকক তেওঁলোকৰ মনৰ লগত খাপ নোখোৱা অৱস্থাত থোৱা হয়, মন নোখোৱা কথা

শিকোৱা হয়, মন নোখোৱা কামত খটুৱা হয় তেতিয়াই তেওঁলোকৰ স্বাধীনতা অপহৰণ কৰা হয়। আৰু তেতিয়া তেওঁলোকৰ বুদ্ধি-বৃত্তিৰ স্বাভাৱিক বিকাশত বাধা পৰে। আপুনি লগত সৰু লৰাটো লৈ সিখন গাৱঁত এখন বিয়া খাবলৈ গৈছে। আপুনি আপোনাৰ গন্তব্য স্থানলৈ যাওঁতে হয়তো আপোনাৰ চিনাকি বয়সিয়াল লোকৰে সৈতে কথা পাতি বৈ গৈছে। আপোনাৰ লৰাটোৰ যাওঁতে ভাগৰ লাগিছে। আপুনি হয়তো তাক ভুলাই ভুলাই টানি লৈ গৈছে। আপুনি নাভাবিব, আপোনাৰ লৰাটোৰ ভাগৰ লাগিছে। সি সেইখিনি বাট যাব পাৰে, কিন্তু সি যি গতিৰে খোজ কাঢ়ি যাবলৈ ভাল পায়, বাটে-পথে ইটো সিটো চাই থেও থমকি বৈ যেনেকৈ যাবলৈ ইচ্ছা কৰে, যি বোৰ কথা পাতিবলৈ আগ্ৰহ কৰে সি সেইখিনি অলপো পোৱা নাই। আপুনি তাৰ ধৰণেৰে যাবলৈ শিকা হেঁতেন আপোনাক যাবলৈ সময় লাগিলহেঁতেন; কিন্তু সি ভাগৰ লাগিছে বুলি নকলেহেঁতেন—সি গৈ থাকিলহেঁতেন। আপুনি আপোনাৰ ল'ৰা দুটিক বাহিৰলৈ যাবলৈ নিদিয়ে। আপোনাৰ ফুলনিৰ আগৰ মুকলি ঠাইকণত ক্ৰিকেট খেলি-বলৈ দিছে। কিন্তু সিহঁত দুটাই জোৰেৰে বল মাৰিলে ঘৰৰ বেৰত পৰি খিৰিকী বা বেৰ ভগাৰ আশঙ্কাত স্বচ্ছন্দে বল মাৰিব নোৱাৰে। ফুলনিলৈ মাৰিলে ঘনে পতি জপনা খুলি আনিব লাগিব। তাৰ উপৰি সিহঁতক মাজে সময়ে

ৰাঃ বাঃ দিবলৈও দর্শক নাই। সেই বাবে সিহঁতৰ খেলাত স্বচ্ছন্দতা নাই। আপুনি সকলো ব্যৱস্থা কৰি দিয়াতো সিহঁতৰ খেলাত অকণো আনন্দ বা ধাউতি নাই। আৰু সেই কাৰণে আগ্ৰহো কমি গৈছে।

আমি আৰু এক প্ৰকাৰে লৰা-ছোৱালীৰ স্বাধীনতা হৰণ কৰোঁ। ধৰি লওক. আপোনাৰ সৰু লৰাটোৱে চকী খন হেপোৰ-তেপোৰকৈ এঠাইৰ পৰা আন এঠাইলৈ নি থবলৈ বিচাৰিছে। আপুনি কিন্তু লৰাটোক চকীখন নিবলৈ নিদি নিৰ্দ্দিষ্ট ঠাইত থৈ দিছেগৈ। লৰাটোৱে গৰুজনী টানি আজুৰি এৰালৰ খুটি এঠাইৰ পৰা আন এঠাইলৈ নিছে। সি নোৱাৰে বুলি আপুনি তাৰ হাতৰ পৰা গৰুজনী লৈ এৰাল দিছেগৈ। সিহঁতক—লৰা-ছোৱালী বিলাকক এনে ধৰণেৰে সহায় কৰা ভুল। সিহঁতক সিহঁতৰ মতে কাম কৰিবলৈ দিব লাগে। আপুনি মাথোন চাই থাকিব লাগে। দেখিব সিহঁতে যেতিয়া পৰা নাই তেতিয়াহে আপুনি সিহঁতক সহায় কৰি দিব লাগে। বেয়া কাম নহলে, কেতিয়াও সিহঁতৰ হাতৰ পৰা কাঢ়ি আনিব নালাগে।

লৰাই যিমানেই সমস্যাৰ সন্মুখীন হয় তাৰ সমাধানৰ কাৰণে সিমানেই চিন্তা কৰে। ধৰি লওক, আপোনাৰ সৰু ছোৱালীজনীয়ে বাহিৰৰ পৰা লৰি আহি ভিতৰ সোমাব খুজিছে। কিন্তু হঠাৎ দেখে যে, দুৱাৰখন ওপৰৰ তাঁৰ এডালত লাগি বন্ধ হৈ আছে। তাই বৈ গল। আপোনাৰ

তাইলৈ পুতৌ উপজি আপুনি দুৱাৰখন তৎক্ষণাৎ খুলি দিলে। কিন্তু সেইটো ভুল। দুৱাৰখন যেতিয়া তাই বন্ধ পাব, দুৱাৰখন কিয় কেনেকৈ বন্ধ হৈ আছে তাই তাৰ কাৰণ বিচাৰিব। আৰু তাই হয়তো আপোনাক অবাক কৰি দুৱাৰখন খুলিবলৈ এটা বুদ্ধি উলিয়াই পেলাব। তেতিয়া তাইৰ আনন্দ চাই কোনে?

সমস্যা বা বিপদ যিমানেই ডাঙৰ হয় তাৰ সমাধান বা তাক অতিক্ৰমণৰ আনন্দও সিমানে বেছি। আমি যিটো লৰা-ছোৱালীৰ কাৰণে সহায় বুলি ভাবোঁ সি প্ৰকৃতত্তে সহায় নহয়, প্ৰকাণ্ড বাধাহে।

আকৌ এটা কথা চাওঁ। আপোনাৰ ঘৰলৈ এজন মাননীয় অতিথি আহিছে। আপোনাৰ লৰাটো বা ছোৱালী জনীয়ে কিবা এটা আনন্দত আটাহ পাৰিছে। কিন্তু ভদ্ৰলোক ঘৰত থাকোঁতে সেইদৰে আটাহ পৰাটো আপুনি বেয়া বুলি সিহঁতক ধমক দিছে। মাননীয় লোক আহিলে ধীৰে-শাঁতিৰে থকাৰ বয়সিয়াল লোকৰ যি সামাজিক ৰুচিবোধ সেইটোৰ কাৰণে আমি নিৰ্ব্বোধ ভাবে সিহঁতৰ আনন্দ প্ৰকাশত বাধা দিছোঁ। ধৰি লওক, গৰমত আপোনাৰ ছোৱালীজনীয়ে মোজা পিন্ধিব নোখোজে; কিন্তু আপুনি সমাজলৈ জোতা-মোজা নিপিন্ধাকৈ লৰা-ছোৱালী নিলে আপোনাৰ সামাজিক সম্ভ্ৰমত আঘাত লাগে। সেইকাৰণে আপুনি তাইক মোজা পিন্ধাই নিছে। লৰা-ছোৱালীৰ স্বাধীনতাৰ মানে

বুজিব, বয়সিয়াল লোকৰ বিকৃত সামাজিক ৰুচিৰ পৰা মুক্তি।

ৰাজনৈতিক ক্ষেত্ৰত স্বাধীনতাক যেনেকৈ উচ্ছৃঙ্খলতাত পৰিণত হবলৈ দিবলৈ নোৱাৰি সেইদৰে লৰা-ছোৱালীৰ ক্ষেত্ৰতো স্বাধীনতাক উচ্ছৃঙ্খলতাত পৰিণত হবলৈ দিব নোৱাৰি। জনসাধাৰণ ৰাজনৈতিক চেতনাৰ অভিজ্ঞতাৰে যিমান দূৰ শিক্ষিত হৈ উঠে, ৰাজনৈতিক স্বাধীনতাও সেইদৰে সদব্যৱহাৰ কৰিবলৈ শিকে। সেইদৰে লৰা-ছোৱালী বিলাকক মুক্ত পৰিবেশত স্বাভাবিক ভাবে যি অনুক্ৰমে শিকি বুজি গঢ়ি উঠিবলৈ উপযোগী কৰা হয় সেই অনুক্ৰমেহে স্বাধীনতা দিব লাগে। এই কথা মই সাধাৰণ শিক্ষানুষ্ঠান আৰু ঘৰৰ প্ৰসঙ্গতেহে কৈছোঁ। ( এই বিষয়ে লৰা ছোৱালীৰ চৰিত্ৰ শোধন আৰু দায়িত্ব জ্ঞান সম্পৰ্কীয় প্ৰশ্নোত্তৰ চাওক )।

———o———

## শাস্তি নিদিয়াকৈও চম্ভালিব পাৰি

**প্ৰঃ**—"চেকনিৰ আগত বিদ্যা" এই কথাষাৰ আদৰ্শৰ ফালৰ পৰা সঁচা নহয় বুলি ভাবিলেও কাৰ্য্যতঃ ভয় প্ৰদৰ্শন নকৰাকৈ লৰা-ছোৱালীক সদায় শাসন কৰা সম্ভৱ জানো ?

**উঃ**—আপুনি এটা সাধাৰণ ঘটনাৰ উল্লেখ কৰি তাৰ ফলত উদ্ভৱ পৰিস্থিতিৰ প্ৰসঙ্গত এই প্ৰশ্নটো কৰিছে, আৰু কৈছে, শিক্ষকে লৰাক ভাল কৰিবলৈ শাস্তি দিওঁতে অভিভাৱকে যদি বেয়া পায় বা হস্তক্ষেপ কৰে তেনেহলে সেই লৰা শিক্ষকে ভাল কৰা সম্ভৱপৰ নহয়। অৰ্থাৎ আপুনি কব, লৰা-ছোৱালীক শাসন কৰিব নোৱাৰি। লৰা-ছোৱালীয়ে যেতিয়া কথা নুশুনে আৰু দুষ্টালি কৰে তেতিয়া আমি ডাবি ধমকি দি আৰু মৰিয়াই সিহঁতক শাসন কৰোঁ। এই ধৰণেৰে লৰা-ছোৱালী শাসন কৰিব পাৰি বুলি আমাৰ দৃঢ় ধাৰণা হৈ গৈছে। সেই কাৰণেহে, চেকনিৰ আগত বিদ্যা (Spare the rod and spoil the child) আদি বাক্য-যোজনাৰ চলন্তি হৈ আহিছে। এই ভ্ৰান্ত ধাৰণাৰ মূলতে আমাৰ লৰা-ছোৱলীৰ চৰিত্ৰ সম্পৰ্কে থকা কেইটামান ভ্ৰান্তি। প্ৰথমতে আমি ভাবোঁ, যুক্তি-বিবেচনা বয়সস্থ লোকৰহে আছে, লৰা-ছোৱালীৰ নাই, সিহঁতৰ দায়িত্ব বোধ বা নৈতিকতা বোধ নাই। (এই সম্পৰ্কত শিশুৰ

ব্যক্তিত্ব শীর্ষক প্রশ্নোত্তৰ চাওক )। ধৰি লওক, আপোনাৰ ঘৰৰ টেবুল ক্লথ, পর্দ্দা আদি বস্তু বিলাক আপোনাৰ লৰাটো বা ছোৱালী জনীয়ে প্রায়ে লেতেৰা কৰে বা আঁতৰাই পেলায়। আপুনি কথাকৈ শুনাব পৰা নাই, আৰু সেই কাৰণেই এদিন পিটিছে। আপুনি কিন্তু দুটা ধৰণেৰে এই স্বভাবটো গুচাব পাৰে। প্রথমতে, আপোনাৰ লৰাটো বা ছোৱালী জনীক আপোনাৰ ঘৰৰ সাজসজ্জা আৰু চাফ-চিকুণতাত—বহল ভাবে ঘৰ খনৰ পৰিচালনাত—সীমাবদ্ধ ভাবে হলেও আপোনাৰ দৰেই সিহঁতৰো দায়িত্ব আছে বুলি কার্য্যতঃ সিহঁতক অনুভব কৰিবলৈ দিয়ক। ভুল নকৰিব, সৰু হলেও সিহঁতৰো দায়িত্ব বোধ কোনো গুণে আপোনাতকৈ কম নহয়। আপোনাৰ দৰেই এক পৰিস্থিতিত ( শিৱসাগৰৰ ) এগৰাকী পৰিচালিকাই ( মাকে ) কি কৰিলে চাওক। তেওঁৰ যি দুটি লৰাই উৎপাত কৰে তেওঁ সেই লৰা দুটিক কাম ভগাই দিলে। মেজৰ কাঁপোৰ, দুৱাৰ-খিৰিকীৰ পর্দ্দা যথাস্থানত পৰিপাটিকৈ থোৱাৰ কাম দিলে এটাক; আৰু ঘৰৰ আচ্বাববিলাক ৰেহা লগাই থোৱাৰ দায়িত্ব দিলে আন এটাক। তাৰ পিছত দেখা গল, সিহঁতৰ ভিতৰত প্রতিযোগিতাৰ ভাব হল আৰু দায়িত্ব পালনত তৃপ্তিবোধ হল। আগৰ বিশৃঙ্খলতাবোৰ নাইকিয়া হল।

আপুনি এই সমস্যাটোকে আৰু এক ধৰণেৰে সমাধা নকৰিব পাৰে। আপুনি সিহঁতক অলপতে এটা চোলা বা এটা পুতলা

নাইবা এটা বল কিনি দিয়াৰ কথা আছিল। আপুনি বুজাই দিব পাৰে যে, ফালি পেলোৱা পৰ্দ্দা, লেতেৰা কৰা মেজৰ কাপোৰ আৰু ভাঙি পেলোৱা ফটোৰ আইনাখন এই মাহত কিনিব আৰু চাফ কৰিব লগা হোৱাৰ কাৰণে পইছা নোজোৰাত, সিহঁতৰ লগা বস্তুটো আনি দিব নোৱাৰিলে, আৰু আপুনিও আনি দিব নোৱাৰি বৰ দুখ পাইছে। যেতিয়া আপোনাৰ লৰাটো বা ছোৱালীজনীয়ে বুজিব যে, সিহঁতে লোকচানি ভৰোৱাৰ কাৰণেহে হেপাহৰ বস্তুটো পোৱাৰ পৰা বঞ্চিত হৈছে, আৰু আপুনিও দিব নোৱাৰি দুখ পাইছে, তেতিয়া সিহঁতে তাৰ পাচৰ পৰা সেই লোকচানি কৰা কামৰ পৰা বিৰত থাকিব। আৰু এটা ফালে চাওক। স্কুলত দুষ্টালিৰ 'কুখ্যাতি' থকা এটা লৰাই শ্ৰেণীত দুষ্টালি কৰিছে। আপুনি সেই লৰাটোৰ যিটো ভাল গুণ আছে, সেই গুণটো তাক দেখুৱাই দিয়ক, আৰু তাৰ সহপাঠী সকলৰ আগত তাৰ প্ৰশংসা কৰক। তাক মৰম আৰু সহানুভূতিৰে ব্যৱহাৰ কৰি তাৰ এটা ভাল নাম আছে বুলি, তাৰ এটা মৰ্য্যদা আছে বুলি বুজাই দিয়ক, আৰু সেই মৰ্য্যদা আৰু সুনাম ৰক্ষা কৰিবলৈ তাক কওক। দেখিব সি দুষ্টালি এৰিছে।

শ্ৰেণীৰ এটা লৰাই আপোনাৰ বিষয়ৰ কিতাপ আৰু আপুনি ঘৰত ক ৰবলৈ দিয়া কাম অনা নাই। আপুনি তাৰ কাৰণে তাক শাস্তি নিদিব। সি কিয় অনা নাই—সি কিতাপখন আনিবলৈ পাহৰিলে নে ততাতৈয়াকৈ আহোতে

এৰি আহিলে, আৰু সেই দৰে ঘৰত কৰিবলৈ দিয়া কাম কৰিব নোৱাৰিলে নে নাই তাৰ কৰিবলৈ মন নগল—আপুনি তাক সম্পূৰ্ণ নিৰ্ভয় দি সোধক, আৰু আন দিনালৈ সি যি কোনো কাৰণে আনিব নোৱাৰিলে, সি আপোনাক শ্ৰেণীত সোমোৱাৰ লগে লগেই জনাবলৈ কওক। সি তেতিয়া নিৰ্ভয়েৰে সঁচা কথা কবলৈ সাহস পায়, আৰু শ্ৰেণীৰ কাম কৰি আনিব নোৱাৰা কাৰণে বাকী লৰাৰ আগত অপ্ৰস্তুত অনুভৱ কৰিবলৈ ধৰে। সি তেতিয়া নিয়ম মতে কাম আনিব। মই এনে ধৰণেৰে অতি ভাল ফল পাইছোঁ।

ধৰি লওক, কিছুমান লৰাই স্কুলৰ বেৰত আঁকি-বাকি ভাঙি বেয়া কৰিছে। আপুনি সিহঁতক বুজাই দিব যে, স্কুলৰ ঘৰ দুৱাৰ বিলাক যিমান ধুনীয়া আৰু যিমান পৰিষ্কাৰ পৰিচ্ছন্ন হৈ ৰাখিব লাগে আৰু আপোনালোকে যিমান ধুনীয়াকৈ সাজিব লাগে, সেই ধৰণে পৰা নাই। কিন্তু যি খিনি কৰিব পাৰিছে, তাকে তেওঁলোকে যিমান পাৰে সিমান ভালকৈ ৰাখিব লাগে। ভালকৈ ৰখা তেওঁলোকৰ দায়িত্ব আৰু তেওঁলোকৰ গৌৰৱ। বেয়া কৰা খিনি মেৰা-মতি কৰি, লিপি-পুচি বছেৰেকত যিখিনি টকা খৰচ কৰিবলৈ বাধ্য হয়, সেই খিনি টকা খৰচ নহলে এটা বল, এখন বোৰ্ড, এখন ধুনীয়া মেজ বা বেঞ্চ আনিব পাৰিলেহেঁতেন। সিহঁতৰ দায়িত্ব বোধ বঢ়াবৰ কাৰণে আপুনি বুনিয়াদী স্কুলৰ দৰে মন্ত্ৰী সভা কৰি দিব পাৰে।

শাৰীৰিক শাস্তি বিধান কৰি মনত আঘাত দি লৰাৰ স্বভাৱ কেতিয়াও শোধন কৰিব নোৱাৰি। এনে ধৰণৰ শাস্তিয়ে লৰা ছোৱালীক হিংসুক, জেদী, মিছলীয়াহে কৰে।

অন্যমনস্কতা অলসতা, দুষ্টালি স্বভাৱ মানুহৰ সহজাত প্ৰবৃত্তি বা বদগুণ নহয়। ভুল ধৰণে লালন-পালন আৰু প্ৰতিকূল পৰিবেশৰ মাজত এইবোৰৰ উৎপত্তি হয়। সুস্থ পৰিবেশ, সুবিবেচনাপূৰ্ণ লালন-পালনত এই বদ গুণবোৰ নাইকিয়া হয়। মৰম, প্ৰশংসা, সহানুভূতিৰে সিহঁতৰ দায়িত্ববোধ-গৌৰৱবোধ জগাইতুলি কোনো প্ৰকাৰ শাস্তি বিধান নকৰাকৈ এইবিলাক শুধৰাব পাৰি। কোনো এটা বেয়া কাম কৰাৰ কাৰণে শ্ৰেণীত—তাতোকৈ যদি মেলৰ পথাৰৰ মাজত—তাক কাণ চেপা এটা দিয়ে তেতিয়া সি অতি লাজ পায়, আৰু সম্ভৱ মাজত থাকিও সি অকলশৰীয়া যেন বোধ কৰে। সি তেতিয়া ভাবে, "মই তোক বলে নোৱাৰোঁ কাৰণেহে তই মোক এনে শাস্তি দিছ। তোক বাৰু দেখিম।" আপুনি যদি সি বেয়া কামটো কি কাৰণে কৰিলে তাৰ আঁতিগুৰি ভালকৈ জানি-শুনি লৈ, সেইটো যে সি অন্যায় কৰিছে, তাৰ লগৰীয়াবিলাকৰ প্ৰতি বেয়া কাম কৰিছে, এই কথা ধুনীয়াকৈ বুজাই দিব পাৰে, তাৰ হয়তো অনুশোচনাও আহিব আৰু আগলৈ তেনে কাম নকৰিবলৈ চাব। আনকি, আপোনাৰ প্ৰতি তাৰ হিংসাৰ ভাবো নহব। নকৈ নোৱাৰোঁ, বুজাই দিওঁতাজনৰ ব্যক্তিত্বৰ ওপৰত বহুত কথা নিৰ্ভৰ কৰে।

# লৰাই ছোৱালীৰ সঙ্গ কেতিয়া বেয়া পায়

*প্ৰঃ*—আমি এটা সমস্যাত পৰিছো। আমাৰ মইনা মেল (পাৰিজাত)ৰ কিছুমান লৰাই 'আমি ছোৱালীৰ লগত ধেমালি কৰিব নোৱাৰোঁ।' বুলি লাহে লাহে আহিবলৈ এৰিছে। ইয়াৰ ফলত মইনা মেল (পাৰিজাত)ত ছোৱালী বেছি হৈছে, লৰা তেনেকৈ কমি গৈছে। এতিয়া কি ব্যৱস্থা কৰা যায় ?

উঃ—এনে ধৰণৰ প্ৰশ্ন অনেক পৰিচালকৰ পৰা পোৱা হৈছে। আৰু কথাটো ভালকৈ জানিলৈ পৰিচালনা কৰিব নোৱাৰাৰ ফলত কোনো ঠাইত মইনা মেল (পাৰিজাত) ভাগি যাব লগীয়াও হৈছে। যৌৱনৰ সূচনা Beginning of adolescence) লৰাৰ ক্ষেত্ৰত প্ৰায় ১৪ বছৰ আৰু ছোৱালীৰ ক্ষেত্ৰত প্ৰায় ১২ বছৰৰ পৰা হলেও লৰা-ছোৱালীৰ বিপৰীত লিঙ্গবোধ ১০ বছৰ মানৰ পৰাই তেওঁ-লোকৰ মাজত দেখা যায়। প্ৰায় ১০ বছৰৰ আগলৈকে লৰা-ছোৱালীবিলাকে মইনা মেল (পাৰিজাত) বা আনতো একে লগে ধেমালি-ধুমুলা কৰা দেখা যায়। কিন্তু তাৰ পিছৰ পৰাই আপুনি উল্লেখ কৰাৰ দৰে লাৰাবিলাকে 'আমি ছোৱালীনেকি যে আমি লৰা হৈয়ো ছোৱালীৰ লগত ধেমালি কৰিব লাগে'। এনে ধৰণৰ ওজৰ আপত্তি কৰা দেখা যায়। এই সময়ৰ পৰাই লৰাই বিশেষকৈ লৰাৰ লগ

আৰু ছোৱালীয়ে বিশেষকৈ ছোৱালীৰ লগ ভাল পোৱা হয়। এই প্ৰবৃত্তি ১২।১৪ বছৰৰ লৰা-ছোৱালীৰ ভিতৰত আটাইতকৈ প্ৰবল।

লৰাই লৰাৰ প্ৰতি আকৃষ্ট হোৱা আৰু ছোৱালীয়ে ছোৱালীৰ প্ৰতি আকৃষ্ট হোৱা এই প্ৰবৃত্তিকে (Homo sexual feeling) বা সমলিঙ্গাত্মক অনুভূতি বোলে। ৯—১১ বছৰৰ ভিতৰত লৰাই লৰাৰ লগত আৰু ছোৱালীয়ে ছোৱালীৰ লগত দল বান্ধি ধেমালি কৰিবলৈ ভাল পালেও, সিহঁতৰ ভিতৰত সমলিঙ্গাত্মক অনুভূতি বেছি প্ৰবল নহয়। নিজ নিজ প্ৰকৃতিৰ দলৰ ভিতৰত ফুচফুচীয়া মেল তেতিয়া হবৰ নৌ। কিন্তু ঠিক সেই সময়ৰ পৰাই নিজ নিজ প্ৰকৃতিৰ ভিতৰত লৰা-ছোৱালীবিলাকে ফুচ ফুচীয়া মেল পাতিবলৈ ভাল পায়। সেই সময়ত লৰাই লৰাৰ লগত আৰু ছোৱালীয়ে ছোৱালীৰ লগত বন্ধুতাৰ প্ৰবল আকৰ্ষণ দেখুৱায়। নিজ নিজ প্ৰকৃতিৰ ভিতৰত এজনে আন এজনৰ প্ৰতি গভীৰ অনুৰাগ বোধ কৰে, আৰু সেই বোধ ৰহুতবে জীৱন জুৰি স্থায়ী হৈ অকৃত্ৰিম বন্ধুত্বৰ আৰ্হি হৈ পৰে।

উপৰোক্ত সমস্যাৰ সমাধান কৰিবলৈ এই কথাখিনি ভালকৈ বুজি লব লাগিব। যি অৱস্থাত লৰাই ছোৱালীৰ লগত আৰু ছোৱালীয়ে লৰাৰ লগত মিলাত স্বভাবে বাধা দিয়ে, সেই অৱস্থাত আমি স্বভাৱ বা প্ৰকৃতিৰ বিৰুদ্ধে যোৱা উচিত নহয়। কিয়নো তেনে কৰিলে লৰা-ছোৱালীৰ

স্বাভাৱিক বাঢ়নত সহায় নকৰি বাধা দিয়াহে হব। আপোনালোকে ৮ বছৰ মানলৈকে লৰা-ছোৱালীবিলাকৰ এটা বেলেগ দল কৰিব পাৰে। তাৰ পাচৰ পৰা, আপোনাৰ মইনা মেল( পাৰিজাত )ৰ লৰা-ছোৱালীৰ সংখ্যা বেছি হলে ৮।৯ বছৰৰ লৰা-ছোৱালীবিলাকেৰে এটা দল আৰু দহ বছৰৰ ওপৰৰ বয়সৰ লৰা-ছোৱালীৰ এটা দল কৰি প্ৰতিটো দলৰে এটা লৰাৰ আৰু আনটো ছোৱালীৰ শাখা কৰিব লাগে। আপোনাৰ মইনা মেল( পাৰিজাত ) ত লৰা-ছোৱালী বেছি নহলে ৯ বছৰলৈকে লৰা-ছোৱালীবিলাকৰ এটা দল কৰিব পাৰে। তাৰ পিছত লৰা আৰু ছোৱালীৰ বেলেগ বেলেগ দল কৰি দিব পাৰে। প্ৰতিদলৰে একো একোখন বেলেগ মন্ত্ৰী পৰিষদ থাকিব লাগে।

কিন্তু উপৰোক্ত ব্যৱস্থাবিলাক কৰোঁতে সদায় সতৰ্ক দৃষ্টি ৰাখিব লাগিব যাতে এনে ধৰণেৰে লৰা আৰু ছোৱালীৰ বেলেগ দল কৰাৰ ফলত পৃথকবোধ যাতে বেছি হবলৈ নাপায়। পৃথক বোধটো এই সময়ৰে পৰা সুমাই দিয়াটো অন্যায় হব। এইটো ঠিক যে, লৰাই ১৪ বছৰৰ পৰাই আৰু ছোৱালীয়ে ১২ বছৰৰ পৰাই সমলিঙ্গাকৰ্ষণ হেৰুৱাই বিপৰীত লিঙ্গাকৰ্ষণৰ দ্বাৰা আকৃষ্ট হয়। তেতিয়া লৰাই ছোৱালীৰ লগত আৰু ছোৱালীয়ে লৰাৰ লগত মিলিব জুলিবলৈ বেয়া নেপাৱ, কিন্তু ঠিক তাৰ আগলৈকে পৃথক বোধটো বেছি কৰিলে পৰস্পৰে পৰস্পৰক সহানুভূতিৰে

বুজাত বাধা পৰিব। সেই কাৰণে উপৰোক্ত ধৰণে পৃথক দল কৰিলেও দলৰ বৈঠক বিলাক ওচৰা-ওচৰিকৈ বহুৱাব লাগে; আৰু মাহেকীয়া প্ৰতিযোগিতাবিলাকত আৰু বিশেষ উৎসৱ উপলক্ষে কৰা আয়োজনত তেওঁলোকক একেলগে অংশ গ্ৰহণ কৰিবলৈ দিব লাগে। লৰা-ছোৱালীবিলাকৰ যৌৱনানুভূতি, ইয়াৰ লক্ষণ আৰু প্ৰকাশ সম্পৰ্কে অভিভাৱক-অভিভাৱিকা, শিক্ষক-শিক্ষয়িত্ৰী, পৰিচালক পৰিচালিকাই বিশেষ ভাবে জনা উচিত। তেওঁলোকৰ ভিতৰত বহুতে এই কথা অৱজ্ঞা কৰা কাৰণে অনেক লৰা ছোৱালী প্ৰায় ভ্ৰষ্ট হয়।

## শ্ৰদ্ধেয় নহলে কেনেকৈ শিক্ষা দিব

*প্ৰঃ*—… …মইনা মেলৰ (পাৰিজাত)ৰ পৰিচালক (স্থানীয় মাইনৰ স্কুলৰে শিক্ষক) জনে মৰম আৰু শাসনেৰে লৰা-ছোৱালীবিলাকক চলায় যদিও, তেওঁক সিহঁতে প্ৰায়ে উলাই কৰে। তেওঁৰ হাতত লৰা-ছোৱালীক সুশৃঙ্খল হবলৈ এৰি দিব পৰা হবনে?

**উঃ**—লৰা-ছোৱালীবিলাকে পৰিচালকজনক উলাই কৰা অৰ্থাৎ তেওঁৰ কথা নুশুনাৰ সঠিক কাৰণ তেওঁক নজনাকৈ কোৱা টান। তথাপি আপোনাৰ ঘৰুৱা বিৱৰণীৰ পৰা কব

পৰা যায়, তেওঁৰ প্ৰতি কোনো কাৰণে লৰা-ছোৱালীবিলাকৰ শ্ৰদ্ধাৰ অভাৱ হৈছে। শিক্ষক আৰু পৰিচালকসকলে লৰা-ছোৱালীৰ পৰা শ্ৰদ্ধা আকৰ্ষণ কৰিব নোৱাৰিলে, প্ৰকৃত শিক্ষা দান কৰিব নোৱাৰে। যি শিক্ষকক ছাত্ৰই ভালেই নাপায় শ্ৰদ্ধাও কৰে, সেয়েহে প্ৰকৃত শিক্ষক। আৰু তেওঁৰ শাসনহে লৰা-ছোৱালীয়ে সদায় মানে।

লৰা ছোৱালীয়ে প্ৰথম গুৰু মাক-দেউতাক অকল অতি ভালেই নাপায়, অতি শ্ৰদ্ধা ( ভক্তি )ও কৰে। সৰুতে লৰা-ছোৱালীবিলাকে পৃথিবীত মাক-বাপেকতকৈ আন কোনোবা ডাঙৰ আৰু মাননীয় আছে বুলি ভাবিব নোৱাৰে। কেইবা ঘৰৰো লৰা-ছোৱালীয়ে চোতালত ধেমালি কৰি থাকোঁতে কোনো বিষয় লৈ সিহঁতৰ ভিতৰত কথোপকথন হলে "আমাৰ দেউতাই কৈছে আকৌ," "আমাৰ মায়ে কৈছে আকৌ" বুলি সিহঁতৰ কথাৰ সত্যতাৰ প্ৰমাণ দিবলৈ চোৱাৰ দৃশ্য নিচেই বিৰল নহয়। এইদৰে কেতিয়াবা কেতিয়াবা লৰা-ছোৱালীৰ মাজত সিহঁতৰ দেউতাকহঁতৰ কথা লৈ কাঁজিয়া কৰাও দেখা যায়

মাক-বাপেকৰ পাচতে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ কথাকে লৰা-ছোৱালীয়ে এই কাল ছোৱাত সকলো কথাৰে শেষ সিদ্ধান্ত বুলি ধৰি লয়। পৃথিবীৰ সকলো কথা তেওঁলোকে জানে বুলি ধৰি লৈ লৰা-ছোৱালীবিলাকে সিহঁতৰ বাদ-বিসম্বাদ বা কাঁজিয়াত নিজৰ নিজৰ শিক্ষকৰ কথা কৈ

জিকিবলৈ কৰা চেষ্টাও দেখা যায়। "তহঁতৰ চাৰে অমুক বুলি কৈছে, কিন্তু আমাৰ চাৰে এই বুলিহে কৈছে," "আমাৰ চাৰে তহঁতৰ চাৰতকৈ বহুত কথা জানে আৰু বৰ ভাল" ইত্যাদি কথা কৈ ৰণত সিহঁত জিকিবলৈ চোৱাৰ দৃশ্যও প্ৰায় নেদেখা নহয়। এই কাল ছোৱাত মাক-দেউতাকে লৰা-ছোৱালীৰ পৰা আৰু শিক্ষক-শিক্ষয়িত্ৰীয়ে ছাত্ৰ-ছাত্ৰীৰ পৰা যিমান শ্ৰদ্ধা আকৰ্ষণ কৰিব পাৰে লৰা-ছোৱালীৰ চৰিত্ৰ গঠনৰ ফালৰ পৰা সিমানেই মঙ্গল।

ধৰি লওক, আপোনাৰ ঘৰলৈ এজন পুলিচ বিষয়া আহিছে। আপুনি যদি ভয় কৰি আৰু ভয় দেখুৱাই তেওঁৰে সৈতে কথা-বতৰা পাতে তেতিয়া আপোনাৰ সৰু সৰু লৰা ছোৱালী কেইটায়ো পুলিচক সদায় ভয় কৰিবলৈ শিকিব। ধৰি লওক, আপোনাৰ ঘৰলৈ এজন কুখ্যাত স্থানীয় চোৰাং কাৰবাৰী আহিছে। যদি আপুনি কোনো স্বাৰ্থ সিদ্ধিৰ কাৰণে তেওঁ ঘৰলৈ অহা মাত্ৰেই আথে-বেথে তেওঁক মান্য কৰি বহুৱায়, তেনেহলে আপোনাৰ লৰা-ছোৱালী কেইটাই চোৰাং বেপাৰীজনকে মান্যৱন্ত লোক বুলি ভাবিব। লৰা-ছোৱালীয়ে দেখা শুনাৰ ভিতৰত অভিভাৱকে আত্ম-সন্মান যেনেকৈ লাঘৱ কৰিব নালাগে সেইদৰে শিক্ষকেও ছাত্ৰৰ আগত নিজৰ মৰ্য্যদা ক্ষুন্ন হবলৈ দিব নালাগে। শিক্ষক-শিক্ষয়িত্ৰীয়ে স্কুলত বা অন্য কোনো ঠাইত লৰা-ছোৱালীবিলাকৰ আগত কুঁজাকুঁজ হৈ সমাজত চৰিত্ৰৰ সুখ্যাতি নথকা অথচ ধনৱন্ত

লোকক ভয় আৰু মান্য কৰি দেখুৱায়, তেন্তে লৰা-ছোৱালীয়ে সেই বিলাকহে সদায় সমাজৰ প্ৰকৃত মান্যৱন্ত, ভয় কৰিব লগীয়া লোক বুলি ভাবিব।

এই সম্পৰ্কত আৰু এটা কথা উল্লেখ কৰিব লগা হল। লৰা-ছোৱালীৰ মাক বাপেকে যদি লৰা-ছোৱালীৰ আগত শিক্ষক-শিক্ষয়ত্ৰীক লঘু কৰি দেখুৱায়, তেনেহলে লৰা-ছোৱালীৰ ওপৰত তাৰ ফল মাৰাত্মক হয। এজন শিক্ষক—ধৰি লওক—আপোনাৰ ঘৰলৈ গৈছে। আপুনি তেওঁৰে সৈতে কথা পাতি থাকোঁতেই যদি কোনোবা মদপী মহলদাৰ, কুখ্যাত ঠিকাদাৰ নাইবা কোনো মকৰ্দ্দমা খোৰ মক্কেল আদি আহে, আৰু আপুনি তেওঁলোকক শিক্ষকতকৈও বেছি সমাদাৰ কৰি শিক্ষকক পাচ পেলাই তেওঁলোকক সোধ-পোচ কৰে, তেনেহলে সেই শিক্ষকে আপোনাৰ লৰা-ছোৱালীক মানুহ কৰি তোলাৰ আশা কৰা বৃথা হব। শিক্ষক সমাজ, যিমান মান্যৱন্ত হয ছাত্ৰ আৰু সমাজৰ সিমান মঙ্গল। ছাত্ৰৰ শিক্ষা গ্ৰহণ আৰু চৰিত্ৰ গঠনত সমাজৰ শ্ৰদ্ধাভাজনীয় শিক্ষকৰ প্ৰভাব অশেষ কাৰ্য্যকৰী। প্ৰসঙ্গত উল্লেখ কৰিব পাৰি—বৃটেনৰ ভাবী নেতা সকলৰ শিক্ষানুষ্ঠান হেৰো আৰু ইউনৰ প্ৰাবিক স্কুল দুখনৰ অধক্ষদ্বয়ৰ সন্মান সমাজত বৃটেইনৰ প্ৰধান মন্ত্ৰীতকৈও বোলে বেছি।

# নেতৃত্ব কৰিব—কিন্তু শিক্ষা শিশু-কেন্দ্ৰী হৈয়ে থাকিব

**প্ৰঃ**—আপুনি লেখিছে যে, মইনা-মেল (পাৰিজাত)ৰ পৰিচালনা কৰোতে পৰিচালক সকলে লৰা-ছোৱালী বিলাকৰ মাজত তেওঁলোকৰ উপস্থিতি যিমান দূৰ পাৰে কমকৈ অনুভূত হবলৈ দিব লাগে। কিন্তু তেনেকৈ থাকি শৃঙ্খলা ৰক্ষা কৰা সম্ভৱ হব জানো ?

**উঃ**—আপুনি সম্ভৱ এই প্ৰশ্নটো কৰোঁতে স্কুলত থকা আমাৰ শিক্ষক সকলৰ কথা মনত পেলাইছে। আমাৰ স্কুল বিলাকত পুৰণি গতানুগতিক পদ্ধতিৰে শিক্ষকে তেওঁৰ দেখনিয়াৰ ব্যক্তিত্বৰে লৰাক অভিভূত কৰি ৰাখে। ইয়াৰ ফলত লৰাবিলাকৰ স্বাধীন ভাৱে বা নিৰ্ভয়ে চিন্তা কৰা আৰু ভবাত যথেষ্ট বাধা পৰে। আগৰ পুৰণি শিক্ষাদানৰ পদ্ধতিত ছাত্ৰ, পৰিবেষ্টনী আৰু পাঠ্য বস্তুতকৈ শিক্ষক বা গুৰুক বেছি গুৰুত্ব দিয়া হৈছিল। আগেয়ে যি সকলে শিক্ষা ক্ষেত্ৰত গুৰুগিৰি কৰিছিল সেই সকলে শিক্ষ্যদানৰ কাম পবিত্ৰ কৰ্ত্তব্য বুলি ধৰি লৈ এটা আদৰ্শ জীৱন যাপন কৰিছিল। তেওঁলোকে পাঠ্যৰ বিষয়-বস্তুৰে ছাত্ৰক গঢ়াতকৈ নিজৰ ব্যক্তিত্বৰ আদৰ্শেৰে ছাত্ৰক গঢ় দিছিল। কিন্তু এতিয়া সেই দিন নাই। আগৰ দৰে তেজস্বী ব্যক্তিত্বসম্পন্ন আৰু শিক্ষাব্ৰতী শিক্ষকো সৰহ নাই।

আৰু এতিয়া শিক্ষাও আগৰ দৰে কোনো এশ্ৰেণীৰ কাৰণে আচুতীয়া নহয় ;—এতিয়া ই সকলোৰে কাৰণে মুকলি—বহল।

আধুনিক শিক্ষামূলক মনোবিজ্ঞান মতে সৰু সৰু লৰা-ছোৱালীক শিক্ষাদানৰ পূৰ্ব্বৰ পদ্ধতি অধিক ফলপ্ৰসূ আৰু কাৰ্য্যকৰী নহয়। শিক্ষকতকৈ ছাত্ৰকহে এতিয়া বেছি গুৰুত্ব দিয়া হয়; দ্বিতীয়তে পৰিবেষ্টনীক আৰু তৃতীয়তে পাঠ্য বিষয়ত গুৰুত্ব দিয়া হয়; তাৰ পাচতহে শিক্ষক বাছনিৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

উপৰোক্ত কথাৰ পৰা শিক্ষাদানত শিক্ষকৰ গুৰুত্ব কমিহে গৈছে বুলি ভাবিলেও আকৌ ভুল হব। স্কুল বা শিক্ষানুষ্ঠানটোক এখন সমাজ বুলি ধৰক। শিক্ষক আৰু ছাত্ৰ উভয়ে তাৰ সভ্য। কিন্তু ব্যক্তিত্ব, অভিজ্ঞতা আদিৰ গুণত স্বভাৱতে সেই সমাজৰ নেতৃত্ব পৰে শিক্ষকৰ ওপৰত। এই নেতৃত্বৰ ওপৰতেই নিৰ্ভৰ কৰে স্কুলৰ সমাজ খনৰ কাৰ্য্যকৰিতা। মনৰ ওপৰত মানৰ প্ৰভাৱ পৰি যি শিক্ষা হয় সেই শিক্ষাৰ ফালৰ পৰা শিক্ষকৰ গুৰুত্ব কম নহয়। শিক্ষা শিশুকেন্দ্ৰিক বোলাৰ অৰ্থ এয়েহে যে, শিশুৰ ব্যক্তিত্ব, প্ৰবৃত্তি, সামৰ্থ্য আদি বুজি লৈহে শিক্ষকে শিক্ষা দান কৰিবলৈ সমৰ্থ হয়।

আগৰ পদ্ধতিৰ লগত পাৰ্থক্য এই খিনিতে যে শিক্ষকৰ নেতৃত্ব আগেয়ে প্ৰত্যক্ষ আছিল এতিয়া যি পৰোক্ষ হৈছে। কিন্তু নেতৃত্বৰ গুৰুত্ব সমানেই আছে।

এতিয়া শিক্ষকে লৰা-ছোৱালীক আপোন মতে সহজাত প্ৰবৃত্তিৰ তাগিদ অনুসৰি বুদ্ধি বৃত্তিৰ বিকাশৰ সুবিধা দিয়ে অৰ্থাৎ আধুনিক পদ্ধতিৰে শিক্ষা দান কৰে। শিক্ষকে সুবিধা দিয়ে উপযোগী মাধ্যমেৰে আৰু অনুকূল পৰিবেষ্টনীৰে। মণ্টেচৰী আৰু বুনিয়াদী পদ্ধতিত শিক্ষকে তেওঁলোকৰ ব্যক্তিত্বৰে হেচা মাৰি নধৰি পুতলা নাচৰ আঁৰত থকা মানুহ জনৰ দৰে লৰা-ছোৱালাক সিহঁতৰ মনৰ স্বাভাবিক চাল লৈ লক্ষ্য ৰাখি পৰিচালিত কৰে।

আমাৰ মইনামেলতো পৰিচালক পৰিচালিকা সকলে তেওঁলোকৰ ব্যক্তিত্বৰে ঢাকি নেপেলোৱাকৈ মইনা মেল পৰিচালিত কৰিব লাগে ; তেহে লৰা-ছোৱালী নেতৃত্বৰ বিকাশ আৰু উৎকৰ্ষণৰ সহজ সুবিধা ঘটিব।

এই প্ৰসঙ্গতে আৰু এটা কথা বিশেষ ভাবে লক্ষ্য কৰি চাব লাগে। ১১ বছৰমানৰ পৰাই ১৬ বছৰ মানলৈকে তেওঁলোক নৈতিক আদৰ্শপৰায়ণ হৈ উঠে। এই ভাব-প্ৰবণ অৱস্থাত তেওঁলোক বৰ আদৰ্শ বাদী হৈ চলিবলৈ বিচাৰে। যেনেকৈ ভক্তই ভক্তিৰ আতিশয্যত ঈশ্বৰৰ ভাৱময় সত্বাতকৈ ঈশ্বৰৰ মূৰ্ত্ত ৰূপ দৰ্শন কৰিবলৈ উদ্বাউল হৈ পাৰে, ঠিক সেইদৰে ভাব-প্ৰবণ লৰা-ছোৱালী বিলাকে এটা ভাবময় আদৰ্শতকৈ ( Ideal ) আদৰ্শৰ এটা মূৰ্ত্ত ৰূপ ( Idol ) দেখিবলৈ ইচ্ছা কৰে। তেনে অৱস্থাত

তেওঁলোকে আদৰ্শপৰায়ণ লোকৰ মাজেদি আদৰ্শক সন্মান কৰিবলৈ শিকে। ত্যাগৰ আদৰ্শটো এজন ত্যাগদীপ্ত লোকৰ মাজেদি ভাল পাবলৈ শিকে। পণ্ডিত নেহৰুৱে অসম সাহসী মতিলাল নেহৰুৰ ব্যক্তিত্বৰ মাজেদি বীৰত্বৰ আদৰ্শত আকৃষ্ট হৈছিল। সেই সময়ত লৰা-ছোৱালী বিলাকে তেওঁলোকৰ মনেৰে একোজন মানুহক আদৰ্শ স্বৰূপে লবলৈ বিচাৰে। একোজন আদৰ্শপৰায়ণ শিক্ষক বা পৰিচালকে এনে অৱস্থাত লৰা-ছোৱালীৰ জীৱনৰ ওপৰত জীৱন ব্যাপি প্ৰভাৱ বিস্তাৰ কৰি গঢ় দি তুলিব পাৰে। সেই কাৰণে এনে অৱস্থাত লৰা-ছোৱালী বিলাকক একোজন প্ৰকৃত আদৰ্শপৰায়ণ লোকৰ সান্নিধ্যত থাকিবলৈ দিলে সুফল পোৱা যায়।

এতিয়া আমি আপোনাৰ প্ৰশ্নৰ বাকী অংশলৈ আহোঁ। মানুহৰ দলবদ্ধ হৈ থকাৰ এটা সহজাত প্ৰবৃত্তি ( Gregorious instinct ) আছে। মানুহৰ এই প্ৰবৃত্তি থকা বাবে পৰিয়াল, সমাজ, ৰাষ্ট্ৰৰ উদ্ভৱ হৈছে। সঙ্ঘ বা সমাজৰ ভিতৰতহে মানুহৰ গুণবিলাকৰ বিকাশ হয়। সঙ্ঘ বা সমাজৰ বাহিৰ হৈ মানুহ থাকিবই নোৱাৰে। অতীজৰ ঋষি-মুনিসকলে—বুদ্ধ, হজৰত আদি মহাপুৰুষসকলে—সমাজৰ পৰা আঁতৰি গৈছিল, কিন্তু সমাজৰ কল্যাণ চিন্তাৰ কাৰণেহে সমাজৰ পৰা আঁতৰত তপস্যাত মগ্ন থাকি, তেওঁলোক আকৌ সমাজৰ কল্যাণৰ বাবে সমাজৰ মাজলৈ ঘূৰি আহিছিল। সঙ্ঘত বা দলত থকা এই সহজাত প্ৰবৃত্তি লৰা-

ছোৱালীৰ ৬।৭ বছৰৰ পৰা প্ৰবল হয়। দল বা সঙ্ঘত থকাৰ যেতিয়া এটা সহজাত প্ৰবৃত্তি আছে তাৰ পৰা এইটো সুন্দৰকৈ উপলব্ধি হয়—লৰা-ছোৱালীৰ শৃঙ্খলাপ্ৰিয়তাৰ কাৰণেও এটা স্বাভাৱিক আগ্ৰহ আছে। লৰা কেইটামান গোট খাই যেতিয়া কিবা খেমালি বা কাম কৰিবলৈ ওলায় তেতিয়া সিহঁতৰ ভিতৰতে কামবিলাক ভগাই লৈ এটা শৃঙ্খলালৈ আহে। সিহঁতৰ কোনোবাই যদি নিয়ম ভাঙে তেতিয়া সিহঁতেই তাৰ ওপৰত অনাস্থা প্ৰকাশ কৰে—খং-ৰাগ কৰি তাক নিয়মত চলিবলৈ বাধ্য কৰায়। আপুনি যদি সিহঁতৰ সঙ্ঘপ্ৰিয়তা আৰু শৃঙ্খলাপ্ৰিয়তাৰ আঁত ধৰি কামত লগাব পাৰে তেনেহলে আপুনি পৰোক্ষ ভাবে থাকিও কাম চলাব পাৰিব।

লৰাছোৱালীৰ এই কালছোৱাত নৈতিক বোধো বৰ বেছি। কিন্তু এই নৈতিকতা বোধ কোনো ধৰ্ম্ম ভাব জনিত নহয়। কথা-কামৰ মাজত মিল, ভাব-আচৰণত সামঞ্জস্য বিচাৰোতেহে এই বোধৰ উদয় হয়। সিহঁতৰ স্বাভাৱিক বিচাৰ বুদ্ধিৰে প্ৰত্যেক কথাটোৰে কাৰণ বিচাৰি ফুৰে। সিহঁতৰ এই নৈতিকতা বোধ যদি মাক বাপেকৰ ন্যায় আচৰণৰ দ্বাৰা সতেজ কৰি ৰাখিব পৰা যায়, তেনেহলে লৰা-ছোৱালী বিলাকে আগলৈ চৰিত্ৰ বান হোৱাৰ বহুত আশা থাকে। এটা সাধাৰণতে ঘটা ঘটনাৰ উদাহৰণ দিব পাৰি। ধৰি লওক, আপোনাৰ ঘৰলৈ কোনো এজন লোক

আহিছে। কোনো কাৰণে আপুনি সেই মানুহজন লগ কৰিবলৈ বিচৰা নাই। আপুনি সেই কাৰণে ভিতৰৰ পৰা কোনোবা এটা সৰু লৰা বা এজনী ছোৱালীক আপুনি ঘৰত নাই বুলি কৈ সিজন মানুহক বিদায় দিবলৈ পঠাইছে। আপোনাৰ লৰা-ছোৱালী কেইটাই দেখাত কোনো আপত্তি নকৰে। কিন্তু সিহঁতে ভাবিব, ঘৰলৈ কোনো মানুহ আহিলে ঘৰত থকা দেউতাকে লগ কৰিব লাগে। কিন্তু দেউতাকে লগ নকৰিলে। ভাৱ-আচৰণত সামঞ্জস্য বিচাৰি ফুৰা সিহঁতৰ মনত কেনেবা যেন লাগিব, আৰু ঘৰত থাকি নথকা বোলাটো সিহঁতৰ আৰু অসঙ্গত যেন লাগিব। এনে অসঙ্গত কথা বোৰ দেখি সিহঁতৰ মনত প্ৰথমতে এক প্ৰকাৰ বিদ্ৰোহ-ভাৱ সৃষ্টি হব। কিন্তু পাছলৈ এই বোৰ দেখি শুনি সমাজৰ এই বিলাক নিয়ম বুলিয়েই ধৰি লব। আপুনি এই মাৰাত্মক ভুলটো পাছত আপোনাৰ স্বীকাৰোক্তিৰে কিছু শুধৰাব পাৰে।

আপুনি যদি কয়, ঘৰলৈ অহা মানুহ জন অতি কথকী, আপুনি হাতৰ কাম এৰি তেওঁক দেখা কৰিবলৈ যাব খোজা নাই, অথবা আপোনাৰ শৰীৰ অলপ অসুস্থ, আপুনি নিমাতে-নিৰলে থাকিবলৈ বিচাৰিছে। যদি প্ৰকৃততে আপোনাৰ সচা স্বীকাৰোক্তি হয়, তেনেহলে লৰা ছোৱালী বিলাকে নিজকে যুক্তিৰে কিছু বুজাব পাৰিব। সেই দৰে আপোনাৰ ওচৰত কোনো এজন মানুহে বা

এটা ল'ৰাই এটা বস্তু বিচাৰি আহিছে। বস্তুটো আপোনাৰ ঘৰত আছে, কিন্তু থকা সত্ত্বেও আপুনি নিজেই বা আপোনাৰ ল'ৰাটোৰ হতুৱাই ঘৰত সেই বস্তু নাই বুলি কৈ পঠাইছে। আপুনি বস্তুটো থাকি নো কিয় দিয়া নাই তাক বুজাই কৈ নিদিওঁ বুলি কোৱা হলে আপোনাৰ ল'ৰাটোৱে আপোনাৰ পৰা মিছা কথা কবলৈ নিশিকিলেহেঁতেন। আপুনি যদি এই দৰে মিছা কথা কয়, তেনেহলে আপোনাৰ ল'ৰা আপোনাৰ ওচৰত সচাঁ কথীয়া হ'ব বুলি কেনেকৈ আশা কৰিব পাৰে ?

এটা কথা মনত পৰিছে। এজন চেয়াৰমেনৰ ওচৰত এখন গাওঁৰ কেইজনমান লোকে এটা 'টিউবেল' বিচাৰি গ'ল। চেয়াৰ মেনৰ ওচৰত দেখা কৰি সঁজাতি দল উলটি আহোতে চেয়াৰমেনৰ ঘৰতকীয়া ৮ বছৰীয়া ল'ৰাটোৱে সুধিলে "টিউবেল পালেনে?" চেয়াৰমেনে দিব বুলি সঁজাতি দলৰ লোকে উত্তৰ দিবলৈহে পালে, ল'ৰাজনে ডাঙৰ ডাঙৰ কৈ কৈ উঠিল, "দেউতাই এইদৰে কৈছে যেতিয়া পোৱাটি হৈছে। আমাৰ স্কুল খনত এটা টিউবেল দিব বুলি কতবাৰ কৈছে, আজিলৈকে দিয়া নাই। আপোনালোকে পোৱাটি হৈছে।" চেয়াৰমেনৰ ল'ৰাজনে দেউতাকৰ কথাবোৰ কেনে ধৰণে লক্ষ্য কৰিছে আৰু দেউতাকৰ কাম আৰু কথাৰ মাজত অসঙ্গতি দেখি কেনেদৰে বিশ্বাস হেৰুৱাইছে, মন কৰক। আপুনিও আপোনাৰ ওপৰত ল'ৰাৰ বিশ্বাস এনেদৰে

হেৰুৱাৱনে ? আৰু এটা সঁচা কথা। ৰহাৰ এখন বুনিয়াদী স্কুলত কবিৰ খেতি কৰা হৈছিল। জহৰ কাৰণে স্কুলৰ দীঘলীয়া বন্ধ হোৱাত স্কুলৰ খেতি ৰাখিবৰ কাৰণে লৰাৰ ভিতৰত পাল পাতি ৰখীয়া ৰখা হয়। এদিন এটা লৰাই এইদৰে ৰখি আছে। এনেতে দেউতাকে জেওৰা পাৰহৈ কবি চুৰ কৰিবলৈ ওলাইছে। পুতেকে দেউতাকক হাক দি কলে, "এই বোৰ স্কুলৰ কবি, মই ৰখি আছোঁ, আপুনি নিনিব। এই বোৰ তো ঘৰৰ কবি নহয়।" বাপেকে কিন্তু নিজৰ লৰাৰ মুখত নীতি কথা শুনি খঙত একো নাই হৈ তাক হে ভেকাহি এটা মাৰি কবি চুৰ কৰি লৈ গুচি গ'ল। বাপেকৰ এনে অসঙ্গত কথাত অকণমান লৰাটো মৰ্ম্মাহত হ'ল আৰু বন্ধৰ শেহত স্কুল খুলিলত স্কুলৰ মন্ত্ৰী পৰিষদত তাৰ দেউতাকে কেনেকৈ তাৰ হাক-বচন নুশুনি কবি চুৰ কৰি নিলে তাৰ ৰিপোৰ্ট দাখিল কৰিলে। মাক-বাপেকে আৰু কিছু দূৰ শিক্ষক-শিক্ষয়িত্ৰীয়েও সৰু লৰা-ছোৱালীৰ স্বাভাৱিক নৈতিক বোধ ক্ষুণ্ণ কৰি আৰু নিজৰ ওপৰত বিশ্বাস আৰু শ্ৰদ্ধা হেৰুৱাই কেনেকৈ নিজৰ আৰু সমাজৰ অন্যায় কৰে ভাবি চাওক।

—+—

# লৰা-ছোৱালীক নেতৃত্ব স্বাভাৱিক ভাৱে শিকিবলৈ দিয়ক

লৰা-ছোৱালীবিলাকে নিচেই সৰু ছোৱাতেও আনৰ ওপৰত নির্ভৰ নকৰাকৈ নিজৰ কাম নিজে কৰিবলৈ বিচাৰে। সিহঁতৰ এই চেষ্টাত কামৰ উদ্যম আৰু সাহস দুয়োটাই পৰিলক্ষিত হয়। এই বিষয়ত লৰা-ছোৱালীবিলাকক যদি অযথা বাধা নিদি 'নজৰ' ৰাখি কাম কৰিবলৈ দিয়া হয় তেনেহলে সিহতঁৰ স্বাভাৱিক উদ্যম আৰু সাহস আগ-লৈকে থাকি যাব। কিন্তু আমি অনেক সময়ত সিহঁতৰ স্বভাৱ বুজিব নোৱাৰি মৰমৰ অতিশয্যত সিহঁতৰ কামত অনুচিত বাধা দিওঁ—সিহঁতৰ স্বাভাৱিক উদ্যম আৰু সাহস স্বাভাৱিক ভাবে বাঢ়ি যোৱাত বাধাৰ সৃষ্টি কৰোঁ। আপোনাৰ এবছৰীয়া লৰাটোৱে ওখ পিৰালিটোৰ পৰা নামি চোতাললৈ আহিবলৈ লৈছে, কিম্বা দুবছৰীয়া লৰাটোৱে পেণ্টৰ বুটাম কেইটা নিজে মাৰিব খুজিছে। আপুনি তাকে দেখিব নোৱাৰি লৰাটো নমাই দিছে আৰু পেণ্টৰ বুটাম কেইটা মাৰি দিছে। কিন্তু আপুনি নাজানে আপুনি কি এটা ভুল কৰিছে। আপোনাৰ দুবছৰীয়া ছোৱালী জনীয়ে মুখ ধুবলৈ হেপোৰতেপুৰকৈ ঘটিটো চোতাললৈ নিব খুজিছে। আপুনি আকৌ মৰমতে ঘটিটো তাইৰ হাতৰ পৰা নি তাইক মুখখন ধুৱাই দিছে। আপুনি এই খিনিতেই ভুল কৰিছে।

আপুনি তাইক ঘটিটো নিবলৈ দিব লাগিছিল আৰু আপুনি দেখি আচৰিত হলহেঁতেন—লাহে ধীৰে হলেও ঘটিটো তাই বৰ বুদ্ধিৰে দাঙি লৈ গৈছে। আপোনাৰ ৭ বছৰীয়া লৰা-টোৱে খৰি কুন্দা এটা বাঁহ গছৰ তলৰ পৰা পাছ চোতাললৈ আনিবলৈ লৈছে। আপুনি মৰমতে তাক ডাবি দি খৰিডাল আনিবলৈ হাক্ দিছে। আপুনি যদি তাকে নকৰি সি কেনেকৈ খৰিডাল আনে চাই থাকিলহেঁতেন, তেতিয়া দেখিলেহেঁতেন সি খৰিডাল চোঁচোৰাই-বগৰাই হলেও লৈ আহিছে।

সেইদৰে আপোনাৰ ৮ বছৰীয়া লৰাটোৱে অলপ আঁতৰৰ এজন মানুহৰ ঘৰলৈ আপোনাৰ কামতে যাবলৈ বিচাৰিছে। আপুনি হয়তো কৰবাত পৰে-ধৰে বুলি তাক যাবলৈ বন্ধ কৰিছে। আমি এই অনুক্ৰমে লৰা-ছোৱালীবিলাকৰ সিহঁতৰ স্বাভাৱিক উদ্যম আৰু সাহসত বাধা দিওঁ। লৰা-ছোৱালীয়ে উদ্যমেৰে যিটো কাম কৰিবলৈ লয়, সেই কামত বাৰে বাৰে ব্যৰ্থ হলেও সিহঁতে হাৰ নামানে, কৰিয়েই থাকিব। এটা ৯ বছৰীয়া লৰাই এখন চাইকেল চলাবলৈ শিকোঁতে ২০—৩০—৪০—৫০-৬০—৭০ বাৰ পৰিছে, দুখ পাইছে, কিন্তু নিৰাশ হোৱা নাই উঠিয়েই আছে। কিন্তু বয়সীয়া মানুহ এজনে নতুনকৈ চাইকেল চলাবলৈ শিকোঁতে ইমান বাৰ ব্যৰ্থ হোৱাৰ পিছতো চাইকেল চলাবলৈ ইচ্ছা কৰিলেহেঁতেন নে?

লৰা-ছোৱালীবিলাকে যেতিয়া নিজে নিজৰ কাম কৰিবলৈ লয় আৰু কোনো কাম কৰিবলৈ শিকিবলৈ ধৰে, সেই কাম টান হলেও ডাঙৰসকলে বাধা দিব নাপায়, কেৱল 'নজৰ' ৰাখিব লাগে। যদি দেখে যে, লৰাটোৱে কামটো কৰিব পৰা নাই তেতিয়া লৰাটোক সহায় কৰি দিব লাগে। যদি লৰাটোৱে কামটো ভুল নিয়মে কৰিছে তেনেহলে নিয়মটো শুধৰাই দিব লাগে; কিন্তু কামটো কেতিয়াও কৰি দিব নালাগে।

## সময় মতেহে মৰমে গুণ দিয়ে

মানুহ মাত্রে মৰম পাবলৈ (আৰু মৰম কৰিবলৈ) এটা অতি প্ৰবল মোহ আছে। সৰু সৰু লৰা-ছোৱালীবিলাকে নিজৰ ওপৰত চলিব নোৱাৰি মাক-বাপেক আৰু পৰিয়ালৰ অন্যান্য সকলৰ ওপৰত নিৰ্ভৰ কৰি চলিব লগা হোৱাৰ কাৰণে তেওঁলোকৰ ওপৰত মৰমৰ দাবীৰে সিহঁতৰ কামবোৰ কৰোৱাই লয়। সিহঁতে সিহঁতৰ নিঃসহায়তা-বোধৰ পৰা ৰক্ষা পাবৰ কাৰণে মাক-বাপেক, ককাক-বুঢ়ীমাক আৰু পৰিয়ালৰ অন্যান্য লোকৰ পৰা মৰম বিচাৰে। সেই অনুৰূপে মাক-বাপেকে আৰু পৰিয়ালৰ অন্যান্য সকলে লালন-পালন, ৰক্ষণাবেক্ষণৰ হেপাহ অৰ্থাৎ অপত্য স্নেহৰ

কাৰণে লৰা-ছোৱালীক মৰম কৰে। অপত্য স্নেহ এটা অতি পবিত্ৰ আৰু মহৎ প্ৰবৃত্তি। অপত্য স্নেহৰ আতিশয্যত লৰা-ছোৱালী ভাল হোৱাতকৈ অনিষ্টহে বেছি হয়। ইয়াৰ কাৰণে লৰা-ছোৱালীৰ স্বাভাৱিক উদ্যম, সাহস, আত্ম-নিৰ্ভৰশীলতা আদি গুণ বিলাক হ্ৰাস পায়। ( অন্য এটা প্ৰশ্নোত্তৰ প্ৰসঙ্গত এই বিষয়ে আলোচনা কৰা হৈছে। )

লৰা-ছোৱালীবিলাকে বস্তুতঃ সকলো সময়তে যে মৰম বিচাৰে এনে নহয়। ধৰি লওক, আপোনাৰ তিনিবছৰীয়া ছোৱালী জনীয়ে লগৰীয়াৰে সৈতে বকুল তলত ধেমালি কৰিবলৈ যাবলৈ ওলাইছে। আপুনি সেই সময়ত তাইক মৰম কৰিবলৈ বিচাৰিলে তাই আমনিহে পাব। তাই আপোনাৰ হাতৰ পৰা এছাৰ খাই এৰাই গুচি যাব।

সেই দৰে সিহঁতৰ ভোকৰ সময়ত, ভাগৰ লগাৰ সময়ত সিহঁতৰ মৰম পাবৰ আবেগ নাথাকে। সিহঁতে যেতিয়া আপোন মনেৰে কোনো এটা কামত ব্যস্ত থাকে, তেতিয়া সিহঁতক মৰম কৰিলে সিহঁতে আমনিহে পায়। সিহঁতে মৰম পাবৰ ইচ্ছা নকৰা সময়ত মৰম কৰিলে যেনেকৈ আমনিহে পায়, সেইদৰে মৰম পাবলৈ ইচ্ছা কৰা সময়ত মৰম নাপালে দুখ পায়। ভোকৰ সময়ত কেঁচাই-পঁইতাই এগাল খালেও ভোক গুচে আৰু গুণো ধৰে। ভোক চৰি যোৱাৰ পিছত বা আভোকত মাছে-মঙ্গহে খালেও ভোকৰ তৃপ্তি নহয়, অপকাৰহে কৰে। ধৰি লওক, আপোনাৰ

ছোৱালী জনীয়ে খেলি আছি মাকৰ বোকোচাত উঠি মৰম পাবলৈ ইচ্ছা কৰিছে। তেতিয়া হয়তো মাকে বন্ধা-বঢ়াত ব্যস্ত থকাত জেঙেৰা মাৰি তাইক আতঁৰাই দিছে। আপোনাৰ লৰাটিয়ে স্কুলৰ পৰা আহি কিতাপ জাপ থৈ আপোনাৰ বুকুত সোমাই মৰম লবলৈ বিচাৰিছে। আপুনি হয়তো বন্ধু এজনৰ লগত জৰুৰী কথা এটা পাতি ব্যস্ত থকাত তাক ডাবি এটা মাৰি খেদাই দিছে। এই দুয়ো অৱস্থাতে লৰা ছোৱালী দুটিৰ এটা গভীৰ নিঃসহায়তা আৰু অকলশৰীয়া ভাব উদ্ভৱ হয় আৰু বেজাৰত মুখ গোমোঠা কৰি পেলায়। অত্যাধিক অপত্য স্নেহে যেনেকৈ লৰা-ছোৱালীৰ সাহস, উদ্যম, আত্মনির্ভৰশীলতাৰ কণ-কঠীয়া মাৰি অকামিলা আৰু সদায় পৰনির্ভয়শীল (মাক-বাপেকৰ ডিঙিত লাগি থকা) কৰি তোলে, সেইদৰে অনিয়মীয়া মৰমে লৰা-ছোৱালীৰ মনত নিঃসহায় আৰু অকলশৰীয়া ভাব বেছি কৰি তাক সদায় চিন্তাযুক্ত কৰি তোলে। কমকৈ মৰম পোৱা আৰু সময় মতে মৰম নোপোৱা লৰা-ছোৱালীয়ে মাক-বাপেক আৰু পৰিয়ালৰ অন্যান্য লোকৰ প্রতি বিদ্বেষত খটাসুৰৰ দৰে উদ্ভগুলি কৰি সকলোকে আমনি দিয়ে।

# আপোনাৰ লৰাৰ ব্যক্তিত্ব স্বীকাৰ কৰে নে

লৰা-ছোৱালীৰ বিষয়ে আপোনাৰ ধাৰণাৰ ওপৰত শিক্ষা দান আৰু লৰা-ছোৱালীৰ শাসনৰ সাফল্য বহুতখিনি নির্ভৰ কৰে। আমি বয়সীয়াল বিলাকে ভাবোঁ, লৰা ছোৱালীয়ে একো কথা ভালকৈ বুজি নাপায়। আচাৰ-ব্যৱহাৰ সম্পর্কীয় তেওঁলোকৰ বিশেষ একো জ্ঞান নাই। নৈতিকতা, দায়িত্ববোধ আদি গুণ বিলাক সম্পৰ্কে একে বাৰে অজ্ঞ। কিন্তু আমাৰ এই ধাৰণা প্ৰকৃততে ভুল। আমি লৰা-ছোৱালী বিলাকক নিচেই 'সৰু মানুহ' (Small man)বুলি সিহঁতৰ কোনো ব্যক্তিত্ব আছে বুলি নাভাবোঁ। আপোনাৰ বয়স জানিবা পঞ্চাশ বছৰ। আপুনি ভাবে—আপোনাৰ দায়িত্ব-জ্ঞান, আত্ম-সন্মানবোধ, স্বাৱলম্বিতাৰ আগ্ৰহ যিমান আছে, আপোনাৰ পাঁচ বছৰীয়া লৰাটোৰ হয়তো সেইবিলাকৰ দহ ভাগৰ এভাগ হে আছে। কিন্তু আচলতে সেইটো নহয়। আপোনাৰ জীৱনৰ অভিজ্ঞতা যিমান হৈছে আপোনাৰ লৰাটোৰ হয়তো তাৰ দহ ভাগৰ এভাগ হব পাৰে, কিন্তু তাৰ দায়িত্ব-বোধ, আত্ম-সন্মানবোধ আপোনাৰ সৈতে প্ৰায় সমানেই আছে। আপোনাৰ লৰাটো ব্যক্তিত্বহীন কিবা এটা বুলি নাভাবিব। আপোনাৰ দৰে তাৰো ব্যক্তিত্ব আছে। আপুনি এই কথাটো অনুভৱ কৰিলে লৰা ছোৱালী সম্পৰ্কে বহু সমস্যাৰ সন্মুখীন হব লগা নহব।

আপোনাৰ অনুৰোধ এটা কোনোবাই ৰক্ষা নকৰিলে আপুনি যিমান বেয়া পায় আপোনাৰ লৰাটোৱেও তাৰ অনুৰোধ ৰক্ষা নকৰিলে সিমান বেয়া পায়। আপোনাৰ সন্মানত আঘাত পৰিলে আপুনি যিমান দুখ পায়, তাৰ সন্মানত আঘাত পৰিলেও সি সিমাহে দুখ পায়। আপোনাক বয়সীয়া দহ জনৰ আগত কোনোৱা একজনে অপদস্থ কৰিলে যিমান লাজ পায়, আপোনাৰ লৰাটোৰ সমনীয়া দহ জনৰ আগত তাক আপুনি অপদস্থ কৰিলে সি সিমানেই লাজ পায়। আপোনাৰ লৰা-ছোৱালীৰ প্ৰতি ব্যৱহাৰ কৰোঁতে এই কথাটো মনত ৰাখে যেন।

আপোনাৰ এখন সমাজ আছে, সেইদৰে তাৰো এখন সমাজ আছে। সেই সমাজত সুনাম আৰু প্ৰতিষ্ঠাৰ কাৰণে আপোনাৰ যিমান সতৰ্কতা, শিশু সমাজত সুনাম আৰু প্ৰতিষ্ঠাৰ কাৰণে আপোনাৰ ল'ৰাটোও সিমান সাৱধান। সেই হিচাবে তুলনা কৰিলে আপুনি আপোনাৰ লৰাটোৰ সৈতে সমান। আপোনাৰ অৰ্থাৎ বয়সীয়াৰ সমাজত আপোনাৰ লৰাটো আপোনাৰ পুতেক বুলি পৰিচিত হব। তাত লৰাটোৰ নিজ পৰিচয় নাই। লৰাটোৰ লৰা-সমাজত আপুনি আকৌ আপোনাৰ নিজ পৰিচয়েৰে পৰিচিত নহয়; লৰাটোৰ দেউতাক বুলিহে পৰিচিত হব।

আপুনি যদি আপোনাৰ লৰাটোৰ ব্যক্তিত্ব স্বীকাৰ কৰি, আপোনাৰ ঘৰ খনত সিয়ো যে আপোনাৰ পৰিয়ালৰ

এজন দায়িত্বশীল লোক এই কথা তাক অনুভব কৰিবলৈ দিয়ে তেনেহলে লৰাটোক শৃঙ্খলাবোধ, সজ ব্যৱহাৰ, সজ বচন, নৈতিকতা, নির্ভীকতা, সত্যপ্রিয়তা, মিতব্যয়িতা আদিৰ শিক্ষা দিবলৈ বৰ সুগম হয়। "তই যদি পদূলি মুখখন চাফ কৰ তেনেহলে আজি তোক মিঠাই আনি দিম" এনে ধৰণে ঘৰৰ যিবিলাক সৰু-সুৰা কাম কৰিবলৈ আপুনি লৰা-ছোৱালীক ফুচুলাব লগা হয়, সেইবিলাক কাম কৰিবলৈ ইয়াৰ পাচত আপুনি ফুচুলাব বা প্ৰলোভন দেখুৱাব লগা নহব। আমি অনেক সময়ত ইটো আনি দিম, সিটো আনি দিম বুলি লৰা-ছোৱালীৰ হতুৱাই কাম কৰাই তাই কেতিয়াবা দিওঁ আৰু কেতিযাবা নিদিওঁ। এই ধৰণেৰে সিহঁতক মিছা কথা কবলৈ আমি যি শিকাওঁৰেই, তাৰ উপৰি ঘৰৰ এটা দায়িত্ব বুজি কাম-বন কৰাৰ অভ্যাসটোও নাইকিয়া কৰোঁ।

আপোনাৰ লৰাটো যে আপোনাৰ পৰিয়ালৰ এজন দায়িত্বশীল লোক, আপোনাৰ পৰিয়ালত তুলনামূলক ভাবে তাৰো যে অধিকাৰ আছে এই কথাটো এনে ধৰণেৰে অনুভব কৰাব পাৰি। সাধাৰণতে লৰা এটাৰ লগত যদি তুই এজন সমনীয়া বা চিনাকি বন্ধু ঘৰলৈ আহে, তেতিয়া হলে ঘৰত ডাঙৰবিলাকে সিহঁতৰ কোনো খা-খবৰ নলয়। কিন্তু দেউতাক বা মাক কিম্বা ডাঙৰ ককায়েকৰ কোনো বন্ধু আহিলে ঘৰত যেনেদৰে আদৰ-আশ্বাস কৰা হয়, লৰাটোৰ বন্ধুজনকো যদি সেইদৰে

নহলেও অলপ-অচৰপকৈ আদৰ-আশ্বাস কৰি দেখুৱা হয় তেন্তে লৰাটোৱে গৌৰৱ আৰু তৃপ্তি বোধ কৰে। মইনা মেল আদিত সৰু সৰু লৰা-ছোৱালীবিলাকে অনেক মাননীয় লোকৰ সৈতে পৰিচিত হয়। সেই মান্য লোক সকলক হয়তো লৰা-ছোৱালীবিলাকৰ অভিভাৱকসকলে চিনি নাপাব পাৰে। ঘৰৰ ডাঙৰৰ সৈতে অপৰিচিত যদিও সৰু সৰু লৰা-ছোৱালীৰ দ্বাৰা আমন্ত্ৰিত হৈ সিহঁতৰ লগত যদি তেওঁলোক ঘৰলৈ যায় আৰু ঘৰৰ বয়সীয়াসকলেও যদি অভ্যাগতক আদৰ-আশ্বাস কৰে, তেনেহলে সেই ঘৰখনত সেই লৰাটোৰ ব্যক্তিত্বৰ সুন্দৰ স্বীকৃতি দিয়া হয়। আমি এনেকুৱা ভালেমান উদাহৰণ দেখিছোঁ আৰু তাৰ পৰা ভাল ফল দেখিছোঁ।

# জীৱনৰ যোগেহে জীৱনৰ শিক্ষা সম্ভৱপৰ

(১)

অভিভাৱক, শিক্ষক আৰু মইনা মেল (পাৰিজাত) আদি লৰা ছোৱালীৰ শিক্ষা মূলক অনুষ্ঠানৰ পৰিচালকসকলে শিক্ষাৰ বহল উদ্দেশ্য সম্পৰ্কে পৰিষ্কাৰ ধাৰণা নাথাকিলে, লৰা-ছোৱালীৰ হিত সাধিবলৈ যাওঁতে, অজ্ঞানবশতঃ কেতিয়াবা অহিত হে সাধিব পাৰে। শিক্ষাৰ বহল উদ্দেশ্য হৈছে শিশুৰ সকলো-খিনি সুপ্ত প্ৰতিভা (অনুকূল পৰিবেশ সৃষ্টি কৰি) জগাই

তোলা। আন এক প্ৰকাৰে কব পাৰি শিশুক এখন ( উন্নতিশীল ) সমাজৰ উপযোগী কৰি গঢ়ি তোলা। আমি সাধাৰণতে লৰা-ছোৱালীক তথাকথিত শিক্ষা দিওঁতে শিক্ষাৰ উপৰোক্ত বহল উদ্দেশ্যৰ কথা পাহৰি যাওঁ। কোনোবা এজনে কোৱাৰ দৰে 'শিক্ আৰু খা'ই হৈছে এতিয়া আমাৰ শিক্ষাৰ উদ্দেশ্য। কোনো এটা বা দুটা বৃত্তিৰ কাৰণে উপযোগী কৰি এটা লৰাক উপাৰ্জ্জনক্ষম কৰাটো শিক্ষাৰ এটা ভিতৰুৱা – আৰু ডাঙৰ—উদ্দেশ্য। কিন্তু এইটোৱেই শিক্ষাৰ ঘাই উদ্দেশ্য কেতিয়াও নহয়। আমাৰ 'শিক্ আৰু খা' এই ধৰণৰ শিক্ষাই যেনে তেনে প্ৰকাৰে লৰাক উপাৰ্জ্জনক্ষম কৰিলেও সুসভ্য সমাজৰ উপযোগী হবৰ কাৰণে আন আন লাগতিয়াল গুণৰ উৎকৰ্ষণত—লৰাটোৰ আন আন প্ৰতিভাৰ বিকাশত বিষম বাধা জন্মায়।

শিক্ষা বুলিলে আমি অন্ততঃ কি বুজোঁ ? লৰাৰ শাৰীৰিক উন্নতি, মানসিক বৌদ্ধিক উন্নতি আৰু অনুভূতিগত উন্নতি অৰ্থাৎ সাহিত্য, উদ্যম, সমাজ চেতনা, সহানুভূতি-শীলতা, কৰ্ত্তব্যবোধ, কৌতুহলপ্ৰিয়তা, উদ্ভাৱনপ্ৰিয়তা, আৱিষ্কাৰৰ আনন্দ, সৌন্দৰ্য্যবোধ, ৰুচি বোধ আৰু জনকল্যাণৰ আগ্ৰহ ইত্যাদি গুণৰ উৎকৰ্ষণ। অভিভাৱক-অভিভাৱিকাসকলে লৰা-ছোৱালীক ঘৰত শিক্ষা দিওঁতে উপৰোক্ত শিক্ষাৰ ধাৰণা লৈ থাকেনে ? শিক্ষক-শিক্ষয়িত্ৰী সকলে স্কুলত শিক্ষা দিওঁতে শিক্ষাৰ বহল উদ্দেশ্যৰ কথা মনত ৰাখেনে ?

শিক্ষা দিয়া এটা 'আর্ট', আৰু যি শিক্ষা দিয়ে তেওঁ আৰ্টিষ্ট—জীৱনৰ আৰ্টিষ্ট। শিক্ষা জীৱনৰ কাৰণেহে আৰু সেই শিক্ষাও জীৱনৰ মাজেদিহে পোৱা যায়। শিক্ষাৰ বহল উদ্দেশ্য সদায় মনত ৰাখি শিশু জীৱন গঢ়িবলৈ একান্ত হাবিয়াস কৰিলে আৰু কেনেকৈ গঢ়িব পাৰি সেইবিষয়ে এটা ভাল ধাৰণা থাকিলে এজন শিক্ষক বা অভিভাৱকে যেতিয়াই যিটো সুবিধা পায় তাৰেই শিক্ষা দিব পাৰে। এজন শিল্পীয়ে দেখাত ভাল ভাল বস্তু-বোৰেৰে তো কথাই নাই, অলাগতিয়াল অসুন্দৰ বস্তু বিলাকৰেও একো একোটা সৌন্দৰ্য্যমূলক বস্তুৰ সৃষ্টি কৰিব পাৰে। এজন উচ্চ শ্ৰেণীৰ শিল্পীয়ে পেলাই দিয়া ভগা কলহ বা ভুৰুকা এটাৰ ওপৰত অকণমান হাত ফুৰাই সৌন্দৰ্য্যৰ এটা নতুন বস্তুৰ ৰূপ দিব পাৰে। অৱনীন্দ্ৰ ঠাকুৰৰ দৰে এজন মহান শিল্পীয়ে পালে খৰিৰ লগত অহা গছৰ এটা মুঢ়া, এটা ফেৰেঙণিৰ পৰাও এটা অনুপম সৌন্দৰ্য্যৰ বস্তু সৃষ্টি কৰিব পাৰে। সেই ধৰণেই জীৱনৰ আৰ্টিষ্টজনেও দৈনন্দিন জীৱনৰ সৰু-সুৰা ঘটনা বা পৰিস্থিতিৰে লৰা-ছোৱালীক শিক্ষা দিব পাৰে। ইচ্ছা কৰিলে, তেওঁলোকে প্ৰতিটো কথা বা ঘটনাকে লৰা-ছোৱালীৰ কাৰণে শিক্ষাপ্ৰদ কৰিব পাৰে। ইয়াৰ কাৰণে অভিভাৱক-অভিভাবিকা, শিক্ষক-শিক্ষয়িত্ৰী, মেলৰ পৰিচালক-পৰিচালিকাসকলক লাগিব পৰ্য্যবেক্ষণ শক্তি আৰু সহানুভূতি।

লৰা-ছোৱালীবিলাকে দিনৌ দিনৌ বেলেগ বেলেগ পৰি-স্থিতিত কি কৰে, কি কৰিবলৈ বিচাৰে, কি ভাবে আৰু কি

প্ৰতিক্ৰিয়া দেখুৱায় এই বিলাক পৰ্য্যবেক্ষণ কৰিব লাগে। সিহঁতৰ সমস্যা বুজিবৰ কাৰণে এটা সহানুভূতিশীল দৃষ্টিভঙ্গীৰেও চাব লাগিব। পৰ্য্যবেক্ষণশীল নহলে, সিহঁতৰ অনেক কথাই, অনেক সমস্যাই আৰু অনেক প্ৰতিক্ৰিয়াই আমাৰ চকুত ধৰা নপৰে আৰু সিহঁতৰ প্ৰতি আমাৰ অজ্ঞানতা বাঢ়ে। সিহঁতৰ প্ৰতি সহানুভূতি নাথাকিলে সিহঁতৰ প্ৰতি আমাৰ আগ্ৰহ, বুজোৱাৰ বা শুধৰোৱাৰ হেপাহ হব নোৱাৰে। সেই কাৰণে এই কথা দোহাৰি কব লাগিব, যাৰ পৰ্য্যবেক্ষণ শক্তি আৰু সহানুভূতি নাই তেওঁ শিক্ষক ( বহল অৰ্থত ) বা জীৱনৰ আৰ্টিষ্ট হিচাবে কেতিয়াও সফলকাম হোৱা সম্ভৱপৰ নহব।

(২)

শিক্ষক, অভিভাৱক, মেলৰ পৰিচালকসকলে লৰা-ছোৱালী বিলাকৰ আচাৰ-ব্যৱহাৰ, ভাবগতি সহানুভূতিৰে পৰ্য্যবেক্ষণ কৰাৰ গুৰিতে এটা মূল ভাব থাকিব লাগিব।—

এইটো হৈছে লৰা বা ছোৱালীৰ ব্যক্তিত্বৰ স্বীকৃতি। ( ইয়াৰ আগৰ "শিশুৰ ব্যক্তিত্ব" সম্পৰ্কিত পাঠটিত এই বিষয়ে সবিশেষ আলোচনা কৰা হৈছে। ) লৰা-ছোৱালীৰ দৃষ্টি-ভঙ্গী, সিবিলাকৰ সমস্যা, অভিজ্ঞতাৰ প্ৰকাৰ ডাঙৰবিলাকতকৈ একেবাৰে বেলেগ হব। এটা সাধাৰণ উদাহৰণ দিলে এই কথাটো বুজিবলৈ সহজ হব। আপোনাৰ ঘৰত, ধৰি লওক, এখন ডাঙৰ মেজ আছে। আপোনাৰ ৫ বছৰীয়া লৰাটো সেই মেজ

খনতকৈ চাপৰ। সেই লৰাটোৱে মেজখনৰ খুৰা কেইটাহে দেখিব। সি ওপৰখন দেখিবলৈ নাপায়। তাৰ মেজ খনৰ ধাৰণাটো ডাঙৰ লোকৰ ধাৰণাতকৈ নিশ্চয় বেলেগ হব। ডাঙৰ মানুহে মেজ খন (৩'' × ৬' × ৫') যি পৰিমাণে দেখিব সৰু লৰাটোৱে সম্পূৰ্ণ বস্তুটোৰ এটা ক্ষুদ্ৰ সংস্কৰণ ৰূপে (১'' × ২' × ১') নেদেখে, তাক বেলেগ ৰূপে দেখিব। মেজ খন মেজ স্বৰূপে নেদেখি সি এটা বেৰ নথকা ঘৰ বুলিহে ধাৰণা কৰিব পাৰে। সেই ধৰণেৰে জোন-বেলিৰ প্ৰতি বা আপোনাৰ ঘৰত থকা থাপনাৰ মূৰ্ত্তিৰ প্ৰতি সৰু লৰাৰ ধাৰণা এজন বয়সস্থ লোকৰ ধাৰণাতকৈ নিশ্চয় বেলেগ হব। লৰা-ছোৱালীৰ আচাৰ-ব্যৱহাৰ, ভাব-গতি পৰ্য্যবেক্ষণ কৰোঁতে, লৰা-ছোৱালীৰো ডাঙৰৰ দৰে যে ব্যক্তিত্ব আছে, ডাঙৰ বিলাকৰ দৰে লৰা-ছোৱালী বিলাকৰ আত্মসন্মান বোধ, দায়িত্ব বোধ আছে—আৰু আনকি কিছু বিষয়ত লৰা-ছোৱালীবিলাকৰ দৃষ্টিভঙ্গীও যে ডাঙৰৰ পৰা বেলেগ—এই কথা সততে মনত ৰাখিব লাগিব।

লৰা-ছোৱালীবিলাকৰ অনেক সমস্যা অভিভাৱক-শিক্ষক সকলে কিছু পৰ্য্যবেক্ষণ কৰিয়েই সাধাৰণ জ্ঞানেৰে (Common sense সমাধান কৰিব পাৰে। মনোবিজ্ঞানৰ এটা স্থূল মূল জ্ঞানেৰেও প্ৰকৃত শিক্ষানুৰাগী লোকে লৰা-ছোৱালীৰ শিক্ষাৰ সহজ আৰু সুন্দৰ ব্যৱস্থা কৰিব পাৰে।

ৰাজনৈতিক, অৰ্থনৈতিক আদি আন আন সামাজিক বিজ্ঞানৰ দৰে মনোবিজ্ঞান সম্পূৰ্ণ বস্তু-নিৰপেক্ষ নহয়।

ই আধা আত্ম-সাক্ষেপ। বস্তু-নিৰপেক্ষ জ্ঞান খিনি আত্ম সাক্ষেপ অভিজ্ঞতাৰ পোহৰত পৰীক্ষিত হৈ নাথাকিলে, মনোবিজ্ঞানৰ অনেক সিদ্ধান্তই অকাৰ্য্যকৰী হব। মনোবিজ্ঞানৰ আত্ম সাক্ষেপ ভাগ সম্পৰ্কে প্ৰত্যেক জন মানুহেই কম বেছি একোজন মনোবৈজ্ঞানিক। এটা লৰাই ওফোন্দ পাতিলে, তাৰ ওফোন্দ পতাৰ কাৰণ অলপ ভাবি চালেই হয়তো উলিয়াব পৰা যাব, আৰু শিক্ষাৰ ফালৰ পৰা সাধাৰণ জ্ঞানেৰে অনেক অভিভাৱকে তাৰ সমাধান কৰিব পাৰিব। ধৰি লওক, আপুনি কোনো এঘৰৰ বিয়ালৈ যাবলৈ ওলাইছে। আপোনাৰ ছবছৰীয়া সৰু লৰাটোক আগ দিনাখন আপুনি বিয়ালৈ নিম বুলি কৈছিল। সেই কাৰণে লৰাটো যাবলৈ ওলাইছে। কিন্তু আপুনি কোনো কাৰণে তাক লগত নিব খোজা নাই। সেই কাৰণে সি কান্দি কাতি ওফোন্দ পাতিছে। ওফোন্দৰ কাৰণটো আপোনাৰ বুজিবলৈ অকণো বাকী নাই। আপুনি এতিয়া কি কাৰণে নিব খোজা নাই খোলোচাকৈ কৈ বুজাই দিয়ক। আপুনি অইন এদিন অইন এঠাইলৈ নিম বুলি ফুচুলাবৰ দৰকাৰ নাই। কাৰণ, কোন দিনা নিব তাৰ কোনো নিশ্চয়তা নাই আৰু সেই দিনা নিনিবও পাৰে। ঘূৰি আহোঁতে মিঠাই আনিম বুলি ফুচুলোৱাও উচিত নহয়, কিয়নো সেই ব্যৱস্থা কৰিলে আপুনি তাক বিয়ালৈ নিম বুলি নিনিয়াৰ কাৰণে আপুনি অসত্যবাদী বুলি তাৰ ওচৰত

প্ৰতীয়মান হব, আৰু সি আগলৈ হকে-বিহকে মিঠাই আদিৰ দাবী উচল কৰিবলৈ শিকিব। এতেকে লৰাটোৰ চৰিত্ৰ গঠনত দুয়োটা কথাই ভুল হব। তাক ওফোন্দ পতাৰ কাৰণে সহানুভূতি দেখুৱাই আপুনি তাক লৈ যাব নোৱাৰাৰ কাৰণ ভালকৈ বুজাই দিয়ক।

শিক্ষাৰ বহল উদ্দেশ্য বুজি, লৰাৰ ব্যক্তিত্বৰ স্বীকাৰ কৰি, সিহঁতৰ আচাৰ-ব্যৱহাৰ, ভাব-গতি সহানুভূতিৰে পৰ্য্যাবেক্ষণ কৰি, সাধাৰণ জ্ঞানেৰেই অভিভাৱক সকলে লৰা-ছোৱালীক ভালকৈ শিক্ষা দিব পাৰে।

## আপোনাৰ মানত লৰা-ছোৱালী কেয়োটা সমান হয় জানো?

এজন অভিভাৱকে তেওঁৰ ঘৰৰ লৰা-ছোৱালী কেইটাৰ ভিতৰত, এজন শিক্ষকে শ্ৰেণীৰ ছাত্ৰবিলাকৰ ভিতৰত, এজন পৰিচালকে মইনামেল ( পাৰিজাত )ৰ মইনাবিলাকৰ ভিতৰত মৰম বিলাওঁতে আৰু মনযোগ দিওঁতে যাতে কোনো পক্ষপাতিত্ব নহয়, তালৈ বিশেষ লক্ষ্য কৰিব লাগে। প্ৰথমে পৰিয়ালৰ কথাকে ধৰা হওক। লৰা-ছোৱালীৰ প্ৰতি মাক-বাপেকৰ মমত্ব বোধ সমান হলেও, অনেক পৰিয়ালৰ মাক-বাপেকবিলাকে নিজৰ কোনো এটা বা দুটা লৰা-ছোৱালীৰ

প্ৰতি অধিক মনযোগ আৰু মৰম দিয়া দেখা যায়। যিটো লৰা বাকী কেইটা লৰাতকৈ হয় মেধাবী, নহয় ধুনীয়া কিম্বা মাক-বাপেকৰ বেছি বাধ্য সেই লৰাটোৰ প্ৰতি মাক-বাপেকৰ আচৰণত পক্ষপাতিতা চকুত সহজে ধৰা পৰে। যেতিয়া বাকী-বিলাক লৰা ছোৱালীয়ে মাক-বাপেকৰ মৰম-চেনেহ সিজন লৰা-তকৈ কম পোৱা দেখে তেতিয়া সিহঁতে সিটো লৰাক সিহঁতৰ প্ৰতিদ্বন্দ্বী বুলি ভাবে। সিহঁতে পৰোক্ষ বা প্ৰত্যক্ষ ভাবে সিটো লৰাক হিংসা কৰিবলৈ ধৰে। সিহঁতে লৰাটোৰ বিৰুদ্ধে লগাই ভগাই মাকে-বাপেকৰ ওচৰত বিতুষ্ট কৰিবলৈ বিচাৰে। সিহঁতে মাক-বাপেকৰ পক্ষপাতিতা মূলক আচৰণৰ প্ৰতিবাদ কৰি ঠেহ পেচ বেছিকৈ পাতে. উদ্ভণ্ডালি বেছিকৈ কৰে, আৰু উদ্ভণ্ডালি কৰিয়েই মাক বাপেকৰ বেছি মনযোগ আকৰ্ষণ কৰিবলৈ বিচাৰে।

মাক-বাপেকেই লৰা-ছোৱালীৰ মানত সকলো সদগুণৰ আধাৰ স্বৰূপ। সিহঁতে মাক-বাপেকৰ ব্যৱহাৰত যদি পক্ষপাতিতামূলক আচৰণ দেখে, তেনে হলে সমাজ খনেই পক্ষপাতিতামূলক বুলি সিহঁতৰ কুমলীয়া মনত দৃঢ় ধাৰণা হৈ যায়, আৰু সিহঁতৰ মনত এটা বিদ্ৰোহৰ ভাব জাগি উঠে। সিহঁতৰ মনত জঁট বা জটিলতাৰ ( Complex ) সৃষ্টি হয়। অনেক সময়ত এই লৰা-ছোৱালীবিলাকৰ আত্ম বিশ্বাস হেৰায় আৰু বহুতৰে মনত আত্ম-অৱমাননাৰ ভাব আছে। ঘৰত আশানুৰূপ ন্যায় বা ভাল ব্যৱহাৰ নোপোৱা লৰাই পাছত

অপৰাধপ্ৰৱণ (Delinquent হৈ পৰে। মাক-বাপেকহঁতে— অনেক পৰিয়ালত পূৰ্ব্বৰ পৰা চলি অহা ধাৰণা মতে—ল'ৰাতকৈ ছোৱালী বিলাকক কলে-বুদ্ধিয়ে, পঢ়াই-শুনাই [illegible] কম শিকায়। ছেক্স (Sex) ত যেনেকৈ হলেও ল'ৰা-ছোৱালী উভয়ৰে যে বিদ্যা-বুদ্ধি আদি বিষয়ত সামৰ্থ্য সমান, [illegible] সমান, পৰিয়ালতো তেওঁলোকৰ যে অধিকাৰ সমান এই কথা মাক-বাপেকে তেওঁলোকৰ আচৰণেৰে বুজাব লাগিব। পৰিয়ালৰ ল'ৰা-ছোৱালীবিলাকৰ প্ৰতি কোনো প্ৰকাৰৰ পক্ষপাতিত্ব নকৰি আৰু পৃথক আচৰণ নেদেখুৱাই সিহঁতক অতি বিশেষে দূৰে ৰাখিব পাৰিলে ল'ৰা-ছোৱালী বিলাকৰ Sex সম্পৰ্কে বীভৎস ধাৰণা সৃষ্টি হবৰ সুবিধা নহয়। Sex সম্পৰ্কে এটা সুস্থ জ্ঞান হবৰ এনেকুৱা এটা পৰিবেশত হবলৈ বা দিবলৈ বেছি সুবিধা।

যদি কোনোবা এটা ল'ৰা বা এজনী ছোৱালী কদাকাৰ বা বিকলাঙ্গ হলে তাৰ প্ৰতি মাক-বাপেকে বিশেষ মনোযোগ দিয়াত কোনো বাধা থাকিব নোৱাৰে। মাক-বাপেকে সেই দুৰ্ভগীয়া ল'ৰাটো বা ছোৱালীজনীৰ প্ৰতি বিশেষ ব্যৱহাৰৰ আৱশ্যকতাৰ কথা বাকী ল'ৰা-ছোৱালী কেইটাক বুজাই দিলে ল'ৰা-ছোৱালীবিলাকে আপোনা-আপুনি সেই দুৰ্ভগীয়া ল'ৰাটো বা ছোৱালীজনীৰ প্ৰতি বিশেষ ভাবে [illegible] অধিক [illegible] কৰিবলৈ এনেকুৱা [illegible] ঠাইত দেখা গৈছে।

স্কুলত আৰু মইনামেল (পাৰিজাত ত শিক্ষক-পৰিচালকে মেধাবী বুলি, বেছি বাধ্য বুলি, কোনো বৰলোকৰ লৰা বুলি আন বিলাক লৰা-ছোৱালীতকৈ আচৰণত কাৰোবাৰ প্ৰতি পক্ষপাতিতা দেখুৱালে বাকীবিলাক লৰা-ছোৱালীৰ প্ৰতি আৰু সিটোৰ প্ৰতিও ঘোৰ অন্যায় কৰা হব। পৰিয়ালৰ ভিতৰত তুলনামূলক ভাবে ভাল ব্যৱহাৰ নোপোৱা লৰাটোৰ মনত যি প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়, স্কুল বা মেলত বাকীবিলাকৰ সমানে আদৰ বা মনোযোগ নোপোৱা লৰা-লৰা-ছোৱালীৰ মনতো সেই একে প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। সকতেই সামাজিক অন্যায়বোৰ দেখি সিহঁত এক প্ৰকাৰ বিদ্ৰোহী হৈ উঠে; শিক্ষক আদি সমাজৰ নেতৃস্থানীয় লোকৰ শাসন, অনুশাসন স্বীকাৰ কৰিব নোখোজা হয়। শিক্ষক-পৰিচালকৰ এনে ব্যৱহাৰৰ ফলত যিবোৰ লৰা-ছোৱালীৰ আত্ম-বিশ্বাস হেৰাই গৈ আত্ম-অৱমাননা বোধ জন্মে, সেই লৰাছোৱালীবিলাকৰ প্ৰকৃত শিক্ষা আৰু চৰিত্ৰ গঠনত বিষম বাধা পৰে। যিবিলাক লৰাই সদায় সকলে পৰা পক্ষপাতিত্বমূলক আচৰণ বা আগ ঠাই পাই আহিছে, সেইবিলাকে যদি পাছত নিজৰ যোগ্যতাৰ অভাৱতো আগ ঠাই নেপায়, তেন্তে সেইবিলাক অসন্তোষীয়া আৰু নিন্দুক প্ৰকৃতিৰ লোক হৈ পৰে।— হতাশ আৰু ক্ষোভৰ কাৰণে সমাজৰ কোনো ভাল কাম কৰিব নোৱাৰা হয়।

# গোটেই টোকে শিক্ষা দানৰ প্ৰজেক্ট কৰি লওক

এজন পৰিচালকে মইনা পাৰিজাতৰ অধিবেশন এখন পাতিব খুজিলে তেওঁ কি কৰিব লাগিব? অধিবেশন খন পতাৰ সিদ্ধান্ত তেওঁৰ নিজৰ ফালৰ পৰা নাহি মেলৰ মইনা হঁতৰ ফালৰ পৰা আহিবৰ কাৰণে তেওঁলোকৰ মাজত পৰিচালকে কথা বতৰা আৰম্ভ কৰিব লাগে আৰু সেই কথা বতৰাতো অধিবেশন সম্পৰ্কীয় পোনপটীয়া কথা তুলিব নালাগে। যেতিয়া লৰাহঁতে অধিবেশন পতাৰ কথা উলিয়াব তেতিয়া তেওঁলোকক সেই উদ্দেশ্যে এখন সভা পাতিবলৈ কব। মইনাহঁতৰ মেলৰ কামত কোনবিলাকে সহায় কৰিছে আৰু সহানুভূতি দেখুৱাইছে আৰু কোনবিলাকৰ পৰা তেওঁলোকে পৰামৰ্শ আদি পাবলৈ বিচাৰে তেওঁলোকক সেই বিষয়ে আলোচনা কৰিবলৈ দি তেওঁলোকক মাতিবলৈ কব। তেওঁলোকৰ মাজৰে এজন লৰা বা এজনী ছোৱালীৰ সভাপতিত্বত সভা বহিব। আপুনি আলোচনাৰ ঘাই কথাবোৰ উন্নুকিয়াই যাব। আলোচনাৰ প্ৰত্যেক বিষয়টোতে তেওঁলোকক প্ৰথমে ভাগ লবলৈ দিব। অভ্যৰ্থনা কমিটীৰ যদি চাব কমিটী গঠন কৰিব লগীয়া হয় তেতিয়া হলে বয়সস্থ লোকৰ দুজনমান আৰু মইনাহঁতৰ চাৰিজন মানেৰে সৈতে গঠন কৰিব। বয়সস্থ সকলে যদিও

কামত বিশেষ সহায় কৰিব লাগিব, তথাপি নেতৃত্ব লৰাইঁতকে লবলৈ এৰি দিব লাগিব। ধৰি লওক, ৰভা সজা চাব কমিটীৰ বৈঠক বহিছে। বাঁহ, টিৰ্পাল, খেৰ বা টিন-পাত কত, কাৰ কাৰ ঘৰত পোৱা যায় তেওঁলোকে আলোচনা কৰিবলৈ দিব; আপুনি কেৱল সঙ্কেত দি তেওঁলোকে পাহৰি যোৱা কথাবোৰ উন্মুকিয়াই যাব। কাক, কত খুজিবগৈ লাগিব তেওঁলোককে ঠিক কৰি তেওঁলোককে যাবলৈ দিব। অৱশ্যে আপুনি তেওঁলোকৰ মাজত থাকি পৰোক্ষভাৱে কাম কৰিব লাগিব। এইদৰে অভ্যৰ্থনাৰ সকলো কাম তেওঁলোকৰ নিজৰ ভিতৰতে নিজে বাছি লবলৈ আৰু সেইদৰে ক'ৰবলৈও সুযোগ দিব লাগিব। মেলৰ সভাত বয়সস্থ লোক সকল কোনো প্ৰকাৰেই আকৰ্ষণ বা মনোযোগৰ বিষয় বস্তু হৈ থাকিব নোৱাৰিব। আকৰ্ষণ বা মনোযোগৰ যত বিষয় বা কাম হব মইনা বিলাকে নিজেহে কৰিব। মুকলি সভাত বয়সস্থ লোকসকল মনোযোগৰ পৰা আঁতৰত লৰাইঁতৰ একেবাৰে পিছত বহিব। বিশেষ আমন্ত্ৰিত লোক সকলকো লৰাইঁতৰ মনোযোগৰ পৰা আতঁৰত একাষৰীয়াকৈ বহুৱাই সুসজ্জত। সভামণ্ডপ শোভাযুক্ত (Decoration) কৰা, বহাৰ আসন আদিৰ ব্যৱস্থা কৰা, লোকক নি বহুৱা-মেলা সমস্ত কাৰ্য্য লৰাইঁতকে কৰিবলৈ দিব।

এইদৰে গোটেই বস্তুটোকে আদিৰ পৰা অন্তলৈকে শিক্ষাৰ বিষয় কৰিব লাগিব। সভামণ্ডপ সজা, আৱশ্যক

বস্তু সংগ্ৰহ কৰা আদি অভ্যৰ্থনাৰ সকলো কামৰ মাজেদি নিজৰ ঠাই খনৰ বস্তু-বেহানি, মানুহ-দুনুহ সম্বন্ধে জ্ঞান দিব পাৰি। লৰাবিলাকৰ নেতৃত্ব, কৰ্ত্তব্যপৰায়ণতা, দায়িত্ব বোধ, সজ্ঘ চেতনা, সমাজিক ৰুচি, আচাৰ-ব্যৱহাৰ আদি সম্বন্ধে শিক্ষা দানৰ এই এটা সুন্দৰ সুবিধা যিটো সুবিধা স্কুলৰ চাৰি বেৰৰ মাজত আৰু স্কুলতো পোৱা নাযায়। ধৰি লওক, লৰা- ছাত্ৰীবিলাকে ফুল, গছ-পাত আদি লৈ সভাঘৰ শোভন কৰিবলৈ লৈছে। তাৰ মাজেদি তেওঁলোকৰ সৌন্দৰ্য্য বোধ, বৰ্ণ জ্ঞান আদিৰ সুন্দৰ প্ৰকাশ পায়। পৰ্য্যবেক্ষণ কৰিলে, সেইবোধৰ প্ৰকাৰ আৰু গভীৰতা উপলব্ধি কৰিব পাৰি আৰু তাৰ বিকাশত সহায় কৰিব পাৰি।

সভাঘৰ বিলাক টিনৰ নহলে বৰ বেছি ওখ কৰিব নালাগে। বহাৰ যতন কঠ, চাৰি আদি আসন বা সৰু সৰু বেঞ্চ আদি হলেই বেছি ভাল। ডাঙৰ চকী, ওখ আসন ব্যৱহাৰ কৰিব নালাগে। সভাপতিৰ কাৰণে যি মঞ্চ সজা হয়, লৰাবিলাকৰ অনুপাতে চাপৰ হব লাগে। দৰ্শকৰ প্ৰথম শাৰীৰ পৰা এই মঞ্চ বেছি আতৰত হব নালাগে, আৰু মঞ্চত বয়সীয়া লোকৰ ভিতৰত সম্মানিত অতিথি গৰাকী আৰু মেলৰ ঘাই পৰিচালকৰ বাহিৰে অন্য কোনো বয়সীয়া লোক থাকিব নালাগে।

মেলৰ সম্মানিত অতিথি ( Guest of honour ) ৰ বাহিৰে আন কোনো বয়সীয়া লোকেই বিশেষ আসন লব

নোৱাৰিব। অর্থাৎ সভাপতি, নির্দ্দিষ্ট বক্তা, উদ্বোধক আদি বিশেষ দায়িত্ববোৰ লৰাইঁতকে দিব লাগিব। যিমানেই ডাঙৰ সন্মানীয় লোক আমন্ত্রিত হৈ সভাত উপস্থিত থাকক তেওঁৰ উপস্থিতিয়ে লৰা-ছোৱালীবিলাকক বা লৰা-ছোৱালীৰ কাম বিলাকক কেতিয়াও নিষ্প্রভ কৰিবলৈ দিব নালাগে।

ওপৰত মইনা মেলৰ অধিবেশন কিটো উদ্দেশ্যে, কেনেকৈ পাতিব লাগে তাৰে চমু আভাস দিয়া হৈছে। এই ভাবেৰে অধিবেশনৰ লগত খেল-ধেমালিৰ প্রতিযোগিতা, কুচ-কাৱাজ, পতাকা উত্তোলন, প্রদর্শনী, বিচিত্রানুষ্ঠান লৰাৰ দ্বাৰা, লৰাৰ কাৰণে শিক্ষাপ্রদ ভাবে পৰিচালনা কৰিব লাগে। মুঠতে, কি মইনা মেলৰ অধিবেশন, কি প্রীতি-সন্মিলন, কি তিথি-উৎসৱ, কি বন-ভোজ, লৰা-ছোৱালীৰ যি কোনো আমোদ-প্রমোদমূলক সামাজিক অনুষ্ঠানকে শিক্ষাদানৰ এটা প্রজেক্ট বা পৰিকল্পনা হিচাবে লব লাগে। এই উৎসৱ-অনুষ্ঠান-বিলাক আদিৰে পৰা অন্তলৈকে এনেদৰে পাতিব লাগে যাতে সেইবিলাকৰ প্রত্যেকটো কামেই লৰা-ছোৱালীবিলাকৰ শিক্ষালাভত বুদ্ধি-বৃত্তিৰ বিকাশত অলপ নহয় অলপ সহায় কৰে।

# যৌৱনৰ সূচনাত লৰা-ছোৱালীৰে ভাৱগতি কেনে হয়

মানুহৰ জীৱনৰ ১৪ পৰা ১৮ বছৰলৈকে এই কাল-ছোৱা অতি গুৰুত্বপূৰ্ণ। এই সময় ছোৱাত লৰা-ছোৱালী বিলাক অতি ভাবপ্ৰৱণ হয়। এই ছোৱাত—এই বয়ঃসন্ধিৰ মুহূৰ্ত্তজেদি মানুহৰ মনোজগতত যি এটা স্থায়ী ধাৰণা গঢ় লৈ উঠে সেয়ে মানুহক গোটেই জীৱনত নিয়ন্ত্ৰিত কৰে।

যৌৱনৰ সূচনা লৰাৰ ১৪ বছৰ মানৰ পৰাই হয়। ছোৱালীৰ যৌৱন লৰাতকৈ অলপ আগৰে পৰা আৰম্ভ হয় অৰ্থাৎ প্ৰায় ১২ বছৰ মানৰ পৰা। যৌৱন-সূচনাৰ এই বয়স-সীমা সাধাৰণ মতেহে ধৰা হৈছে। জলবায়ু, পাৰিবাৰিক অৱস্থা আৰু লালন-পালনৰ ওপৰতো যৌৱন-সূচনাৰ সময় কিছু নিৰ্ভৰ কৰে। জহ প্ৰধান ঠাইত যৌৱন-সূচনাৰ সময় অলপ আগবাঢ়িব পাৰে। সেইদৰে, সৰুৰে পৰা দুখ-কষ্টত উঠিব আৰু কম বয়সতে জীৱন-সংগ্ৰামত প্ৰবৃত্ত হব লগীয়া হলেও, যৌৱন-সূচনা অলপ আগতে হয়। শীত প্ৰধান ঠাইত থকা আৰু সুখত লালিত-পালিত হোৱা লৰা-ছোৱালীৰ জীৱনত যৌৱন-সূচনা অলপ পলমকৈ হয়। যি কি নহওক, এই বয়সত ছোৱালীৰ ক্ষেত্ৰত ৰেতঃ বা তেজ আৰু লৰাৰ ক্ষেত্ৰত বীৰ্য্যৰ সঞ্চাৰ হয়। বাৰিষা ফেনে-ফোটোকাৰে বাঢ়ি অহা বান পানীয়ে নৈ ওফোন্দাই পেলাই, নৈৰ দুয়ো কাষ

ঠাই-ঠুৰাই, পলম পেলাই যেনেকৈ সাৰুৱা কৰে সেইদৰে ছোৱালীৰ ক্ষেত্ৰত তেজ আৰু লৰাৰ ক্ষেত্ৰত বীৰ্য্যই তেওঁলোকৰ শৰীৰৰ শিৰাই শিৰাই অঙ্গে অঙ্গে নতুন শক্তিৰ সঞ্চাৰ কৰি, শৰীৰৰ বৃদ্ধি দ্ৰুততৰ কৰি, লৰা-ছোৱালীক চাঞ্চল্যময় কৰি তোলে। সিহঁতে নিজেই এই হঠাৎ শক্তি সঞ্চাৰ, কায়িক পৰিপুষ্টিৰ নতুন ভাব-গতিত আচৰিত হৈ পৰে আৰু ইয়াৰ কাৰণ একো বুজিব নোৱাৰি শঙ্কিত হৈ উঠে। এই কথা লৰাৰ ক্ষেত্ৰতকৈ ছোৱালীৰ ক্ষেত্ৰত অলপ বেছি হয়। কাৰণ লৰাই মুকলি ভাবেৰে ফুৰা-চকা কৰি কিছু কথা জানিবলৈ যিমান সুবিধা পায়, ছোৱালীয়ে সিমান নাপায়। ছোৱালীৰ যৌৱন প্ৰাপ্তিৰ লগে লগেই আগৰ দৰে সিহঁতক ফুৰা-চকা কৰিবলৈ নিদি হঠাৎ আবুৰকৈ ৰখাৰ কাৰণেও সিহঁতৰ ভিতৰত শঙ্কা, উদ্বিগ্নতা বেছি হয়।

যৌৱনৰ আৰম্ভণিৰ লগেলগে লৰা-ছোৱালীবিলাক কিছু অন্তৰ্মুখী ( Introvert ) হৈ পৰে, তেতিয়া সিহঁতে বহিৰ্জগতৰ কথাতকৈ নিজৰ ভাব-গতি, আবেগ-অনুৰাগ লৈ ব্যস্ত থাকে। নতুন শক্তিৰ সঞ্চাৰৰ লগে লগে সিহঁতৰ ভাৱপ্ৰৱণতা বৃদ্ধি পায়। সিহঁতৰ মনৰ থৌকি-বাথৌকি অৱস্থাৰ কাৰণে কোনো স্থিৰতা নোহোৱা হৈ পৰে। কোনো সময়ত যদিও চঞ্চল হৈ থাকে আন এসময়ত বৰ বিষাদ মগ্ন হৈ পৰে। এই সময়ত সিহঁতৰ ভাববোৰ বুজিবলৈ টান হৈ পৰে। সিহঁতে নিজে নিজৰ ভাব-চেতনাকে লৈ ব্যস্ত থকা কাৰণে সিহঁতৰ কালেই সকলোৰে

দৃষ্টি আকৰ্ষিত হৈছে বুলি সন্দেহ কৰে, আৰু সেই কাৰণেই এই অৱস্থাত সিহঁত বৰ লাজুক হৈ পৰে। সিহঁতে অনেক সময়ত চিন্তাযুক্ত হৈ থাকোঁতে নিজৰ বেশ-ভূষণৰ প্ৰতি অমনোযোগী হৈ পৰে। যেতিয়া সিহঁত আনন্দত থাকে তেতিয়া সিহঁতে নিজকে সজাই পৰাই শুৱনী কৰিবলৈ চায়। আমাৰ অনেক অভিভাৱকে বা ওচৰ-চুবুৰীয়া লোকে লৰা-ছোৱালীৰ এই বয়সত আত্ম-প্ৰেমৰ বাবে ভাল কানি-কাপোৰ পিন্ধিলে, প্ৰসাধন সানিলে সিহঁতক আপচু কথাৰে নিন্দা কৰে। এইটো বৰ অন্যায় কথা।

১০ বছৰৰ মানৰ পৰাই লৰা-ছোৱালীয়ে একে লগে খেমালি কৰিবলৈ ভাল নোপোৱা হয়। (মইনা মেল পৰিচালনা সম্পৰ্কত এই বিষয়ে আগতে কৈ অহা হৈছে।) লৰাই ছোৱালীৰ সঙ্গত আৰু ছোৱালীয়ে লৰাৰ সঙ্গত ফুৰিবৰ অনিচ্ছা যৌৱনৰ আৰম্ভৰ পাচতো প্ৰায় ১৬ বছৰ মান বয়সলৈকে থাকে। যৌৱন আৰম্ভণিৰ লগে লগে প্ৰায় ১৪ বছৰ মানৰ পৰা পৰস্পৰে পৰস্পৰক জানিবলৈ কৌতূহলতাৰ ভাব হয় যদিও লৰাই লৰাৰ লগত আৰু ছোৱালীয়ে ছোৱালীৰ লগতহে থাকিবলৈ বেছিকৈ বিচাৰে। আমাৰ সমাজত সামাজিক নিয়ম অনুসাৰে এই কাল ছোৱাৰ পৰাই লৰা-ছোৱালীক একে লগে মুকলি ভাবে মিলামিছা কৰিবলৈ দিয়া নহয়। বাধাহীন ভাবে লৰা-ছোৱালীক অবাচিত মিলা মিছা কৰিবলৈ দিয়া আমাৰ সমাজৰ বৰ্ত্তমান

অৱস্থাত উচিত যেনেকৈ নহয়, ঠিক সেইদৰে কিছু নিয়মত ৰাখি মিলা-মিছা কৰিবলৈ সুবিধা নিদিয়াটোও উচিত নহয়,— অন্ততঃ যৌনতত্ত্ব সম্পৰ্কে বিকৃত ধাৰণা বিলাক গুচাই মানসিক স্বাস্থ্য ৰক্ষা কৰিবলৈকে।

আমাৰ সমাজত লৰা-ছোৱালী বিলাকে মাক-বাপেক বা অন্য বিশ্বস্ত বয়সস্থ লোকৰ পৰা যৌনতত্ত্ব সম্পৰ্কে জানিবৰ কোনো সুবিধা নাপায়; সেইকাৰণে লৰা আৰু ছোৱালীয়ে নিজৰ দৈহিক পৰিবৰ্ত্তন আৰু মানসিক সমস্যা সম্পৰ্কে যি কোনো উপায়েৰে জানিবৰ নিমিত্তে চেষ্টা কৰে। এনে সময়ত অনেক নিম্ন খাপৰ চৰিত্ৰহীন লোকৰ পৰা এই বিলাকৰ বিষয়ে বুজ লয়। ছোৱালীয়ে বৰকৈ সুবিধা নাপায় কাৰণে নকৰে, কিন্তু লৰাই লগৰ চাৰি পাচোঁটা মান লৰাৰে সৈতে গোট খাই আঁৰত বা আঁতৰত এই বিষয়ৰ ফুচফুচীয়া মেল পাতে। এনে সময়ত লৰাক ভৎস´না কৰা কটুকাটব্য কৰাটো বৰ ঠিক নহয়। বিশেষতঃ এই সময়ত ছোৱালীৰ লগত ছোৱালীৰ আৰু লৰাৰ লগত লৰাৰ গভীৰ অনুৰাগবশতঃ বন্ধুত্বৰ হেপাহ বেছি হয়। এই অনুৰাগ একে প্ৰকাৰৰ যৌনাকৰ্ষণেই। এই সময়ৰ কিছুমানৰ বন্ধুত্বই জীৱন জুৰি স্থায়ী হয়। কাৰণ এই বন্ধুত্বৰ গুৰিত পাৰস্পৰিক স্বাৰ্থ নাই, আছে যৌনাকৰ্ষণমূলক অনুৰাগহে।

এই কালছোৱাত লৰাই লৰাতকৈ বয়সীয়া বায়েক, নবৌয়েক, মাহীয়েক আদিৰ মৰম পাবলৈ বৰ হেপাহ কৰে।

এই মৰমো সক লৰাই বিচৰা মৰম নহয়। ই যৌনাকৰ্ষণ মূলক অনুৰাগ। সেইদৰে ছোৱালীয়েও তাইতকৈ বয়সীয়া আপোন আৰু আত্মীয় ককায়েকইঁতৰ মৰম পাবলৈ বৰ হেপাহ কৰে। এই সময়ত লৰাই বায়েক বা বায়েকৰ তুল্য আৰু ছোৱালীয়ে ককায়েক বা ককায়েকৰ তুল্য আত্মীয়ক মৰমৰ কাৰণে বেছি আশ্বাস কৰে। বয়সীয়া সকলে তেওঁলোকতকৈ সৰুসকলক এই সুযোগত যৌন সম্পৰ্কীয় সমস্যাৰ বিষয়ে বৈজ্ঞানিক ভাৱে বুজাই দিব পাৰে। এখন সহানুভূতিশীল সুৰুচিসম্পন্ন ঘৰ, সৎ সঙ্গ, আদৰ্শ স্থানীয় নেতৃ লোকৰ সান্নিধ্য, সজ আলোচনা, মহাপুৰুষৰ চৰিত্ত পাঠ, সমাজ সেৱামূলক কামে যৌৱন অৱস্থা প্ৰাপ্ত লৰা-ছোৱালীক সুস্থিৰ কৰি ৰখাত অশেষ সহায় কৰে।

# অপৰাধপ্ৰৱণ হোৱাৰ কাৰণ কি (১)

মাক-দেউতাকহঁতে শান্ত লৰা-ছোৱালী বেছি ভাল নাপায় বুলিলে শুনিবলৈ কেনেবা যেন লাগিব। কিন্তু কথাটো সঁচা। তেওঁলোকে শান্ত শিষ্ট লৰা-ছোৱালীতকৈ 'দুষ্ট বা উৎপতীয়া' ধৰণৰ লৰা-ছোৱালী বেছি ভাল পায়। ঘৰলৈ ফুৰিব-চাকিবলৈ অহা মানুহৰ আগত মাক-দেউতাকে নিজৰ লৰা-ছোৱালীৰ উতলালিৰ কথা উল্লেখ কৰি 'খটাসুৰ' আদি

আখ্যা দি লৰাটোৰ বিষয়ে যিমান কথা কয়, লৰাটোৰ শান্ত-শিষ্ট গুণৰ বিষয়ে সিমান নকয়। এই প্ৰসঙ্গত কৃষ্ণ-যশোদাৰ কথা উল্লেখ কৰিব পাৰি। যশোদাই শিশু কৃষ্ণৰ উন্ডগুলিৰ বিষয়ে গোপীসকলৰ আগত যিমান বদগুণ গায়, তেওঁৰ বাল্য অৱস্থাতে প্ৰকটিত বীৰত্ব আৰু মহত্ত্বৰ উল্লেখ কৰি সিমান গুণ-গান নকৰে। কিন্তু মাক-বাপেকে নিজৰ লৰাৰ দুষ্টালি বা উন্ডগুলিৰ কথা নিজেহে কৰলৈ বিচাৰে। গোপীসকলে শিশু কৃষ্ণৰ দুষ্টালিৰ কথা কলে যশোদাই বেয়া পায়। সেই ধৰণেৰে অন্যলোকে লৰা-ছোৱালীৰ দুষ্টালিৰ কথা কলে মাক-বাপেকহঁতে সহিব নোৱাৰে।

মানুহে যদি হকে-বিহকে কোনো লৰাক মিছলীয়া, দগাবাজ, আধাকটা আদি বুলি সদায় দুৰ্ণাম ৰতি ফুৰে তেনেহলে সেই লৰাটো প্ৰকৃততে দুষ্ট, আধাকটা নহলেও দুষ্ট হয়; প্ৰকৃততে মিছলীয়া নহলেও মিছলীয়া হয়। মাক-বাপেকে যেতিয়াই অন্য মানুহৰ আগত লৰাটোৰ দুষ্টালিৰ কথা কৰলৈ ধৰে, তেতিয়া সি প্ৰকৃততে দুষ্ট নহলেও দুষ্টালি কৰিবলৈ ধৰে। কাৰণ, সি সেই দুষ্টালি কৰিয়েই বিপৰীত প্ৰকাৰে আত্মবিস্তাৰ প্ৰবৃত্তিৰ পৰিতৃপ্তি লাভ কৰে। লৰা-ছোৱালীয়ে অন্য কাৰণেও সকতে দুষ্টালি কৰিব পাৰে। অকণমানি ভনী এজনী বা ভাই এটা হোৱাৰ পাছত লৰাটোৱে যেতিয়া দেখিবলৈ পায় যে, এতিয়া মাক-বাপেকে তাতকৈও তাৰ ভায়েক-ভনীয়েকলৈ বেছি মনযোগ দিছে,

সি তেতিয়া মনে মনে বিক্ষুব্ধ হয়। সি, যেনেকৈয়ে হওক, ভনীয়েক বা ভায়েকৰ পৰা মাক-বাপেকৰ মনযোগ আঁতৰাই তালৈ আনিবলৈ বিচাৰে। এই কাৰণে আৰু মাক-বাপেকৰ পক্ষপাতিতামূলক ব্যৱহাৰৰ প্ৰতিবাদ কৰিবৰ কাৰণে সি উৎপাত কৰিবলৈ লয়। অনেক সময়ত মাক-বাপেকে এনে ধৰণৰ দুষ্টালিত বেয়া নাপায়, আনৰ আগত তাৰ কথা কৈ 'গৌৰৱ'বোধ কৰে। ইয়াৰ কাৰণ হল—তেওঁলোকে অপত্য স্নেহৰ মহিমা দেখুৱাবলৈ পোৱা বেছি সুবিধা। লৰা-ছোৱালীয়ে তাৰ পাছত ভায়েক এটা বা ভনীয়েক এজনী হলেই যে দুষ্টালি কৰে এনে নহয়। শিশু কৃষ্ণৰ দৰে বিপৰীত ভাৱে মাক-বাপেকৰ পৰা বেছি মৰম-চেনেহ আদায় কৰিবলৈও দুষ্টালি কৰে।

( ২ )

যৌৱনৰ খিছোৱা আগলি সময় অৰ্থাৎ ১৪ বছৰৰ পৰা ১৮ বছৰলৈকে এই কালছোৱাৰ ভিতৰত লৰা-ছোৱালীৰ ভিতৰত অপৰাধপ্ৰৱণতা বেছিকৈ দেখা যায়। ইয়াৰ কাৰণ কি? আগৰ এটা অধ্যায়ত আলোচনা কৰি দেখুৱা হৈছে যে, এই কালছোৱাত তেজ, বীৰ্য্য, কায়িক পৰিবৰ্দ্ধন আৰু পৰিবৰ্ত্তনে ভাৱপ্ৰৱণতা এনে দৰে বৃদ্ধি কৰে যে লৰা ছোৱালীবিলাকে সামাজিক আৰু পাৰিবাৰিক পাৰি-পাৰ্শ্বিকতাত নিজকে খাপ খুৱাব নোৱাৰা হয়। সিহঁতৰ [illegible] যি নতুন পৰিবৰ্ত্তন হয়, সিয়েই আগৰ [illegible]

খাপ নোখোৱা কৰে। এনে অৱস্থাত যি মানসিক সংঘৰ্ষ হয়, তাৰ ফলতে সিহঁতে অনেক অপৰাধমূলক কাম কৰি পেলায়। মানসিক পুষ্টিহীনতা বা নিৰ্ব্বোধিতাৰ কাৰণেও মানুহে অপৰাধমূলক কাম কৰে। লৰা-ছোৱালীয়ে এই বয়সত যি অপৰাধমূলক কাম কৰে তাৰ কাৰণে বিকৃত যৌন অনুভূতিয়েই ঘাইকৈ দায়ী। এই কাল ছোৱাত লৰা-ছোৱালীয়ে শৈশৱ কালৰ দৰে স্বাধীন ভাৱে ফুৰিবৰ হেপাহ হেৰুৱাই মাক-বাপেকৰ দৰে পৰমাত্মীয়ৰ মৰমৰ অধীনতাত চলি-বলৈ হাবিয়াস কৰে। কিন্তু সৰুতে যি আত্মপ্ৰেমৰ কাৰণে মাক-বাপেক বা বয়সীয়া সকলৰ আদৰ-যত্ন লবলৈ বিচাৰিছিল এতিয়া সেই আত্মপ্ৰেম যৌন অনুভূতিজনিত হোৱাত মাক-বাপেকে সিহঁতক শিশুৰ ধৰণেৰে গ্ৰহণ কৰিব নোৱাৰা হয়। এই হেতুকে অনেক লৰা-ছোৱালী মাক-বাপেক—ঘৰৰ প্ৰতি বিদ্ৰোহী হৈ উঠে। এই মানসিক সংঘাতৰ ফলত সিহঁতে কিনো কাৰণে অপৰাধ কৰে, অনেক সময়ত নিজেই কব নোৱাৰে। এই সময়ত সিহঁতে সাধাৰণতে ঘৰৰ পৰা পলাই যাবলৈ বিচাৰে। এই পলায়নৰ গুৰিতেই বিৰক্তি লাগি আঁতৰ হৈ যোৱাৰ মনোভাব। এই অথিৰ অৱিৰ অৱস্থাত সহজে দুষ্ট মানুহৰ সঙ্গত পৰে আৰু যৌন অনু-ভূতিৰ পৰিতৃপ্তিৰ কাৰণে অস্বাভাৱিক অপৰাধ কৰে। মাক-বাপেক আৰু ঘৰৰ প্ৰতি এই বিৰোধক্ৰমে সমাজলৈ সংক্ৰমিত হয়। সিহঁতে এই অৱস্থাত আলি-পদূলিয়ে একোটা দল

ৰাদ্ধি সমাজে নিষেধ কৰা কাম কৰিবলৈ যায়। আলিয়ে পদূলিয়ে দুই চাৰিটা লৰাই জুম বান্ধি বা আড্ডাত বহি সামাজিক কৰ্তৃত্বৰ বিৰুদ্ধে সমালোচনা কৰে। ঘৰত বা সমাজত যিবিলাক কথা আপচু বা অশ্লীল বুলি নিন্দনীয় হয় সেইবিলাক কথা দেখা শুনাকৈ আৰু ঠাৰ-ঠিঁয়াৰে লৰাবিলাকে বাটে-পথে কৈ পাতি-মেলি সমাজৰ অৰ্থাৎ অভিভাৱকসকলৰ প্ৰতি অৱজ্ঞা প্ৰকাশ কৰে। এই সময়ত লোকৰ বস্তু চুৰ কৰিবলৈ এটা প্ৰণোদিত হাবিয়াস জন্মে। এই চুৰ কৰাৰ গুৰিত বয়সীয়া চোৰৰ দৰে বস্তু আত্মসাৎ বা অপহৰণৰ প্ৰবৃত্তি বিশেষ নাথাকে। টিকেট নোহোৱাকৈ ৰেল-মটৰত ভ্ৰমণ কৰা, দোকানীক ঠগা আৰু লাইব্ৰেৰী বা দোকানৰ পৰা কিতাপ চুৰ কৰি অনাতো অপহৰণৰ প্ৰবৃত্তি বেছি প্ৰবল নাথাকে। পিতৃ স্বৰূপ সমাজৰ বিৰুদ্ধে যোৱাৰ ইচ্ছা আৰু অতৃপ্ত হৈ থকা যৌন অনুভূতিৰ বিকৃত তৃপ্তি সাধনৰ হেপাহেই এই চুৰিৰ মূলৰ কথা। মনো-বিশ্লেষণকাৰী সকলে এই চুৰ কৰি অনা বস্তু বিলাকৰ মাজত যৌনানুভূতিৰ প্ৰতীক দেখিবলৈ পায়।

এই অপৰাধপ্ৰৱণ লৰা-ছোৱালী বিলাকৰ শোধন কৰিবৰ উপায় কি? আগৰ দিনত আশ্ৰম বিলাকত আৰু এতিয়াও কিছুমান আবাসিক শিক্ষানুষ্ঠানত লৰা-ছোৱালী বিলাকক কামত ব্যস্ত ৰাখে। কামত মগ্ন হৈ থাকিলে সিহঁতৰ মনৰ সংঘাতৰ কথা মনত পেলাবলৈ অৱসৰ নোপায়। সিহঁতে ঘৰত আৰু পৰিয়ালৰ মাজত মানসিক নিৰাপত্তা অনুভৱ

কৰিবলৈ সময় নেপায়। এই বয়সত লৰা ছোৱালীবিলাকক কামত ব্যস্ত ৰখা নিয়ম বেয়া নহয়; কিন্তু এয়ে যথেষ্ট নহয়। সিহঁতৰ এই সময়ৰ মানসিক সংঘাত বিলাক সহানুভূতিৰে পৰ্য্যবেক্ষণ কৰি সিহঁতৰ ভাৱপ্ৰৱণতাক আনন্দময় সজ কাৰ্য্যত নিয়োজিত কৰিবলৈ সুবিধা দিব লাগে। এই সময়ত শক্তিশালী হৈ পৰা প্ৰবৃত্তিবিলাকক মহতীকৃত অৰ্থাৎ উচ্চ স্তৰলৈ উন্নীত কৰিবৰ সুবিধা দিব লাগে। নৃত্য-গীত-সাহিত্য আদি সুকুমাৰ কলাৰ সুনিয়ন্ত্ৰিত চৰ্চ্চা কৰিবলৈ দিব লাগে। আদৰ্শমূলক কামত ব্যাপৃত ৰাখিব পাৰিলে এই বয়সত ভাল ফল পোৱা যায়। মুকলি মেলা, শিক্ষা ভ্ৰমণ আদি এই সময়ত বিশেষ উপযোগী। অভিভাৱক আৰু শিক্ষকে মৰম সহানুভূতিৰে লৰা-ছোৱালীক বিশ্বাসত লৈ পাৰিবাৰিক আৰু সামাজিক সম্বন্ধৰ লগতে সিহঁতৰ অনুভূতি, সিহঁতৰ ইচ্ছা, আদৰ্শ আৰু ব্যক্তিত্বৰ সামঞ্জস্য ঘটাবলৈ চেষ্টা কৰা উচিত।

## চৰিত্ৰৰ সংজ্ঞা তাতকৈ বহলকৈ ধৰিব

শিক্ষাৰ এটা ডাঙৰ উদ্দেশ্য হৈছে চৰিত্ৰ গঠন। চৰিত্ৰ সম্পৰ্কে আমাৰ [illegible] এটা সংকীৰ্ণ ধাৰণা আছে। চৰিত্ৰৰ সংজ্ঞা ঠেক [illegible] কাৰণ হয়তো 'আমাৰ' [illegible] দিনীয়া পৰাধীনতা হ'ব পাৰে। [illegible] মানুহ [illegible] কাম

এটা কৰিবলৈ দিলে তেওঁ নিয়মমতে সম্পন্ন কৰে। তেওঁ বন্ধু-বান্ধৱৰ বিপদ-আপদত বৰ সহায়কাৰী। কিন্তু যদি তেওঁ নিয়মীয়াকৈ মদ্য পান কৰে তেন্তে তেওঁৰ সেই একেটা বদ গুণৰ কাৰণে তেওঁক আমি বেয়া চৰিত্ৰৰ মানুহ বুলি কওঁ। এজন মানুহ সৎসাহসী, পৰোপকাৰী। যদি তেওঁ অসবৰ্ণ বিবাহ কৰে তেন্তে সেই কাৰণেই আমি তেওঁৰ চৰিত্ৰও বেয়া বুলি কওঁ। যদি এজন এলেহুৱা, মানুহে কথা দি কথা ৰাখিব নোৱাৰে, ওচৰ চুবুৰীয়াৰ বিপদ-আপদতো সহায় সাৰথি নকৰে, আৰু যদি তেওঁ মদ-কানি নাখাই নিজৰ ঘৰতে কাৰো একো নকৰাকৈ আবদ্ধ থাকে তেনেহলে তেওঁৰ চৰিত্ৰক আমি বেয়া বুলি নকওঁ। বাৰ্ট্ৰেণ্ড ৰাছেলে উল্লেখ কৰা এটা উদাহৰণৰ কথা কওঁ।—এজন পুৰোহিতে তেওঁৰ পূজা সেৱা আদি ধৰ্ম্ম সম্বন্ধীয় লৌকিক আচাৰ বৰ নিষ্ঠাৰে পালন কৰে। কিন্তু তেওঁৰ অসংযমৰ কাৰণে তেওঁৰ তিৰোতা গৰাকী ঘন পোৱাতী হৈ শেহত প্ৰসূতি ৰোগত জীয়াতু ভুগি অকালত মৰিব লগা হয়। তথাপি পুৰোহিত জনক কোনেও চৰিত্ৰৰ বেয়া বুলি নকয়। এই কথা বোৰ বহলাই কোৱাৰ উদ্দেশ্য এইটোৱেই যে, কেৱল মদ খোৱা, কেতিয়াবা কাচিত যৌন উচ্ছৃঙ্খলতা দেখুৱা বা দুই-এটা আচাৰ বহিৰ্ভূত কাম কৰাই চৰিত্ৰহীনতা নহয়। মিছা-কথা কোৱা, কথা দি কথা নৰখা, কাপুৰুষতা, অলসতা, সমাজ চেতনাহীনতা আদি বিলাকো চৰিত্ৰৰ ডাঙৰ দোষ।

চৰিত্ৰ হল কিছুমান অভ্যাসৰ সমষ্টি। মানুহৰ একো একোটা সহজাত প্ৰবৃত্তি বা ভাব ( Sentiment ) ৰ তাগিদাত সঘনে কৰা পৰিতৃপ্তিৰ চেষ্টাকে একো একোটা অভ্যাস বুলিব পাৰি।

এজন মানুহে নাও বাবলৈ ভাল পায়।—অৰ্থাৎ তেওঁ অন্যান্য কামতকৈ নাও বোৱাত তেওঁ লগৰীয়া বোৰৰ মাজত কৃতিত্ব দেখুৱাই আত্ম-গৌৰব বোধৰ তৃপ্তি পাব পাৰে। তেওঁ আত্ম-গৌৰৱ বোধৰ পৰিতৃপ্তিৰ কাৰণে চেষ্টা কৰোঁতে তেওঁৰ নাও বোৱাৰ অভ্যাস গঢ়ি উঠিব পাৰে। এজন লৰাই মানুহ এজনৰ পৰা তেওঁৰ আশা-আকাঙ্ক্ষাৰ প্ৰতি সহানুভূতিশীল মনোভাৱ দেখি আৰু প্ৰতিষ্ঠা লাভৰ আশ্বাস পাই, মানুহ জনৰ ঘৰলৈ সততে যায় আৰু এই দৰে যাওঁতে যাওঁতে আপোনাআপুনি সেই ফালে যোৱাৰ এটা অভ্যাস হৈ উঠে। সৰুৰে পৰা যদি অভ্যাসবিলাক সৎ হৈ গঢ়ি উঠে তেতিয়া হলে মানুহ বিলাক চৰিত্ৰবান হয়।

চৰিত্ৰ গঠনৰ লগত আৰু এটা লক্ষ্য কৰিব লগীয়া বিষয় আছে। মানুহৰ লোভ, মোহ, ক্ৰোধ আদি যিবিলাক ৰিপুৰ কথা কওঁ সেইবিলাক বেয়া বুলি কব নোৱাৰি। ৰিপুবিলাক সজ বা অসজ নহয়। সেই বিলাক নিৰপেক্ষ। ৰিপু বিলাক অপকৰ্ষণৰ ফলত বেয়া আৰু উৎকৰ্ষণৰ ফলত ভাল হয়। শিক্ষাৰ উদ্দেশ্য হৈছে এই ৰিপু বিলাকৰ মহত্তীকৰণ আৰু উন্নতীকৰণ। ৰিপুবিলাক হৈছে মানুহৰ কৰ্ম্মৰ

প্ৰেৰণা বা যন্ত্ৰ। সেই বিলাকৰ সহায় নহলে মানুহে সৎ বা অসৎ একো কৰিব নোৱাৰে।

ৰামকৃষ্ণ পৰমহংসদেৱে দিয়া এটা উদাহৰণৰ পৰা কথাটো ভালকৈ বুজিব পাৰি। এজন সন্যাসীয়ে এটা ক্ৰুৰ ফেঁটী সাপক পৰজন্মৰ কল্যাণৰ কাৰণে হিংসা বা ক্ৰোধৰ ভাব ত্যাগ কৰিবলৈ উপদেশ দিলে। সাপেও সেই কথা শুনি কোনো ক্ৰোধ নকৰা হ'ল। এই সুযোগতে বাটৰ লৰাই উঁই হাফলুত থকা সাপটোলৈ দলিয়াই বেয়া ৰকমে আঘাত কৰে। সাপটোৱে পাচত গুৰুক লগ পাই নিজৰ দুৰ্দ্দশাৰ কথা কলে। তেতিয়া গুৰুৱে কলে যে, তেওঁ ক্ৰোধ ভাব ত্যাগ কৰিবলৈ কৈছে যদিও ক্ৰোধ ভাব দেখুৱাই তাক ফোঁচ ফোঁচ কৰিবলৈ হাক দিয়া নাই। সাপটোৱে ফোঁচ ফোঁচ কৰাহেঁতেনেই লৰাই দলিয়াবলৈ কেতিয়াও সাহ নকৰে। মানুহক চৰিত্ৰবান কৰি মহৎ কৰিবলৈ হলে ৰিপু বিলাকক দমাই কণ-কঠীয়া মাৰিলে নহব; সেইবিলাকক মহত্তীকৃতহে কৰিব লাগিব। মানুহৰ অন্তৰত যি প্ৰেম (Passion of love) আছে ইয়াক কায়িক বা পাশৱিক প্ৰেমৰ স্তৰলৈ নি স্থায়ী নকৰি দেশপ্ৰেম, স্বজাতিপ্ৰেম, সত্য-প্ৰিয়তা আৰু ভগবদ্প্ৰেমলৈ উন্নীত কৰিব পাৰি।

চৰিত্ৰ গঠন প্ৰচেষ্টাৰ ঘাই হল মানুহৰ আত্মসন্মান-বোধ বা আত্মবোধ। মানুহৰ যত বিশাক প্ৰবৃত্তি, প্ৰক্ষোভ, স্থায়ী অনুভূতি আছে সেই আটাই বিলাকে

কেন্দ্র কৰে আত্মবোধ এই ঘাই প্রবৃত্তিটোৰ ওপৰত। সেই কাৰণে প্রত্যেক লৰা-ছোৱালীকে আত্মবোধৰ এটা স্পষ্ট জ্ঞান হবলৈ দিব লাগিব। আত্মবোধৰ সক্রিয় প্রকাশ আত্ম-সন্মান বোধত। লৰা-ছোৱালীৰ সৰুৰে পৰা আত্ম-সন্মানবোধ জাগৰূক কৰিবলৈ আৰু শক্তিশালী কৰি ৰাখিবলৈ চেষ্টা কৰিব লাগিব। কিন্তু, ইয়াৰ লগতে এইটোও মন কৰিব লাগিব যাতে, আত্ম-সন্মানবোধ বিকৃত হৈ অহমিকা বা অহঙ্কাৰ ভাবত পৰিণত নহয় গৈ। কোনো লৰা-ছোৱালীৰ প্রতি মৰমৰ আতিশয্যত হকতো আৰু অহকতো তাক বা তাইক ন্যায়ৰ মৰ্য্যাদা দি থাকিলে নাইবা সমনীয়া আন আন লৰা-ছোৱালীৰ লগত মিলা-মিছাৰ সুযোগ-সুবিধা নিদি কোনো লৰা-ছোৱালীক প্রায় অকলশৰীয়া অৱস্থাত সদায় সমালোচনাৰ সন্মুখীন নোহোৱাকৈ ৰাখিলে, পিচত সেই লৰা-ছোৱালী অতি মাত্রিক ন্যায় বা আত্মসন্মানবোধৰ ফলত মইবৰ বা অহঙ্কাৰী হৈ উঠে।

আমাৰ স্কুলবোৰত চৰিত্র গঠনত এটা ডাঙৰ কথা আওহেলা কৰা হৈছে। সেইটো হৈছে লৰাৰ ইচ্ছা-শক্তি। মানুহৰ মনৰ তিনিটা শক্তি আছে—চিন্তা শক্তি, অনুভৱ শক্তি আৰু ইচ্ছা শক্তি। আমাৰ স্কুল বিলাকত চিন্তা শক্তিৰ উৎকৰ্ষণৰ ওপৰতে আটাইতকৈ বেছি গুৰুত্ব দিয়া হয়। তাতকৈ কমকৈ জোৰ দিয়া হয় অনুভৱ-শক্তিত। কিন্তু ইচ্ছা শক্তিৰ উৎকৰ্ষণৰ ওপৰত কোনো গুৰুত্বই দিয়া নহয়।

কিন্তু চৰিত্ৰ গঠনৰ লগত ইচ্ছা শক্তিৰ উৎকৰ্ষণৰ ওতঃপ্ৰোত সম্বন্ধ। লৰাৰ ইচ্ছা-শক্তিক তেওঁলোকৰ আপোন মনেৰে অনুকূল পাৰিপাৰ্শ্বিকতাৰ মাজত উৎকৰ্ষিত হবলৈ অথবা সু পথে পৰিচালিত হবলৈ দিলে তেওঁলোকৰ সজ ইচ্ছাই ক্ৰিয়াশীল হৈ সজ অভ্যাসত পৰিণত হব।

আজি কালি স্কুলবিলাকত পাঠ্যপুথিৰ ওপৰঞ্চিকৈ (Extra curicular বা Co-curicular) যি বহিশিক্ষাৰ ব্যবস্থা কৰা হৈছে, তাৰ মাজেদি লৰা-ছোৱালীৰ ইচ্ছা শক্তিৰ মহত্তীকৰণৰ কিছু সুবিধা আছে। পুথিৰ যোগেদি বা বুদ্ধিগত প্ৰক্ৰিয়াৰ যোগেদি চৰিত্ৰ গঠন সহজ সম্ভৱ নহয় কাৰণেই, বহিৰ্শিক্ষাৰ ব্যৱস্থা কৰা হৈছে। সমজুৱাকৈ মিলি-জুলি কাম সম্পাদান, বাব বা পদবী লৈ কৰ্ত্তব্য পালন, সাধাৰণ খেল-ধেমালিৰ প্ৰতিযোগিতা আৰু অন্যান্য অনুষ্ঠানত অংশ গ্ৰহণৰ সুবিধা দি, সমাজপ্ৰিয়তা, আৰু সমাজ চেতনাবোধ, সহযোগিতা, বৃহৎ স্বাৰ্থৰ কাৰণে ক্ষুদ্ৰ স্বাৰ্থত্যাগ, সহনশীলতা, ন্যায়বোধ আদি গুণবিলাকৰ বিকাশ আৰু উৎকৰ্ষণ সাধন কৰা হয় এই বহিৰ্শিক্ষাৰ যোগেদি। কিন্তু আমাৰ স্কুলবিলাকত এই বহিৰ্শিক্ষা প্ৰায় অৰ্থহীন আৰু গতানুগতিক হৈ পৰিছে। ভাৰপ্ৰাপ্ত শিক্ষক পৰিচালক সকল শিক্ষাৰ মূল উদ্দেশ্যটোলৈ সততে সজাগ নথকাৰ বাবে এই বহিৰ্শিক্ষাৰ ব্যৱস্থাৰ পৰা লৰা-ছোৱালীৰ যে কিবা উৎকৰ্ষ সাধন হৈছে, কব নোৱাৰি।

লৰা ছোৱালীৰ চৰিত্ৰ-গঠনত তেওঁলোকৰ দৈহিক গঠনৰ অৱস্থা আৰু তেওঁলোকৰ বংশগত প্ৰভাৱেও যথেষ্ট কাম কৰে। আমি এইবিলাক বিষয়লৈ এতিয়া নাযাওঁ। পুৰুষ পৰম্পৰা ঐতিহ্যৰ পৰা বঞ্চিত লৰা-ছোৱালীও যে চৰিত্ৰবান হব নোৱাৰে, এই কথা ভাবিলে ভুল হব। উপযুক্ত শিক্ষা আৰু পৰিবেশে সামাজিক স্তৰ নিৰ্ব্বিশেষে সকলো লৰা-ছোৱালীকে চৰিত্ৰবান কৰি তুলিব পাৰে।

লৰা-ছোৱালীয়ে প্ৰথমতে ভাববাচক ( Abstract ) আদৰ্শ বা গুণৰ আদৰ কৰিবলৈ শিকিব নোৱাৰে। কাৰণ শৈশৱ অৱস্থাত আদৰ্শৰ মোল বুজিবলৈ বুদ্ধি-বৃত্তিৰ সিমান বিকাশ নহয়। সিহঁতে প্ৰথমতে কোনো এজন মানুহক আন সকলোতকৈ বেছি ভাল পায়। সেইজন মানুহ দেউতাক, দদায়েক, ডাঙৰ ককায়েক, শিক্ষক আৰু তেওঁলোকৰ বাহিৰে ঘনিষ্ঠ সম্পৰ্কত থকা কোনো এজন লোক হব পাৰে। সেই ভাল পোৱা মানুহজন যদি বীৰ্য্যবান হয় তেনেহলে লৰা-ছোৱালী বিলাকে সেই বীৰ্য্যবান মানুহ জনৰ নিচিনা আন আন বীৰ সকলক আৰু লাহে লাহে বীৰ গুণটোক অৰ্থাৎ বীৰত্বক ভাল পাবলৈ শিকে। চেমনীয়া বয়সত লৰা-ছোৱালীবিলাকে তেওঁলোকে প্ৰথমে ভাল পোৱা বীৰ ধৰ্ম্মী মানুহজনৰ আদৰত অতীত আৰু বৰ্ত্তমানৰ জাতীয় বীৰসকলক ভাল পাবলৈ বা পূজা কৰিবলৈ শিকে, আৰু সেই বীৰৰ আদৰ্শৰ প্ৰতি বেছি আকৃষ্ট হৈ উঠে। উপৰোক্ত কাৰণে

অভিভাৱক, শিক্ষক আৰু শিক্ষামূলক অনুষ্ঠানৰ গুৰিয়াল জন অন্ততঃ একোটা মহৎ গুণৰ আদৰ্শ স্বৰূপ হব পাৰিলে বিশেষ ভাল। প্ৰকৃত গুণী মহৎলোকৰ সান্নিধ্য আৰু স্নেহ লাভৰ সুবিধা হলে লৰা-ছোৱালীৰ চৰিত্ৰ গঠনত বিশেষ সহায় হয়

সৰুতে লৰা-ছোৱালীবিলাকক নিয়মিত ভাবে মনোৰম পৰিৱেশত উপাসনা কৰিবলৈ—থাপনাৰ গুৰিলৈ, গোঁসাই ঘৰলৈ, মছজিদলৈ যাবলৈ অভ্যাস কৰালে, সিহঁতৰ মনৰ ওপৰত এটা পবিত্ৰ প্ৰভাৱ পৰে। ৰুচিপূৰ্ণ আচাৰ-ব্যৱহাৰ ঘৰত মাক-বাপেকৰ পৰা শিকিবলৈ লৰা ছোৱালীৰ বেছি সুবিধা। সুৰুচিপূৰ্ণ সামাজিক আচাৰ-ব্যৱহাৰ মইনামেলবিলাকে বিশেষকৈ শিকাব পাৰে। আমি অনেক লৰা-ছোৱালীক মইনামেলৰ জৰিয়তে সুৰুচিপূৰ্ণ আচাৰ-ব্যৱহাৰ শিকা দেখিবলৈ পাইছোঁ। ঘৰত সদালাপ, সৎ চিন্তা ভাৱনা, সৎ বিষয়ৰ আলোচনা, নিৰ্ম্মল আনন্দময় সন্তোষীয়া আবহাওৱাই লৰা-ছোৱালীবিলাকৰ মানসিক স্বাস্থ্য ৰক্ষাত বহুতো সহায় কৰে। লৰা-ছোৱালীয়ে কোনো এটা সৎ কাম ঘনাই ঘনাই কৰিবলৈ অৰ্থাৎ সৎ অভ্যাসী হবলৈ 'দণ্ডতে তাৰ পৰা লৰা-ছোৱালীৰ নিজৰ সুবিধা বিশেষ ভাবে বুজাই দিব লাগে।

# স্ব-ভাবৰ বিৰোধীকৈ শিক্ষা দিব নোৱাৰি

মানুহক সংশোধন কৰি ব্যক্তিগত আৰু সামাজিক ভাবে উপযোগী কৰাই শিক্ষাৰ উদ্দেশ্য। এই শিক্ষা স্বভাৱৰ বিৰোধীকৈ দিব নোৱাৰি। মানুহ মনৰ যিটো স্বাভাৱিক গতি তাক বাধা নিদি যিমান দূৰ পাৰি মানৱ জীৱনৰ উন্নতি আৰু কল্যাণৰ নিমিত্তে নিয়ন্ত্ৰিত কৰি নিব লাগিব। বোৱতী নৈখনৰ মুখত ভেটা দি যদি তাৰ স্বাভাৱিক গতিত বাধা দিয়া হয়, তেতিয়া হলে নৈত পানী ওফন্দি উঠি হয় ভেটা ভাঙ্গি বেছি কোবেৰে বৈ যাব, নহয় ভেটাৰ আগফালে উটাই-বুৰাই অন্যফালে গতি কৰিব। সেই কাৰণে নৈখনৰ বানপানীৰ পৰা কাষৰ ঠাইবোৰ ৰক্ষা কৰিবলৈ হলে নৈৰ কেঁকুৰীবোৰ পোনাই দুয়োফালে মথাউৰি দি নৈৰ গতি নিয়ন্ত্ৰিত কৰি বোৱাই দিব লাগিব। উদ্ভিদ আৰু অন্যান্য জীৱ-জন্তুৰ দৰে এটা নিয়মত মানৱ শিশুৰ দেহ ক্ৰমে বৃদ্ধিপ্ৰাপ্ত হৈ ডেকা বয়সত পূৰ্ণ পৰিপুষ্টি লাভ কৰে। এই ছোৱাত শৰীৰৰ বৃদ্ধিটোৱেই স্বাভাৱিক নিয়ম। সেই ধৰণেৰে মানুহৰ শিশু অৱস্থাৰ পৰাই মনৰ শক্তি বা সম্পদবিলাকৰ লাহে লাহে স্ফুৰণ আৰু বিকাশ হয়। ই এটা স্বাভাৱিক নিয়ম। আমি মনৰ শক্তি বিলাকৰ স্বাভাৱিক বিকাশৰ নিয়মৰ বিৰুদ্ধে গৈ মানুহক সংশোধিত আৰু

উৎকৰ্ষিত কৰিব নোৱাৰোঁ। প্ৰকৃতিৰ নিয়ম আৰু স্বাভাৱিক নিয়মৰ সূত্ৰ আৱিষ্কাৰ কৰি আমি সেইমতে চলিব লাগিব।

মানুহৰ মনত এটা বিশেষ লক্ষণ হৈছে কৰ্ম্ম-প্ৰয়াস। মনৰ এই বিশেষ গুণটোক কেইবাজন পণ্ডিতে কেইবাটাও নাম দিছে। কোনোৱে কৈছে 'জীয়াই থকাৰ ইচ্ছা' (Will to live), কোনোৱে কৈছে—'প্ৰাণ শক্তি' (Elan vital), কোনোৱে বুলিছে 'প্ৰাণ-প্ৰেৰণা' (Life Urge), কোনোৱে কৈছে—'কাম শক্তি' ( Libido )। কিন্তু মনোবিজ্ঞানী 'নানে' এই শক্তিটো 'জীৱন-প্ৰয়াস' (Horme) বুলি নামাকৰণ কৰিছে। জীৱন-প্ৰয়াস শব্দটোৱে মনৰ এই শক্তিটোক বেছি বুজাব পাৰিছে যেন অনুমান হয়। কীট-পতঙ্গ, জীৱ-জন্তুৱে এই জীৱন-প্ৰয়াসৰ তাগিদতে জীৱন ৰক্ষণ আৰু ধাৰণ কৰে। বিভিন্ন পৰিবেশত অৱস্থাৰ বিভিন্ন তাগিদত এই জীৱন-প্ৰয়াসে বিভিন্ন আচৰণৰ ৰূপ লয। প্ৰাণী জগতৰ নিম্নতম স্তৰৰ পৰা বিবৰ্ত্তিত হৈ আহি মানুহৰ অৱস্থা পাওঁতে সেই জীৱন-প্ৰয়াসৰ বিভিন্ন ৰূপ বা আচৰণ মানুহৰ প্ৰকৃতিগত হৈ গৈছে।

শিক্ষাৰ ফালৰ পৰা মানুহৰ মনৰ জীৱন-প্ৰয়াসৰ বিশিষ্ট আচৰণৰ ৰূপবিলাক—সহজাত বৃত্তিবিলাক জনাটো নিতান্ত আৱশ্যক। কাৰণ আমি এইবিলাক অতিক্ৰম কৰি নাইবা ইয়াৰ বিৰোধিতা কৰি নহয়—এইবিলাক আশ্ৰয় কৰিহে—মানুহক সংশোধন কৰি ব্যক্তি আৰু সমাজ জীৱনৰ উপযোগী কৰিবলৈ চেষ্টা কৰিব লাগে।

বিশেষ পৰিবেশত, বিশেষ অৱস্থাৰ তাগিদত মানুহৰ জীৱন প্ৰয়াসে যি বিশিষ্ট ৰূপ লৈছে, সেই বিলাকেই হৈছে সহজাত প্ৰবৃত্তি। এই সহজাত প্ৰবৃত্তি বিলাকৰ সংখ্যা কিমান এই বিষয়ে নানা মুনিৰ নানা মত। প্ৰবৃত্তিবিলাকৰ সংখ্যা যিমানেই নহওক মূলতঃ হল দুটা ঘাই প্ৰবৃত্তি। এটা হল ব্যক্তিগত স্বাৰ্থ সাধনৰ কাৰণে প্ৰবৃত্ত হোৱা আৰু আনটো হল স্বজাতি বা স্ব গোষ্ঠীৰ মঙ্গলৰ কাৰণে প্ৰবৃত্ত হোৱা। আগৰটোৱেই স্বাৰ্থ সাধন প্ৰবৃত্তি আৰু পাচৰটোৱেই যৌন সাধন প্ৰবৃত্তি। ইয়াৰ পৰাই শাখা-প্ৰশাখা বাঢ়ি প্ৰবৃত্তিৰ আৰু বহুত প্ৰকাৰ প্ৰভেদ হৈছে। এম, চি, ডুগালে প্ৰবৃত্তিবোৰ ১৯টা ভাগত ভাগ কৰি দেখুৱাইছে।

এটা বিশেষ পৰিবেশত, এটা বিশেষ অৱস্থাৰ তাগিদত যি আচৰণ কৰা হয় তাক আগতে উল্লেখ কৰা হৈছে। কিন্তু সেই বিশেষ পৰিস্থিতিত যি ভাৱৰ উদয় হৈ সেই বিশিষ্ট আচৰণ কৰিবলৈ বাধ্য কৰায় তাকে প্ৰক্ষোভ (Emotion) বোলে। প্ৰত্যেকটো সহজাত প্ৰবৃত্তিৰ মূলতে একোটা একোটা প্ৰক্ষোভ আছে।

ডুগেলৰ মতে প্ৰবৃত্তি হল এই কেইটা: (১) অপত্য প্ৰবৃত্তি—ডুগেলে এই অপত্য প্ৰবৃত্তি প্ৰকৃতিৰ উজ্জ্বলতম আৰু সুন্দৰতম আবিষ্কাৰ আৰু ধৰ্ম্মনীতিৰ জননী স্বৰূপ বুলি মন্তব্য কৰিছে। এই প্ৰেৰণাতে সন্তানৰ ৰক্ষণ আৰু খাদ্যসংগ্ৰহৰ চেষ্টা কৰে। দান-দক্ষিণা, সমাজৰ কল্যাণৰ কাৰণে বিভিন্ন

কাম এই প্ৰবৃত্তিৰ প্ৰেৰণাতে কৰা হয়। এই অপত্য স্নেহৰ মূলত সুকোমলতাৰ প্ৰক্ষোভ।

(২) যুযুৎসা প্ৰবৃত্তি (Instinct of Combat)-শিশু সন্তানৰ ওপৰত আক্ৰমণ আৰু অন্যান্য প্ৰবৃত্তি চৰিতাৰ্থ কৰাত বাধা পৰিলে এই প্ৰবৃত্তিৰ উদ্ৰেক হয়। এই প্ৰবৃত্তিৰ গুৰিত প্ৰক্ষোভ হল ক্ৰোধ।

(৩) কৌতূহল প্ৰবৃত্তি--এটা নতুন অপৰিচিত পৰিস্থিতিৰ ভিতৰত পৰিলে তাৰে সৈতে পৰিচিত হবৰ যি ইচ্ছা হয় সেয়ে কৌতূহল প্ৰবৃত্তি। লৰা-ছোৱালীৰ এই কৌতূহল প্ৰবৃত্তি জ্ঞান আহৰণ বা শিক্ষা দানত প্ৰধান সহায়। ইয়াৰ মূলত প্ৰক্ষোভ হল আশ্চৰ্য্য।

(৪) খাদ্য সংগ্ৰহ—ডুগেলৰ মতে এই প্ৰবৃত্তিয়েই জীৱন-প্ৰয়াসৰ প্ৰথম প্ৰচেষ্টা; কাৰণ জীৱন ৰক্ষণৰ কাৰণে খাদ্যই প্ৰথম প্ৰয়োজন। ইয়াৰ মূলত প্ৰক্ষোভ হল ভোগ

(৫) ঘৃণা প্ৰবৃত্তি—দুৰ্গন্ধ খাদ্য বস্তুৰ প্ৰতিয়েই আদিম মানুহৰ প্ৰথম ঘৃণা প্ৰবৃত্তি হৈছিল। এতিয়া সেই ঘৃণা ভাৱক উচ্চ স্তৰলৈ নি নিষ্ঠুৰতা, মিথ্যাবাদিতা আদিৰ বিৰুদ্ধে বিৰক্তিত পৰিণত কৰিব পাৰি। ইয়াৰ প্ৰক্ষোভ বিৰক্তি।

(৬) পলায়নী প্ৰবৃত্তি—এই প্ৰবৃত্তি কেইবা ধৰণেও আচৰিত হব পাৰে। হঠাৎ ডাঙৰ শব্দ শুনিলে, বিপদ সূচক চিঞৰ শুনিলে পলাই যাবৰ প্ৰবৃত্তি হয়। ইয়াৰ মূলত প্ৰক্ষোভ হ'ল ভয়।

(৭) সঙ্ঘ প্ৰবৃত্তি—নিজ জাতীয় প্ৰাণী দেখিলে, নিজ জাতীয় প্ৰাণীৰ মাত শুনিলে বা গোন্ধ পালে ওচৰ চাপি দল বান্ধি থাকিবৰ যি ইচ্ছা হয় তাকে সঙ্ঘ প্ৰবৃত্তি বোলা হয়। ইয়াৰ মূলত প্ৰক্ষোভ নিঃসঙ্গতা বোধ।

(৮) আত্ম বিস্তাৰ—লগৰ আনবিলাকতকৈ কৃতিত্ব বা শ্ৰেষ্ঠত্ব দেখুৱাবৰ ইচ্ছাই হলগৈ এই প্ৰবৃত্তি। নিজতকৈ শক্তিহীন বা যোগ্যতাহীন লোকৰ মাজত এই আত্ম বিস্তাৰ বা আস্ফালনৰ প্ৰবৃত্তি বেছি প্ৰসাৰিত হয়। ইয়াৰ মূলতে হল সক্ৰিয় আত্মানুভূতি।

(৯) আত্ম অৱমাননা—ই আত্মবিস্তাৰ প্ৰবৃত্তিৰ বিপৰীত। নিজতকৈ অধিক শক্তিশালী যোগ্যতাসম্পন্ন লোকৰ ওচৰত আত্ম সঙ্কুচিত কৰাৰ ভাৱতে এই প্ৰবৃত্তিৰ উৎপত্তি। এই প্ৰবৃত্তিৰ মূলত হল নাত্মক আত্মানুভূতি।

(১০) যৌন প্ৰবৃত্তি—ফ্ৰয়ডে এই প্ৰবৃত্তিক মনোবিজ্ঞানৰ মূল কথা বুলি কয়। ই এক প্ৰকাৰৰ ক্ষুধাৰ নিচিনা—শাৰীৰিক আৰু মানসিক। উপযুক্ত বয়সত এগৰাকী নাৰী এজন পুৰুষৰ ওচৰত উপস্থিত হলে আৰু সেইদৰে এজন উপযুক্ত বয়সৰ পুৰুষ নাৰীৰ আগত উপস্থিত হলে এই প্ৰবৃত্তি আচৰিত হয়। এই প্ৰবৃত্তিৰ মূলত হল কামুকতা।

(১১) সঞ্চয়ী প্ৰবৃত্তি—খাদ্যৰ বা গৃহ-সজ্জাৰ উপযোগী বস্তু দেখিলে সেই বস্তু সংগ্ৰহৰ ইচ্ছাই হলগৈ সঞ্চয়ী প্ৰবৃত্তি। ইয়াৰ মূলতে হল অধিকাৰিত্বৰ অনুভূতি।

(১২) গঠনমূলক প্ৰবৃত্তি—ঘৰ বা বাঁহ সাজিবৰ উপযোগী বস্তু দেখিলে এই প্ৰবৃত্তিৰ উদ্ৰেক হয়। লৰা-ছোৱালীবিলাকে ঘৰ-দুৱাৰ সাজি ধেমালি কৰোঁতে এই প্ৰবৃত্তিৰ সুন্দৰ প্ৰকাশ দেখা যায়। প্ৰক্ষোভ সৃষ্টিকাৰিতাৰ অনুভূতি।

(১৩) সংবেদনাৰ প্ৰবৃত্তি—যুঁজত জিকিবৰ যেতিয়া আশা নেথাকে তেতিয়া বিৰোধীজনৰ বা দলৰ করুণা অনু-ভূতিৰ উদ্ৰেক কৰি ৰক্ষা পাবৰ ইচ্ছাত এই প্ৰবৃত্তিৰ উদ্ৰেক হয়। ইয়াৰ মূলতে প্ৰক্ষোভ হল দুৰ্দ্দশা বোধ।

(১৪) হাস্য প্ৰবৃত্তি—এই প্ৰবৃত্তি কেৱল মানুহৰ ভিতৰত হে পৰিলক্ষিত হয়। আমি হাঁহো কেতিয়া? যেতিয়া বা যি পৰিস্থিতিত হাঁহিব নোৱাৰিলে আমি অস্বস্তিকৰ বোধ কৰোঁ, যেতিয়া আমি আন এজনক বিপদত পৰা দেখোঁ তেতিয়া তেওঁৰ দুখৰ সমবেদনাত আমি হাঁহি তেওঁৰ কষ্ট লাঘবৰ চেষ্টা কৰোঁ। কেতিয়াবা কাৰো ওপৰত খং উঠিলে আৰু সেই খং দেখুৱাব নোৱাৰিলে, তেতিয়া হাঁহিয়েই ক্ৰোধৰ উপশম কৰোঁ। এই হাস্য প্ৰবৃত্তিৰ প্ৰক্ষোভ হল আমোদ।

## লাজুকীয়া স্বভাব এইদৰে গুচাওক

**প্রঃ**—আমাৰ মইনা মেল (পাৰিজাত)ত এজন নতুন মইনাই যোগ দিছে। তেওঁ বৈঠকত প্রায়ে উপস্থিত থাকে; কিন্তু খেল-ধেমালি আদিত তেওঁ একাষৰীয়া হৈ থাকে - যোগ নিদিয়ে। তেওঁক কৈ-মেলিও বাকী মইনা বিলাকৰ লগত মিলি-জুলি থাকি কামত লগাব পৰা নাই ইয়াৰ কাৰণ কি আৰু ব্যৱস্থা কি?

**উঃ**—আপোনাৰ সহকাৰী পৰিচালক জনক লগ নোপোৱা হলে, এনেকৈ থোৰতে কৰা প্রশ্নৰ উত্তৰ দিয়া টানেই হলহেঁতেন। তেখেতৰ সৈতে কথা হৈ জানিব পাৰিছোঁ, মইনাজনে স্ব ইচ্ছাই মইনা মেললৈ যোৱা নাই। লৰাজন লাজুকীয়া স্বভাৱৰ, ঘৰতে থাকিবলৈ বিচৰে। সেই কাৰণে (আপোনালোকৰ তালৈ ট্ৰেন্সফাৰ্ড হৈ অহা উচ্চ পদস্থ) অভিভাৱক গৰাকীয়ে লৰাহঁতৰ লগত মিলি-জুলি ৰংমুৱা হবৰ কাৰণে লৰাজনক মইনামেল (পাৰিজাত) লৈ পঠাইছে। সঙ্গ বা সঙ্ঘ প্রিয়তা মানুহৰ এটা সহজাত প্রবৃত্তি আৰু লৰাকাল ছোৱাতে সেই প্রবৃত্তি প্রবল। এনে স্থলত সঙ্গ ভাল নোপোৱা বা সঙ্গৰ পৰা আঁতৰি থকা স্বভাৱটো লৰাটোৰ কাৰণে অস্বাভাবিক হৈছে। এনে লাজুক প্রকৃতিৰ লৰা-ছোৱালী স্কুল, মইনামেলত ভালেমান আছে। সাধাৰণতে এনে বিলাক লৰা-ছোৱালী Back bencher অর্থাৎ শ্রেণী বা শাৰীৰ পাচত বহে।

লৰা-ছোৱালীৰ লাজুকতাৰ কাৰণ কেইবাটাও হব পাৰে। পৰিয়ালত এনে কোনো তুৰ্ণাম থাকিব পাৰে যি কাৰণে লৰা-ছোৱালীয়ে আগলৈ আহিবলৈ ভয় বা লাজ কৰিব পাৰে। ককাক-বুঢ়ীমাক, মাক-বাপেককে আদি কৰি পৰিয়ালৰ নিচেই গাতে লগা কোনো লোকক বিশেষ কোনো বেয়া কামৰ কাৰণে যদি সমাজে হীন চকুৰে চায় বুলি লৰাই জানে তেন্তে তাকো সমাজে হীন চকুৰে চাব পাৰে বুলি সি ভয় কৰে, আৰু সেই হেতুকে সি সমাজৰ মাজলৈ আহিবলৈ সাহ নকৰে। লৰাটোৱে নিজে কোনো বেয়া কাম কৰাৰ কাৰণে যদি আনলোকে তাক হীন চকুৰে চোৱা হৈছে তেতিয়া হলেও সি সমাজ বা সজ্ঘৰ মাজলৈ আহিবলৈ সঙ্কোচ কৰিব। লৰাটোৰ যদি কোনো প্ৰকাৰ শাৰীৰিক বৈকল্য বা অঙ্গক্ষত থাকে তেনেহলেও সি সজ্ঘৰ ভিতৰলৈ আহিবলৈ লজ্জা বোধ কৰিব পাৰে। লৰাটোৱে আনে নজনাকৈ লুকাই-চুৰকৈ কোনো বেয়া অনৈতিক কাম কৰিলেও সি চন্দুৰা পৰা মানুহৰ দৰে সমাজত মুখ দেখুৱাবলৈ সাহ নকৰিব।

যি লৰাই স্কুলৰ শিক্ষক আৰু মেলৰ পৰিচালকৰ পৰা কোনো আদৰ বা সহানুভূতি পোৱা নাই হয়তো কটু কাটব্যহে শুনিছে, যি লৰাই পঢ়া শুনা বা পাঠ্য বহিৰ্ভূত বিষয় কোনো এটাতে অকণিও স্বীকৃতি পোৱা নাই সেই লৰাই নীচাত্মিকা বোধ বা আত্ম অৱমাননাৰ কাৰণে সঙ্কুচিত বা লাজুকীয়া হব পাৰে।

আমাৰ কিছুমান অভিভাৱকে অভিজাত্য বা উচ্চাত্মিকা বোধৰ বাবে নিজৰ লৰা-ছোৱালীক ওচৰচুবুৰীয়া বা আন লগৰীয়া লৰা ছোৱালীৰ লগত মিলামিছা কৈ আৰু মুকলি মূৰীয়াকৈ থাকিবলৈ নিদিয়ে। এনেদৰে এখন সুকীয়া কৃত্ৰিম সমাজত থকা লৰা-ছোৱালীয়ে স্কুল বা মইনা মেলৰ লৰা-ছোৱালীৰ আসৈ যুগুতি নোপোৱাৰ বাবেও কামৰ বেলিকা একাষৰীয়া হৈ থাকে।

লৰা-ছোৱালীৰ লাজুকীয়া ভাব (উপৰোক্ত যি কোনো কাৰণেই হওক) শিক্ষা গ্ৰহণ—জ্ঞান আহৰণৰ নিমিত্তে এটা বিৰাট প্ৰতিবন্ধক। বুঢ়া লোকৰ কথা মতেও বিদ্যা অৰ্জ্জনত আৰু ভোজনত লাজ বৰ্জ্জনীয়। লাজুক লৰাই কোনো কথা যিমানেই দৰকাৰী হওক লাগে মুখ ফালি নকয়—উপযাচি কোনো কথা নোসোধে। তেনে লৰাক বুজাবলৈ শিক্ষকে টান পায় আৰু সেইবাবে শিক্ষা দান কৰিবলৈও অসুবিধা পায়। শিক্ষা অৰ্জ্জনৰ বেলিকা ছাত্ৰৰ এই লাজকুৰীয়া স্বভাব গুচাবই লাগিব। শিক্ষক পৰিচালক সকলে লৰাৰ লাজকুৰীয়া স্বভাবৰ কাৰণ বিচাৰি বুজি লব আৰু কথাই-কামে তাক উৎসাহ দিব। তাৰ বাপ অনুসৰি কামৰ নেতৃত্বৰ দায়িত্ব দিব। প্ৰথমতে তাক লগত লৈ কাম কৰাব আৰু আপুনি আগত থাকোঁতেই তাক আনৰ হতুৱাই কাম কৰাবলৈ দিব। কামৰ আৰু নেতৃত্বৰ দায়িত্বেৰেই লাজকুৰীয়া লৰাৰ লাজ গুচাব পাৰি। মই এইদৰে প্ৰতিভাশালী কিন্তু লাজকুৰীয়া লৰাৰ লাজ গুচাইছোঁ। আপুনিও সেইদৰে কৰক। ফল পাব।

—— o ——

# মিছা নকবলৈ কোৱাতকৈ সচা কবলৈ কব

নেচাবি বোলা বস্তু খন চাবলৈ, নেখাবি বোলা বস্তু খন খাবলৈ মন বেছিকৈ যায়, আৰু সম্ভব একে ভাবেৰেই বুঢ়ালোকে কব লগাত পৰিছিল - নেবা বুলিলেই সাত চাপৰ বায়। ইয়াৰ কাৰণ কি? লৰা ছোৱালীক কোনো এটা বস্তু নেচাবি বুলি কলে, সেই বস্তুটোৰ নেচাবি বোলাৰ কাৰণ জানিবলৈ কৌতুহলতা জন্মে, আৰু সেই বাবেই দেখাকৈ নাচালেও লুকাই চুৰকৈ চাবলৈ চেষ্টা কৰে। একেটা কৌতু-হলতাৰ কাৰণেই নেখাবি বোলা বস্তু খাই চাবৰ মন যায়। যিমানেই নাচাবলৈ আৰু নাখাবলৈ হাক দিয়া হয় সিমানেই চাবলৈ আৰু খাবলৈ আগ্ৰহ বাঢ়ে। আমি নেচাবি নাখাবি নকৰিবি বুলি নাত্মক (Negative ভাবে যেতিয়া কথা কওঁ তেতিয়া আমি "হা' বুলি কোনো কাম ৰচনাত্মক ভাবে কৰিবলৈ নকওঁ—আমি কেৱল কোনো এটা কাম কৰাৰ পৰা বিৰত থাকিবলৈহে কওঁ। মিছা কথা নোকোৱা, চুৰ নকৰা আদি কথা বিলাক নাত্মক বা নিষ্ক্ৰীয় গুণ—প্ৰত্যক্ষ সক্ৰিয় গুণ নহয়। "মিছা কথা নকবা" বা "মিছা কথা কোৱা মহা পাপ" বুলি কোৱাতকৈ "সদায় সচা কথা কবা" বা "সচা কথা কোৱা পুণ্যৰ কাম" বুলি কোৱা বেছি ভাল, কিয়নো তেতিয়া কথাষাৰ আদৰ্শমূলক, উপদেশমূলক হল আৰু 'হা' বুলি এটা কাম প্ৰত্যক্ষ ভাবে কৰিবলৈ বা এটা

সক্ৰিয় গুণ আৰ্জ্জিবলৈ কোৱা হল, আৰু মিছাৰ বেয়া ফালটো জানিবৰ কাৰণে কৌতূহল বোধ উদ্রেক কৰা নহল। মুঠতে লৰাক উপদেশ দিওঁতে বা কোনো কাম কৰিবলৈ কওঁতে কেতিয়াও নাত্মক ভাবে দিব বা কব নালাগে।— কোনো কামৰ পৰা বিৰত থাকিবলৈ কোৱাতকৈ এটা কাম আগবাঢ়ি কৰিবলৈহে কব লাগে। মুঠতে নকৰিবি বা কৰিব নালাগে বুলি কোনো এটা নিষেধ কামৰ পৰা বিৰত থাকিবকৈ নকৈ বা নিয়ম নকৰি তাৰ বিপৰীতে সক্ৰিয় গুণাত্মক কোনো কৰণীয় কাম কৰিবলৈ কব বা নিয়ম কৰিব লাগে।

——o——

# শিশু সাহিত্য কোন ফালৰ বিচাৰ কৰিব

সেইদিনা আপোনালোকৰ মইনা পাৰিজাতৰ অধিৱেশনত যিটি মইনা সভাপতি হল তাক আপোনালোকে শিকাই-বুজাই, কথাই-বতৰাই, ধৰণে-কৰণে এজন বয়সস্থ নেতৃস্থানীয় লোকৰ এটা ক্ষুদ্ৰ সংস্কৰণ দাঙি ধৰিলে। সেই ৯ বছৰীয়া লৰাটিক প্ৰায় আঢ়ৈ ঘণ্টা কাল লৰচৰ নকৰাকৈ এনে ভাৰ-গম্ভীৰ কৰি বহুৱাই ৰাখি মইনা সভাপতিৰ আকৰ্ষণ তেনেই কমাই পেলালে, আৰু তেওঁ যি অভিভাষণ পঢ়িলে সেই অভিভাষণ ভাব-ভাষা-ভঙ্গীয়ে কেতিয়াও সেই বয়সৰ

নহল। বয়সীয়া লোকৰহে হল। বুজিবলৈ বাকী নাথাকিল লৰাটিয়ে নিজে কি ভাবিছে আৰু কি বুজিছে আৰু কেনেকৈ কয় 'তালৈ ভ্ৰূক্ষেপ নকৰি আপোনালোকে তাৰ হৈ লিখি দিয়া অভিভাষণ খন পঢ়াইছে। হয়তো 'আপোনা-লোকৰ লৰাই বহুত কথা জানে বুলি বাহিৰৰ পৰা অহা মানুহে 'তাজ্জব' মানিলে!

এনে ধৰণৰ ভুল আপোনালোকেই কৰা নাই, আমাৰ ভিতৰৰ বহুতেই কৰে। মইনাহঁতক বক্তৃতা-গীত-আবৃত্তি কৰিবলৈ দিওঁতে, সিহঁতৰ বয়সৰ ভাব-চিন্তা, কল্পনা-অনুভূতি, বিদ্যা-বুদ্ধিলৈ প্ৰায়ে মন নকৰোঁ। যদি মেলত মইনাহঁতে সিহঁতৰ ভাব-চিন্তা, কল্পনা-অনুভূতিৰে কথা কব নোৱাৰে তেনেহলে সিহঁত মইনাহঁতৰ ভিতৰত সহ-অনুভূতি আৰু সংবেদন কেনেকৈ হব? বয়সৰ চিন্তা-অনুভূতি আৰু ইচ্ছাৰ সোঁত ধৰি বিকাশৰ কেনেকৈ সুবিধা দিয়া হব? আৰু মইনা মেলৰ কাৰণেই বা সিহঁতৰ কি আকৰ্ষণ থাকিব?

স্কুল আৰু মেলৰ অনেক সভা-সমিতিত কোমল বয়সৰ লৰা-ছোৱালীয়ে চিন্তা আৰু অনুভূতিৰ চুকি নোপোৱা গীত-কবিতা গোৱা, ৰচনা পঢ়া আৰু ভাষণ দিয়া দেখিবলৈ পাইছোঁ। ১২ বছৰৰ তলৰ লৰা ছোৱালীৰ গীত-কবিতা-আবৃত্তিত প্ৰেমৰ আবেদন, মৃত্যুৰ প্ৰতি আকুল আহ্বান, সমাজৰ বীভৎস ৰূপৰ বৰ্ণনা আদি কেতিয়াবা

দেখিবলৈ পাওঁ। শিশুমনৰ আশা-আকাঙ্ক্ষা, খং-ৰাগ, অবাস্তব কল্পনা স্কুল আৰু মেলৰ সভা-সমিতিত অনুষ্ঠিত গীত-পদ-আবৃত্তিত অতি কমেই দেখা যায়। ইয়াৰ কাৰণে অৱশ্যে অসমীয়া শিশু সাহিত্যৰ দীনতাও কম দায়ী নহয়। দুই-চাৰিটা কবিতা, দুই-চাৰিখন পুথিৰ বাহিৰে শিশু সাহিত্য বুলি লিখা প্ৰায়বিলাক কিতাপেই শিশু মনৰ চিন্তা-অনুভূতি-ইচ্ছালৈ লক্ষ্য ৰাখি লিখা হোৱা নাই। বয়সীয়া লেখকে সৰু লৰাৰ ভাওলৈ অলপ সহজ ভাষাত লিখিলেই শিশু সাহিত্য নহয়। আমাৰ স্কুলৰ পাঠ্য পুথি বিলাকো প্ৰায় তেনেধৰণৰ। সেই নিমিত্তে স্কুলীয়া পাঠ্য পুথি বিলাকে অনেক স্থলত লৰা-ছোৱালীক শিকাৰ আনন্দ দিব নোৱাৰে। উপৰোক্ত উদাহৰণ টোকে ধৰক। মইনা সভাপতিটিক ভাষণখন লিখি নিদি বা কি কি কথা লিখিব লাগিব বুলি কৈ নিদি তেওঁকে আপোন মনেৰে ভাষণ খন লিখিবলৈ দিব লাগিছিল। তেওঁ নিজৰ মনেৰে মইনা মেলৰ বিষয়ে কি ভাবে, লগৰীয়া লৰা বিলাকক কি কৰলৈ ইচ্ছা কৰে, ডাঙৰৰ প্ৰতি কি মন্তব্য কৰিবলৈ ভাল পায় তাকে কৰিবলৈ দিব লাগে। তেওঁ ভাষণ খন লিখাৰ পাচত আপুনি শব্দ জোটনিৰ কোনো ভুল শুধৰোৱাই, ভুল তথ্য (Information) থাকিলে শুদ্ধ কৰি আৰু অসঙ্গত মন্তব্য থাকিলে তাকো সংশোধন কৰি দিব। তাৰ বাহিৰে আপুনি একো সংশোধন, পৰিবৰ্ত্তন আৰু পৰিবৰ্দ্ধন

কৰিব নোৱাৰিব। আমাৰ বোধেৰে পাঠ্য পুথিৰ তথ্যমূলক পাঠ বিলাকৰ বাহিৰে বাকী বিলাক পাঠ এই ধৰণেৰে যুগুত কৰা ভাল হব, আৰু তথ্যমূলক পাঠ বিলাকো সৰু সৰু লৰা-ছোৱালীৰ স্বাভাৱিক কৌতূহলতা উদ্ৰেক কৰি বা তালৈ লক্ষ্য ৰাখি প্ৰস্তুত কৰিব লাগে। শিশু সাহিত্য যুগুত কৰোঁতে বা স্কুল আৰু মেলত গীত, কবিতা, আবৃত্তি অভিনয় কৰোঁতে শিশু মনৰ চিন্তা-অনুভূতি-ইচ্ছালৈ চোকা লক্ষ্য ৰাখিব লাগিব।

* * * *

সৰস্বতী পূজা উপলক্ষে আপোনালোকৰ স্কুলত পতা প্ৰদৰ্শনী মই যোৱা কেয়ো বছৰ চাইছোঁ। প্ৰদৰ্শনী ইবছৰতকৈ সিবছৰ অলপ অলপ কৈ ডাঙৰ হৈ গৈছে আৰু আড়ম্বৰো বাঢ়িছে। কিন্তু প্ৰদৰ্শনীৰ আচল লক্ষ্যৰ পৰা আপোনালোক কিছু আঁতৰি গৈছে বুলি মোৰ ধাৰণা হৈছে। প্ৰথমবাৰ প্ৰদৰ্শনীত যিমান ছাত্ৰই যোগ দিছিল পাচৰ কেইবছৰত সিমান ছাত্ৰই যোগ দিয়া নাই। অৰ্থাৎ নতুন প্ৰতিযোগী আৰু প্ৰদৰ্শনীয় বস্তুৰ সংখ্যা অনুক্ৰমে কমি গৈছে। আপোনালোকে প্ৰদৰ্শনীখন লোক-দেখনিয়াৰ কৰিবৰ কাৰণে প্ৰতিযোগীসকলৰ আটাইবিলাকৰে অন্ততঃ একোটা প্ৰদৰ্শনীয় বস্তু প্ৰদৰ্শনীত দুলিয়াই বাছৰ বাছ কেইটাহে উলিয়াইছে; আৰু প্ৰদৰ্শনীখন ডাঙৰ কৰি দেখুৱাবৰ বাবে আগৰ কেই বছৰৰ প্ৰদৰ্শিত বস্তুবিলাকো চাই চাই আনি প্ৰদৰ্শনীত সজাই থৈছে। মইনা মেল আৰু স্কুলৰ প্ৰদৰ্শনীৰ লক্ষ্য যে

অন্যান্য অনুষ্ঠানৰ যোগে প'তা প্ৰদৰ্শনীৰ পৰা বেলেগ—শিক্ষা অনুষ্ঠানবিলাকত লৰাৰ শিক্ষাৰ এটা অঙ্গ স্বৰূপেহে যে প্ৰদৰ্শনীৰ আয়োজন কৰা হয়—এই কথা আমি প্ৰায়ে পাহৰি যাওঁ ।

আমি লৰা-ছোৱালীবিলাকক মাটি, বাঁহ, বেত, কাঠ, কাগজ, কাপোৰ, ৰং আদি (মাধ্যম)ৰে সিহঁতৰ বস্তু-জ্ঞানক একোটা ৰূপ দিবলৈ সুবিধা দিওঁ। বস্তু সাজোঁতে সিহঁতৰ মস্তিষ্কৰ পৰিচালনাৰ লগতে হাতৰ পৰিচালনা হয় আৰু ইয়াৰ লগতে স্পৰ্শেন্দ্ৰিয় আৰু দৰ্শনেন্দ্ৰিয়ৰো সহযোগ ঘটে। লৰা-ছোৱালীবিলাকৰ বস্তু-জ্ঞান, বৰ্ণ-বোধ বা ৰুচিৰ বিকাশ আৰু উৎকৰ্ষ সাধনৰ ই এটা আনন্দদায়ক উপায়। চকুৰে দেখা, হাতেৰে স্পৰ্শ কৰা আৰু কাণেৰে শুনা বস্তু বিলাকৰ সম্পৰ্কে সৰু সৰু লৰা-ছোৱালীৰ ধাৰণা বয়সীয়া সকলৰ ধাৰণাৰ পৰা বহুত বেলেগ। বয়সীয়াৰ আৰ্জ্জিত আৰু অভিজ্ঞতালব্ধ জ্ঞান লৰা-ছোৱালীৰ নিচেই কম। কিন্তু আন হাতে, সিহঁতৰ মনত আৰু দৃষ্টিত নতুনত্ব (Freshness) মলিন নহৈ সজীৱ হৈ থকাত সিহঁতৰ নিতে নতুন প্ৰশ্নৰ উদয় হয়। সিহঁতে নিতে নিতে উদ্ৰেক হোৱা কৌতুহলতা, পাৰিলে বয়সীয়াৰ পৰা পোৱা জ্ঞানেৰে চৰিতাৰ্থে কৰে, নহয় আপোন মনেৰে কিবা এটা উত্তৰ উলিয়াই পৰিতৃপ্ত কৰে।

সৰু সৰু লৰা-ছোৱালীবিলাকে উপৰোক্ত বিভিন্ন মাধ্যমেৰে যি বিলাক বস্তু সাজে, দৃশ্যমান জগত সম্বন্ধে সিহঁতৰ বোধ আৰু ধাৰণাৰ প্ৰত্যক্ষ ৰূপ স্বৰূপে সেই বস্তু বিলাকৰ মূল্য শিক্ষাৰ ফালৰ পৰা বহুত।

—০:০:০—